"বৰ্তমান সময়"ৰ শেহতীয়া
প্ৰতিটো খবৰৰ বাবে
আমাৰ সৈতে সংযুক্ত হওক
QR কোডটো স্কেন কৰক

# বৰ্তমান সময়

সমন্বয় আৰু সততাৰ কণ্ঠ

আজিৰ কাকত ১২ পৃষ্ঠা

BORTOMAN সময় DIGITAL

Bortoman Xomoy, Daily News Paper, RNI Regd. No. ASMUL/25/A4497 Published from Guwahati

Follow us on :

প্ৰথম বছৰ ■ সংখ্যা ৮৭ ■ ২৬ অক্টোবৰ, সোমবাৰ ■ ৮ কাতি, ১৯৪৮ শক ■ Vol-1 ■ No-87 ■ Monday, 26 October, 2026 ■ মূল্য- ১০ টকা, প্ৰথম পৃষ্ঠা, গুৱাহাটীৰ পৰা প্ৰকাশিত, Published from Guwahati

‘বৰাকত নচলিব অসমীয়া গান-অনুষ্ঠান’ঃ শ্ৰীভূমিত দেৱী বিসৰ্জনৰ সময়তে শিল্পীৰ ওপৰত দুৰ্বৃত্তৰ নিৰ্মম প্ৰহাৰ

# বিহুৱা-বিহুৱতীক আক্ৰমণ, গ্ৰেপ্তাৰ ১৩ দুৰ্বৃত্ত



■ বিহুৱতীক অৰ্ধ উলংগ কৰি অমানুষিক নিৰ্যাতন
■ খুন্দিয়াই ভাঙিলে বিহুৱাৰ দাঁত
■ যাঠি-জোং লৈ পাশৱিক অত্যাচাৰ

**বৰ্তমান সময়, শ্ৰীভূমি, ২৫ অক্টোবৰ ঃ** প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰাত অংশগ্ৰহণ কৰা বিহু শিল্পীৰ ওপৰত আক্ৰমণৰ অভিযোগক কেন্দ্ৰ কৰি শ্ৰীভূমিত সৃষ্টি হৈছে উত্তপ্ত পৰিস্থিতিৰ। উৎসৱমুখৰ পৰিৱেশৰ মাজতে সংঘটিত এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে হিন্দুস্থান ক্লাবৰ ১৩জন সদস্যক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱা বুলি জানিব পৰা গৈছে। লগতে ঘটনাৰ তদন্তৰ স্বাৰ্থত প্ৰতিমা কঢ়িয়াই নিয়া ট্ৰাক, জেনেৰেটৰ আৰু ছাউণ্ড চিষ্টেম জব্দ কৰিছে আৰক্ষীয়ে। প্ৰাপ্ত অভিযোগ অনুসৰি, হিন্দুস্থান ক্লাবৰ প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰাত সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন ৬ পৃষ্ঠাত





## শিল্পীৰ ওপৰত বৰ্বৰ আক্ৰমণক লৈ প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰীৰ, দোষীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপৰ নিৰ্দেশ

# অসমৰ সংস্কৃতি-ঐতিহ্যৰ অপমান সহ্য কৰা নহ'ব ঃ ডº শৰ্মা



## সমগ্ৰ ঘটনাক দুৰ্ভাগ্যজনক উদ্বেগজনক আখ্যা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ অক্টোবৰ ঃ** শ্ৰীভূমিত প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰাত অংশগ্ৰহণ কৰা বিহু দলৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই। ঘটনাটোক দুৰ্ভাগ্যজনক আৰু উদ্বেগজনক বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানক ঘটনাৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বিহু ৬ পৃষ্ঠাত

বিহুদলৰ দুৰ্গতি দেখি গৰজি উঠিল আছুকে ধৰি বিভিন্ন জাতীয় দল-সংগঠন

# ‘এয়া অসমীয়াৰ আৱেগৰ ওপৰত আক্ৰমণ’

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ অক্টোবৰ ঃ** শ্ৰীভূমিত বিহু দলৰ ওপৰত সংঘটিত আক্ৰমণক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ মাজতে ঘটনাটোক তীব্ৰ ভাষাৰে গৰিহণা দিছে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাই। সন্থাই ঘটনাৰ সৈতে জড়িত অভিযুক্তসকলক শীঘ্ৰে চিনাক্ত কৰি আইন অনুসৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত দাবী জনাইছে। অসমীয়া ভাষা, সংস্কৃতি আৰু বিহুৰ মৰ্যাদা ৰক্ষা কৰাৰ লগতে শিল্পীসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈও সন্থাই আহ্বান জনাইছে। সন্থাৰ অভিযোগ অনুসৰি, ২৩ অক্টোবৰৰ নিশা শ্ৰীভূমি জিলাৰ হিন্দুস্তান ক্লাবৰ উদ্যোগত দুৰ্গাপূজা উপলক্ষে আয়োজিত প্ৰতিমা বিসৰ্জনৰ সাংস্কৃতিক অনুষ্ঠানত বিহু পৰিৱেশনৰ বাবে ৬ পৃষ্ঠাত

আক্ৰমণকাৰীয়ে লুটি নিলে সোণৰ অলংকাৰ



## ‘মন কী বাত’ৰ ১২ বছৰ
## তীৰ্থযাত্ৰা আখ্যা প্ৰধানমন্ত্ৰী মোদীৰ

**নিউজ ডেস্ক, ২৫ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মাহেকীয়া ৰেডিঅ' অনুষ্ঠান ‘মন কী বাত’ৰ ১২ বছৰীয়া যাত্ৰাক ‘তীৰ্থযাত্ৰা’ৰ ৬ পৃষ্ঠাত

## পাকিস্তানত এটা চিলিণ্ডাৰৰ দাম ৮ হাজাৰ টকা

**নিউজ ডেস্ক, ২৫ অক্টোবৰ ঃ** ইৰানৰ সৈতে গুৰুত্বপূৰ্ণ সীমান্ত পাৰাপাৰ পথসমূহ ১৭ অক্টোবৰৰ পৰা বন্ধ হোৱাৰ ফলত পাকিস্তানত এলপিজিৰ ৬ পৃষ্ঠাত

১৮ জনক গ্ৰেপ্তাৰ ঃ ১,৪২৪ টা বেংক একাউণ্ট ফ্ৰীজ

# অসমকে ধৰি তিনি ৰাজ্যত ড্ৰাগছৰ বিৰুদ্ধে অপাৰেশ্যন ট্ৰাইডেণ্ট




## ’২৯ ৰ ডিচেম্বৰৰ পূৰ্বে ড্ৰাগছমুক্ত দেশ গঢ়াৰ অংগীকাৰ অমিত শ্বাহৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ অক্টোবৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলত আন্তঃৰাষ্ট্ৰীয় নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু অবৈধ বিত্তীয় লেনদেনৰ বিৰুদ্ধে বৃহৎ অভিযান চলাইছে নিৰাপত্তা আৰু তদন্তকাৰী সংস্থাসমূহে। ‘অপাৰেশ্যন ট্ৰাইডেণ্ট’ নামৰ এই বিশেষ অভিযানত অসম, মিজোৰাম আৰু মণিপুৰৰ ৩৮টা স্থানত একেলগে তালাচী চলোৱা হয়। অভিযানৰ সময়ত ১৮জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ১,৪২৪টা বেংক একাউণ্ট ফ্ৰীজ কৰা আৰু ১৭.৮২ কোটি টকাৰ সম্পত্তি সংলগ্ন কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জানিবলৈ দিয়ে এই কথা। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি, ২৩ অক্টোবৰত চলোৱা এই অভিযানত নিচাযুক্ত দ্ৰব্যৰ আন্তঃৰাষ্ট্ৰীয় সৰবৰাহৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপিত হোৱা এটা বৃহৎ নেটৱৰ্কৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হয়। অভিযানকাৰী দলটোৱে প্ৰায় ১০০ কোটি টকাৰ হাৱালা লেনদেনৰ তথ্য উদঘাটন কৰাৰ লগতে ৫০০টা ডিট'নেটৰ আৰু ১২ লাখ টকা ৬ পৃষ্ঠাত

## ‘মোৰ পুত্ৰক ক'ৰবাত দেখিছে নেকি ?’ হাতত ফটো লৈ ফেকুৰি উঠিল পিতৃ



**বৰ্তমান সময়, ভৱানীপুৰ, ২৫ অক্টোবৰ ঃ** দিনৰ প্ৰায় ১১-৩০ বজাত সৰুপেটাৰ যোগীবাবা থান প্ৰাংগণত এগৰাকী ব্যক্তিয়ে উপস্থিত বিভিন্নজন ব্যক্তিক ফটো এখন দেখুৱাই ৬ পৃষ্ঠাত

# কংগ্ৰেছত গৌৰৱ গগৈ হাটাও অভিযান!

## সলনি হ'ব নেকি প্ৰদেশ কংগ্ৰেছৰ সভাপতি



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ অক্টোবৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ নেতৃত্বক লৈ দলৰ ভিতৰতে অসন্তুষ্টি বৃদ্ধি পোৱা বুলি চৰ্চা চলিছে। দলীয় সূত্ৰৰ উদ্ধৃতিৰে প্ৰকাশিত তথ্য অনুসৰি ৬ পৃষ্ঠাত

# ‘ভাৰত অসহায় দৰ্শক হৈ থাকিব নোৱাৰে’

**নিউজ ডেস্ক, ২৫ অক্টোবৰ ঃ** বিশ্বৰ দুই প্ৰান্তত অব্যাহত থকা যুদ্ধক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে। পূব ইউৰোপত ৰাছিয়া-ইউক্ৰেইন যুদ্ধ আৰু ৬ পৃষ্ঠাত

বিদেশমন্ত্ৰী এছ জয়শংকৰৰ তাৎপৰ্যপূৰ্ণ মন্তব্য

# শোকাৱহ দুৰ্ঘটনাত নিহতৰ পৰিয়ালক ক্ষতিপূৰণৰ দাবীত ডুমডুমাত উত্তাল প্ৰতিবাদ

**বৰ্তমান সময়, ডুমডুমা, ২৫ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা চামডাং বাইপাছত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত মৃত্যু হোৱা চাৰিগৰাকী লোকৰ পৰিচয় সম্পূৰ্ণৰূপে উদ্ধাৰ হোৱাৰ পিছতে অঞ্চলটোত শোকৰ ছাঁ পৰিছে। এই শোকাৱহ দুৰ্ঘটনাত মৃত্যু হোৱা লোককেইগৰাকী হৈছে সুব্ৰত ভট্ট, পণ্টো তাঁতী, গণেশ প্ৰজা আৰু ৰাজেশ কৃষাণ। ইতিমধ্যে তিনিগৰাকী মৃতকৰ পৰিচয় উদ্ধাৰ হৈছিল যদিও চতুৰ্থগৰাকী মৃত যুৱক ৰাজেশ কৃষাণৰ পৰিচয় আজি নিশ্চিত কৰা হয়। জানিব পৰা মতে, ৰাজেশ কৃষাণৰ ঘৰ ফিল'বাৰীৰ কাকজানৰ পিঠাগুটি গাঁৱত। তেওঁ দুৰ্ঘটনাগ্ৰস্ত কেঁচা চাহপাত কঢ়িওৱা বলেৰঅ পিকআপ বাহনখনত যোগালি হিচাপে কৰ্মৰত আছিল। এই ঘটনাই মৃতকৰ পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ সৃষ্টি ৬ পৃষ্ঠাত



# জুবিন গাৰ্গৰ হত্যাৰ ন্যায়ৰ দাবীৰে ৰাজ্যজুৰি অন্দোলন ঘোষণা ছাত্ৰ সন্থাৰ

২৯ অক্টোবৰত প্ৰতি জিলাত মমশিখা সমদল আছুৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা চমুকৈ ‘আছু’ৰ আহ্বানত অহা ২৯ অক্টোবৰত অসমৰ প্ৰতিখন জিলা সদৰত মম্‌শিখা সমদল উলিওৱা হ'ব। প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁৰ মৃত্যুৰ ঘটনাত জড়িত দোষীসকলৰ উপযুক্ত শাস্তিৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আছুৰ সভাপতি উৎপল শৰ্মাই প্ৰকাশ কৰা ৬ পৃষ্ঠাত




নদীবান্ধ বিৰোধী প্ৰতিবাদত চিন্তিত কেন্দ্ৰীয় চৰকাৰ

# অৰুণাচলত উত্তেজনা অব্যাহত ঃ আৰএএফ মোতায়েন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ অক্টোবৰ ঃ** প্ৰস্তাৱিত ১১,২০০ মেগাৱাট ক্ষমতা সম্পন্ন ছিয়াং আপাৰ মাল্টিপাৰপজ প্ৰজেক্টক কেন্দ্ৰ কৰি অৰুণাচল প্ৰদেশত সৃষ্টি হোৱা উত্তেজনাই হিংসাত্মক ৰূপ লোৱাৰ পিছতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যখনলৈ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ বিশেষ ৰেপিড একশ্বন ফ'ৰ্চৰ প্ৰায় ২৫০জন জোৱান প্ৰেৰণ কৰা হৈছে। জলবিদ্যুৎ প্ৰকল্পটোৰ বিৰুদ্ধে আহ্বান জনোৱা ১২ ঘণ্টীয়া বন্ধৰ পিছত ইষ্ট ছিয়াং জিলাৰ পাছিঘাটত হিংসাত্মক ৬ পৃষ্ঠাত

# স্বৰ্ণকন্যাক উপচাই পেলালে মৰম-আদৰেৰে

## নাজিৰাত কেইবাটাও দল-সংগঠনৰ সম্বৰ্ধনা লাভলীনা বৰগোহাঁইক

**বৰ্তমান সময়, গেলেকী, ২৫ অক্টোবৰ ঃ** জাপানত সম্প্ৰতি সামৰণি পৰা ২০২৬ বৰ্ষৰ ঐতিহ্যমণ্ডিত এছিয়ান গেমছৰ মহিলা বক্সিঙৰ ৭৫ কেজি শাখাত চমকপ্ৰদ প্ৰদৰ্শনেৰে সোণৰ পদক জয় কৰি দেশ তথা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিব পৰা অসমৰ স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁইক আজি নাজিৰাত বিপুল উষ্ম সম্বৰ্ধনা জনোৱা হয়। নাজিৰা পৌৰসভা আৰু শিমলুগুৰি পৌৰসভাৰ যৌথ উদ্যোগত নাজিৰা এম চি ক্লাব প্ৰাংগণত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই ৬ পৃষ্ঠাত



চাৰিবাৰকৈ জিঅ' টেগিং কৰিও নাপালে চৰকাৰী গৃহৰ আইডি

# পিএমৱাইএ গৃহ আবণ্টনত অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদ



**বৰ্তমান সময়, মুকালমুৱা,২৫ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ অধীনত চৰকাৰী গৃহ আবণ্টনক কেন্দ্ৰ কৰি নলবাৰী জিলাৰ ২৯নং লোহাৰকাঠা-দৰঙীপাৰা গাঁও পঞ্চায়তত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। চতেমাৰী গাঁৱৰ একাংশ পৰিয়ালে চাৰিবাৰকৈ জিঅ' টেগিং কৰাৰ পাছতো চৰকাৰী গৃহৰ আইডি লাভ নকৰাৰ অভিযোগ উত্থাপন কৰাৰ বিপৰীতে আৰ্থিকভাৱে স্বচ্ছল পৰিয়ালে গৃহ লাভ কৰা বুলি অভিযোগ কৰিছে। এই বিষয়টোক লৈ কিছুদিন পূৰ্বে শতাধিক মহিলাই নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰিছিল। পৰৱৰ্তী সময়ত জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে গাঁও পঞ্চায়তৰ কাৰ্যালয়ত নলবাৰী জিলা পৰিষদৰ সহকাৰী কাৰ্যবাহী বিষয়া ভাস্কৰ চক্ৰৱৰ্তীয়ে প্ৰতিবাদী মহিলাসকলৰ অভিযোগৰ শুনানি গ্ৰহণ কৰে। ভুক্তভোগী মহিলাসকলৰ অভিযোগ অনুসৰি, গাঁওখনৰ বিশেষভাৱে সক্ষম ব্যক্তি, বিধৱা মহিলা আৰু আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহে চৰকাৰী গৃহ লাভৰ পৰা বঞ্চিত হৈ আছে। একাংশ পৰিয়ালৰ চাৰিবাৰকৈ জিঅ' টেগিং সম্পন্ন হোৱাৰ পাছতো গৃহৰ আইডি লাভ নকৰাত চৰকাৰী আঁচনিৰ হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়াক লৈ প্ৰশ্ন উত্থাপন হৈছে। ইয়াৰ উপৰি, জিঅ' টেগিঙৰ নামত ৱাৰ্ড সদস্যই প্ৰতিটো পৰিয়ালৰ পৰা ৫০০ টকাকৈ সংগ্ৰহ কৰাৰ অভিযোগো উত্থাপন কৰিছে মহিলাসকলে। আনহাতে, নিজৰ প্ৰাপ্য বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ অহা মহিলাসকলক অৰুনোদয় আঁচনিৰ ধন কৰ্তন কৰাৰ ভাবুকি দিয়াৰো অভিযোগ উত্থাপন কৰিছে। চৰকাৰী আঁচনিৰ প্ৰকৃত হিতাধিকাৰী নিৰ্বাচনত স্বচ্ছতা নিশ্চিত কৰাৰ দাবী জনাই ভুক্তভোগী মহিলাসকলে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্তৰ আহ্বান জনাইছে। লগতে, গৃহ লাভৰ যোগ্যতা থকা দৰিদ্ৰ পৰিয়াল, বিধৱা মহিলা আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলক অগ্ৰাধিকাৰ দি চৰকাৰী গৃহ প্ৰদান কৰাৰ লগতে উত্থাপিত অভিযোগসমূহৰ ভিত্তিত দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ হস্তক্ষেপ দাবী কৰিছে। পৰৱৰ্তী সময়ত জিলা আয়ুক্তই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়ত হব লক্ষ্যণীয়।

## কঠীয়াতলীৰ দৃষ্টিহীন চিমু দাসলৈ ২০২৫ বৰ্ষৰ বাবে অসম গৌৰৱ বঁটা

**বৰ্তমান সময়, কঠিয়াতলী,২৫ অক্টোবৰ ঃ** বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কঠীয়াতলীৰ দৃষ্টিহীন হৈয়ো একনিষ্ঠ সাধনাৰ জৰিয়তে দৃষ্টিহীন মহিলা ক্ৰিকেটৰ অসম কন্যা ৰূপে পৰিচয় পাবলৈ সক্ষম হোৱা চিমু দাসলৈ ২০২৫ বৰ্ষৰ বাবে অসম চৰকাৰে 'অসম গৌৰৱ বঁটা' প্ৰদান কৰাৰ বাবে কঠীয়াতলীবাসীৰ লগতে অসমৰ সমূহ ৰাইজেও গৌৰৱ অনুভৱ কৰিছে। কঠীয়াতলী কছাৰী গাঁৱৰ এটা সাধাৰণ জুপুৰিত বাস কৰিছিল মাতৃ অঞ্জু দাসে দুগৰাকী দিবাংগ শিশুক ভগৱানৰ দান বুলি গ্ৰহণ কৰি ঘৰে ঘৰে বাচন বৰ্তন ধুই শেহতীয়াকৈ চেন্ট্ৰেল বেংক কঠীয়াতলী শাখাত ৰান্ধনী কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। চিমু দাস আজি দৃষ্টিহীন মহিলা ক্ৰিকেটৰ এগৰাকী বিশ্ববিখ্যাত ক্ৰিকেট খেলুৱৈ হৈ বহু পুৰস্কাৰ আৰু বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। আকৌ এইবাৰ অসম চৰকাৰে অসম গৌৰৱ বঁটা প্ৰদান কৰিব বুলি ঘোষণা কৰাৰ বাবে কঠীয়াতলীবাসীৰ মনত আনন্দৰে মন উপচি পৰিছে। আজিলৈকে আনৰ মাটিত জুপুৰি ঘৰ এটা সাজি বাস কৰি থকা পৰিয়ালটোৰ দুখৰ সমভাগী হৈ নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ উদ্যোগত ডেৰ কঠা ভূমি আবণ্টন দিয়াৰ ব্যৱস্থা কৰিছিল যদিও এতিয়াও চৰকাৰী নিয়মানুসৰি কামখিনি সম্পূৰ্ণ হোৱা নাই। প্ৰাক্তন আয়ুক্ত দেৱাশীষ শৰ্মা এতিয়া নগাঁও লোকসভা সমষ্টিৰ সাংসদ, এতিয়া পৰৱৰ্তী ভূমি আবণ্টনৰ ক্ষেত্ৰত সাংসদ গৰাকীয়ে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিছে কঠীয়াতলীৰ ৰাইজে।

## ভৱিষ্যৎ জীৱনৰ সপোন আগত লৈ খেলপথাৰত এদল সন্ধানীৰ দৌৰ

**বৰ্তমান সময়, ছিপাঝাৰ, ২৫ অক্টোবৰ ঃ** লোক কলা-সংস্কৃতিৰ সমান্তৰাল কৈ খেল ধেমালি আদিতো ছিপাঝাৰ আগবঢ়া আৰু ঠাইখনৰ এটা সুনাম আছে। খেল-ধেমালিৰ ক্ষেত্ৰত ছিপাঝাৰৰ আছে নিজস্ব প্ৰতিভা। কিন্তু কাৰ্যক্ষেত্ৰত ক্ৰীড়াৰ আন্তঃগাঁথনি নোহোৱাত যুৱক যুৱতীৰ প্ৰতিভা উদ্ভাসিত কৰাত বাধা হৈ পৰিছে। ছিপাঝাৰৰ বৃহত্তৰ চেঙেলীয়াঝাৰ অঞ্চলত নাই এখন ভাল খেল পথাৰ। স্থানীয় চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰখনেই অঞ্চলটোৰ যুৱক যুৱতীৰ খেল অনুশীলনৰ একমাত্ৰ খেলপথাৰ হোৱাৰ লগতে অনুষ্ঠান -প্ৰতিষ্ঠানৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সুবিধাজনক ঠাই। উল্লিখিত খেল পথাৰখনত পুৱা-গধূলি সময়ত এচাম প্ৰতিভা সন্ধানী যুৱক যুৱতীয়ে ক্ৰীড়া অনুশীলন কৰি আহিছে। মনত এটা সপোন লৈ খেল পথাৰখনত সূৰ্যোদয়ৰ আগতে আৰু সূৰ্যাস্তৰৰ পিছত নিতৌ দৌৰে খেল পথাৰখনত। এটা সপোনৰ পাছত নিৰ্দিষ্ট সময় ধৰি দৌৰি দৌৰি বহু আশা বুকুত বান্ধি পিছত হয় ঘৰমুৱা। এই সকলৰ লক্ষ্য এটাই তেওঁলোক প্ৰত্যেকেই দেশ সেৱাৰ বাবে সেনাবাহিনী, অৰ্ধসামৰিক বাহিনীত ভৰ্তি হোৱাৰ আশা। সপোনক বিশ্বাস ৰাখিছে সকলোৱে। কাৰণ উল্লিখিত খেল পথাৰখনত দৌৰিয়েই অঞ্চলটোৰ বহু যুৱক যুৱতী ইতিমধ্যে সামৰিক বাহিনীত চাকৰি লাভ কৰিছে। চেষ্টাৰ অসাধ্য একো নাই। তেওঁলোকেও এদিন একেদৰে সামৰিক বাহিনীত চাকৰি পাব পাৰিব বুলি অযুত আশা মনত পুহি ৰাখিছে। খেল পথাৰখনত প্ৰতিযোগিতামূলক ফুটবল খেলো সময়ে সময়ে অনুষ্ঠিত হৈ আহিছে। স্থানীয় বহু কেইগৰাকী যুৱক-যুৱতী খেলপথাৰখনত ফুটবল খেলৰ অনুশীলন কৰিয়েই চৰকাৰৰ বিভিন্ন বিভাগত চাকৰি পাবলৈ সক্ষম হোৱাৰ লগতে ৰাজ্যিক পৰ্যায়ৰ ফুটবল খেলুৱৈ হিচাপে প্ৰতিষ্ঠিত হঅবলৈ সক্ষম হৈছে। তদুপৰি অঞ্চলটোৰ নৱ প্ৰজন্মৰ যুৱক সকলে খেলপথাৰখনত দৈনিক ক্ৰিকেট খেলৰ অনুশীলন কৰি অন্য ঠাইত খেলাৰ সুযোগ লাভ কৰা বুলি প্ৰকাশ। আনহাতে, অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীয়ে খেলপথাৰখনত প্ৰতিটো বছৰে নাট প্ৰদৰ্শন কৰি আহিছে। আনপিনে খেলপথাৰ খনৰ নিকটৱৰ্তী বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি সমূহ উল্লিখিত খেল পথাৰখনতে অনুষ্ঠিত কৰি আহিছে। কিন্তু পৰিতাপৰ বিষয় যে উল্লিখিত খেল পথাৰখন ৰাইজৰ অনুৰোধ,আহ্বান দাবীৰ পিছতো আজিও এখন ভাল খেল পথাৰ হৈ নুঠিল। সময়ে সময়ে স্থানীয় গাঁও পঞ্চায়তৰ ফালৰ পৰা অনুদান আঁচনি আবণ্টন দি আহিছে যদিও খেলপথাৰখন অনুদান অনুযায়ী উন্নয়ন সাধন নোহোৱাৰ অভিযোগ উত্থাপন হৈছে। অঞ্চলটোৰ যুৱক- যুৱতীসকলৰ ভৱিষ্যতৰ সপোন সন্ধানী এই চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখন এখন উন্নতমানৰ খেলপথাৰ তথা মিনি ষ্টেডিয়াম হিচাপে গঢ়ি তুলিবলৈ ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীক অঞ্চলটোৰ ৰাইজে অনুৰোধ জনাইছে। উল্লিখিত গাঁও পঞ্চায়ত খনৰ আঞ্চলিক সদস্য মোস্তাক হুছেইনক তেওঁৰ অনুদানৰ পৰা এক শকত অনুদান আগবঢ়ায় খেলপথাৰখন উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো অনুৰোধ জনাইছে।

## বৰমাৰ কালজাৰত শ্ৰীশ্ৰী লক্ষ্মী পূজা মহোৎসৱ

**বৰ্তমান সময়, বৰমা, ২৫ অক্টোবৰ ঃ** বাক্সা জিলাৰ বৰমাৰ কালজাৰস্থিত শ্ৰী শ্ৰী হৰি আৰু লক্ষ্মী মন্দিৰ প্ৰাংগণত অতি উলহ-মালহেৰে দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৭৪ সংখ্যক শ্ৰী শ্ৰী লক্ষ্মী পূজা মহোৎসৱ উদযাপনৰ দিহা কৰা হৈছে। ২৫ অক্টোবৰ, দেওবাৰে পুৱা সামূহিক চাফাই অভিযানেৰে মহোৎসৱৰ শুভাৰম্ভ ঘটে। ইয়াৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি স্মাৰক স্মৃতিবেদীত বন্তি প্ৰজ্বলন তথা মাল্যাৰ্পণ কাৰ্যসূচী সম্পন্ন কৰাৰ লগতে মন্দিৰৰ মূল দ্বাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। দিনৰ ভাগত পূজাৰ যা-যোগাৰ সম্পন্ন কৰাৰ পিছত সন্ধিয়াৰ পৰা ধৰ্মীয় ৰীতি-নীতিৰে মূল পূজাৰ শুভাৰম্ভ ঘটে। ২৬ অক্টোবৰ, সোমবাৰে পুৱা পুনৰ সমূহীয়া চাফাই অভিযান চলোৱা হ'ব। ইয়াৰ পিছতে শিশুসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মহোৎসৱৰ অন্তিম দিনা ভক্তসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে বিশেষভাৱে নাগৰা নাম পৰিৱেশনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ কালজাৰ অঞ্চলতে এক উৎসৱমুখৰ তথা ধৰ্মীয় পৰিৱেশে বিৰাজ কৰিছে।

## ১৬-২২ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব একাদশ কয়াকুছি গ্ৰন্থ-বাণিজ্য মেলা




**বৰ্তমান সময়, বৰপেটা, ২৫ অক্টোবৰ ঃ** অহা ১৬ৰ পৰা ২২ ডিচেম্বৰলৈকে কয়াকুছিৰ শংকৰ-আজান সমন্বয় ক্ষেত্ৰত বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব একাদশ কয়াকুছি গ্ৰন্থ আৰু বাণিজ্য মেলা। একেৰাহে দহটা বৰ্ষ সফলতাৰে সম্পূৰ্ণ কৰাৰ পিছত একাদশ বৰ্ষৰ মেলাখনো সফল কৰি তোলাৰ লক্ষ্যৰে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে আয়োজক সমিতিয়ে। একাদশ বৰ্ষৰ মেলাৰ প্ৰস্তুতি আৰু দশম বৰ্ষৰ হিচাপ-নিকাচৰ প্ৰতিবেদন পাঠ তথা গ্ৰহণৰ উদ্দেশ্যে যোৱা ৪ ছেপ্টেম্বৰত কয়াকুছি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাখনত সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ মোফাজ্জল হুছেইনে সভাপতিত্ব কৰে। সভাত একাদশ বৰ্ষৰ বাবে এখন নতুন পৰিচালনা সমিতি গঠন কৰা হয়। নৱগঠিত পৰিচালনা সমিতিৰ মুখ্য পৃষ্ঠপোষক হিচাপে পাকা বেতবাৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰক নিৰ্বাচিত কৰা হয়। আনহাতে, কয়াকুছি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ৰফিকুল ইছলামক সমিতিৰ সভাপতি হিচাপে বাছনি কৰা হয়। উপ-সভাপতি হিচাপে বিষ্ণু বড়ো, ইউছুৰ আলী আহমেদ, আলহাজ হুৰমুজ আলী আহমেদ আৰু দুৰ্জুন আলীক নিৰ্বাচিত কৰা হয়। সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয় আমজাদ হুছেইন আৰু ৰাজেশ নাথক। সহকাৰী সম্পাদক হিচাপে দায়িত্ব লাভ কৰে সাহাদত হুছেইন, মকিবুল ইছলাম, আমানুল হক আৰু আজাদ আলীয়ে। আনহাতে, আয়নুল হকক কোষাধ্যক্ষ আৰু ইব্ৰাহিম আলী হিটলাৰক সমন্বয়কৰ দায়িত্ব দিয়া হয়। সাধাৰণ সদস্য-সদস্যা হিচাপে ছাইমন নেহাৰ, জেছমিনা আহমেদ, ইছমাইল হুছেইন আৰু মুঞ্জুৱাৰা খাতুনক বাছনি কৰা হয়। উল্লেখযোগ্য যে দহটা বৰ্ষ ধৰি সফলতাৰে অনুষ্ঠিত হৈ অহা কয়াকুছি গ্ৰন্থ আৰু বাণিজ্য মেলাই গ্ৰন্থৰ প্ৰচাৰ-প্ৰসাৰ, জ্ঞানৰ বিকাশ আৰু বাণিজ্যিক আদান-প্ৰদানৰ লগতে অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আগন্তুক একাদশ বৰ্ষৰ মেলাখনো অধিক আকৰ্ষণীয় আৰু সফল কৰি তুলিবলৈ আয়োজক সমিতিয়ে প্ৰস্তুতি অব্যাহত ৰাখিছে।

## আজিও অৱহেলিত ছিপাঝাৰৰ ইতিহাস প্ৰসিদ্ধ বলদেৱ পুখুৰী

**বৰ্তমান সময়, ছিপাঝাৰ, ২৫ অক্টোবৰ ঃ** ছিপাঝাৰ সদৰৰ পৰা মাত্ৰ দুই কিলোমিটাৰ পশ্চিমত অৱস্থিত ইতিহাস প্ৰসিদ্ধ বলদেৱ পুখুৰী আজিও অৱহেলিত হৈয়ে থাকিল। লোক্ৰাই মৌজাৰ নায়কপাৰা গাঁৱত থকা বলদেৱ পুখুৰীটো খন্দা হৈছিল তাক সঠিককৈ কঅব পৰাত নাই যদিও ১৬২৫ খৃষ্টাব্দত কোঁচ ৰজা বলী নাৰায়ণৰ দিনত খন্দোৱা হৈছিল বুলি কোনো কোনোৱে ক'ব খোজে। পুখুৰীটোৰ মাটিকালি ৪৮ বিঘা। বৃহৎ আকাৰ পুখুৰীটোত বিভিন্ন প্ৰজাতিৰ বনৰীয়া শৰালী হাঁহ, ডাউক, পানী কাউৰীকে ধৰি বিভিন্ন পখী বিচৰণ কৰে। ঠাণ্ডাৰ দিনত বিদেশী পৰিভ্ৰমী চৰাইৰে ভৰি পৰে পুখুৰীটো, হৈ পৰে চালে চকুৱোৱা নান্দনিক দৃশ্য। পুখুৰীটোৰ চাৰিওফালে মানুহৰ যাতায়াতৰ সুবিধাৰ বাবে নিৰ্মাণ কৰা হৈছে পথ। পাৰত আছে এটি মন্দিৰ। বলদেৱ পুখুৰীৰ মাছৰ বাবে বিখ্যাত। পুৰণিকলীয়া ৰজা দিনীয়া ইতিহাস প্ৰসিদ্ধ বলদেৱ পুখুৰীটোলৈ জানুৱাৰীত দূৰ দূৰণিৰ পৰা মানুহ আহি ভোজ ভাত খাই। তদুপৰি পৰ্যটকো পুখুৰীটোলৈ আহি নয়নাভিৰাম দৃশ্য উপভোগ কৰি আনন্দ লাভ কৰে। কিন্তু আশ্বৰ্যজনক কথা যে পৰ্যটকৰ আকৰ্ষণৰ সকলোখিনি সমল থকাৰ পিছতো বলদেৱ পুখুৰী আজিও পৰ্যটনৰ ক্ষেত্ৰ হিচাপে প্ৰতিষ্ঠা হৈ নুঠিল। বৃহদাকাৰ পাৰত গছপুলি , পাৰ্ক , শিশুৰ বাবে ধেমালিৰ সঁজুলিযুক্ত ওমলা ঘৰকে ধৰি আকৰ্ষণীয় আহিলা স্থাপন কৰি সৌন্দৰ্যৰ ৰূপ দিয়াৰ থল আছে। সময়ে সময়ে পুখুৰীটোলৈ বিভাগে অনুদান দিয়া বুলি জানিব পৰা গৈছে যদিও সেই অনুদান যথেষ্ট নহয় বুলি প্ৰকাশ। অঞ্চলটোৰ ৰাইজে চৰকাৰৰ পৰ্যটন বিভাগৰ দৃষ্টি আকৰ্ষণ কৰি দৰঙৰ এই ইতিহাস প্ৰসিদ্ধ বলদেৱ পুখুৰী পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছে।

## শ্ৰেষ্ঠ পূজা মণ্ডপ আৰু মা দুৰ্গাৰ প্ৰতিমাৰ বাবে পুৰস্কাৰ প্ৰদান

**বৰ্তমান সময়, লংকা, ২৫ অক্টোবৰ ঃ** ভাৰতীয় জনতা পাৰ্টি লংকা টাউন মণ্ডলৰ উদ্যোগত শাৰদীয় দুৰ্গা পূজা উদ্‌যাপন কৰা সমিতিসমূহলৈ পুৰস্কাৰ প্ৰদান অনুষ্ঠান আয়োজন কৰা হয়। উল্লেখ্য যে এইবাৰ লংকাত অনুষ্ঠিত হোৱা শাৰদীয় দুৰ্গোৎসৱৰ শ্ৰেষ্ঠ পূজা পেণ্ডেল আৰু শ্ৰেষ্ঠ দুৰ্গা প্ৰতিমাৰ বাবে এই পুৰস্কাৰ আগবঢ়োৱা হৈছিল। এই পুৰস্কাৰ প্ৰদানৰ বাবে শনিবাৰে সন্ধিয়া ৬ বজাত লংকাৰ লংকেশ্বৰী থানত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰে উদ্যোক্তাসকলে। ভাৰতীয় জনতা পাৰ্টি লংকা টাউন মণ্ডলৰ দুৰ্গা পূজা সমিতিয়ে আয়োজিত প্ৰতিযোগিতাৰ চূড়ান্ত ফলাফল ঘোষণা কৰি পুৰস্কাৰ বিতৰণ কৰে। ফলাফল অনুসৰি শ্ৰেষ্ঠ প্ৰতিমা প্ৰথম - ৰূপনগৰ, দ্বিতীয় - বেলতলা, তৃতীয় - মিছন ৰোড ৫ নং ৱাৰ্ড। শ্ৰেষ্ঠ পেণ্ডেল প্ৰথম - নাৰেংগী, দ্বিতীয় - শ্বিলং ৰোড, তৃতীয় - নিবেদিতা। সান্ত্বনা পুৰস্কাৰ চেছব'ৰ্ড নেতাজী ৰোড, ৰাম সেনা। বিশেষ পুৰস্কাৰ ৰাস মন্দিৰ ৬ নং ৱাৰ্ড। ভাৰতীয় জনতা পাৰ্টি লংকা টাউন মণ্ডলৰ এই পদক্ষেপক সকলোতে প্ৰশংসা কৰা দেখা গৈছে।



## জুৰীয়াত মুকলিকৈ গৰু মাংস বিক্ৰী কৰি অহাৰ অভিযোগ

**বৰ্তমান সময়, জুৰীয়া, ২৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ জুৰীয়া অঞ্চলত দীৰ্ঘদিন ধৰি মুকলিকৈ গো-মাংস বিক্ৰী কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। জুৰীয়া বজাৰ, মেলাকাধিং, পৰমাইভেটি, আলিটাঙলী, কাষৰী গৰম বজাৰ আৰু বালুগুটিয়া বজাৰত দিন-দুপৰতে মেইন ৰোডৰ কাষতে গৰু কাটি মুকলিকৈ গো-মাংস বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে। স্থানীয় লোকৰ অভিযোগ অনুসৰি, প্ৰতিদিনে ২০ৰ পৰা ২৫টাকৈ গৰু কাটি বিক্ৰী কৰা হয়। ইয়াৰে অধিকাংশ গৰু চুৰি কৰি অনা বুলি অভিযোগ উত্থাপন হৈছে। এনে কাৰ্যৰ ফলত জুৰীয়া অঞ্চলত দিনক দিনে গৰু চুৰিৰ ঘটনা বৃদ্ধি পোৱা বুলিও অভিযোগ কৰিছে একাংশ স্থানীয় লোকে। জুৰীয়া আৰক্ষীয়ে মাজে-সময়ে গো-মাংস বিক্ৰীৰ বিৰুদ্ধে অভিযান চলাই আহিছে যদিও আৰক্ষীৰ অভিযানক লৈও প্ৰশ্ন উত্থাপন কৰিছে স্থানীয় ৰাইজে। তেওঁলোকৰ অভিযোগ অনুসৰি, আৰক্ষীৰ অভিযানৰ সময়ত বিক্ৰেতাসকলে সাময়িকভাৱে আঁতৰি যায় আৰু আৰক্ষী উভতি যোৱাৰ পিছতেই পুনৰ বিক্ৰী আৰম্ভ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ মন্ত্ৰী নিলীমা দেৱীৰ

## মঙলদৈৰ উপহুপাৰাত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত'ৰ ৰাজহুৱা শ্ৰৱণ

**বৰ্তমান সময়, মঙলদৈ, ২৫ অক্টোবৰ ঃ** আকাশবাণীৰ জৰিয়তে সম্প্ৰচাৰিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয় 'মন কী বাত' অনুষ্ঠান আজি ৰাজহুৱাভাৱে শ্ৰৱণৰ বাবে দৰং জিলাৰ উপহুপাৰাত কাৰ্যসূচী অনুষ্ঠিত হয়। বিজেপিৰ পশ্চিম মঙলদৈ মণ্ডলৰ উদ্যোগত ১৫৪ নং বুথত আয়োজিত এই কাৰ্যসূচীত ৰাজ্যৰ মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী নিলীমা দেৱীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অন্তত মন্ত্ৰী নিলীমা দেৱীয়ে কয় যে 'মন কী বাত'ৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তত লোকচক্ষুৰ আঁৰত থাকি নীৰৱে কাম কৰি অহা ব্যক্তি, প্ৰতিভা আৰু উপেক্ষিত বিষয়সমূহক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰদান কৰি আহিছে। এনে কাৰ্যসূচীয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তিসকলৰ কৰ্মৰাজি বৃহত্তৰ সমাজৰ আগত দাঙি ধৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলিও তেওঁ উল্লেখ কৰে। উক্ত অনুষ্ঠানত দৰং জিলা বিজেপিৰ সম্পাদক মানস প্ৰতিম বৰুৱা, জিলা বিজেপিৰ উপ-সভাপতি গৌৰৱ কুমাৰ ডেকা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মাকে ধৰি বিজেপিৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া আৰু বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত দহ শতাধিক লোকে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠান ৰাজহুৱাভাৱে শ্ৰৱণ কৰে।





মুখ্যমন্ত্ৰী ড° শৰ্মা-আৰক্ষী সঞ্চালক প্ৰধানলৈ অভিযোগ পত্ৰ প্ৰেৰণ

## নাবালকৰ দ্বাৰা লটাৰী খেলৰ চকৰি ঘূৰোৱা শিক্ষাগুৰুৰ বিৰুদ্ধে এজাহাৰ

**বৰ্তমান সময়, শিৱসাগৰ, ২৫ অক্টোবৰ ঃ** শিক্ষক ভৱন নিৰ্মাণৰ নাম লৈ শিৱসাগৰৰ একাংশ শিক্ষা গুৰুৱে অনুষ্ঠিত কৰা ৯ কোটি টকীয়া লটাৰী খেলৰ চকৰী নাবালকৰ হতুৱাই ঘূৰোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জ্ঞান মন্দিৰৰ পূজাৰী হিচাবে পৰিচিত পূজনীয় শিক্ষাগুৰুৱে প্ৰাথমিক পৰ্যায়ৰ শিশু ছাত্ৰৰ হতুৱাই ৯ কোটি টকীয়া লটাৰী খেলৰ চকৰী জন চাক্ষুৰ সন্মুখত ঘূৰোৱাক লৈয়েই সৃষ্টি হৈছে এই চাঞ্চল্যৰ। যি সময়ত শিশুৰ সুৰক্ষা আৰু নিৰাপত্তাক লৈ কেন্দ্ৰীয় চৰকাৰে ইখনৰ পিছত সিখন কঠোৰ আইন ৰূপায়ণ কৰি আহিছে সেই সময়তেই নাবালকক জুৱা সদৃশ লটাৰী খেলত নিয়োজিত ভয়ংকৰ কাৰ্যক লৈয়েই এতিয়া সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ জোৱাৰ উঠিছে। সমগ্ৰ ঘটনাৰ সন্দৰ্ভত শিৱসাগৰৰ এগৰাকী যুৱ সাংবাদিক চৈয়দ মোদাচ্চিৰ ৰমিজে ৯ কোটি টকীয়া লটাৰী খেলৰ আয়োজক সমিতিৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰিছে। প্ৰাপ্ত বাতৰি মতে বানে সৰ্বস্বান্ত কৰা শিৱসাগৰবাসীয়ে ক্ষতিপূৰণৰ বাবে আন্দোলন কৰি থকাৰ সময়তেই শিৱসাগৰৰ কেইগৰাকীমান স্বনামধন্য শিক্ষাগুৰুৱে নিজৰ ভৱন পুনৰ নিৰ্মাণৰ বাবে এই ব্যয়বহুল লটাৰী খেলখন অনুষ্ঠিত কৰিছিল। বহু বিতৰ্ক, বাদ-বিবাদ, দল সংগঠনৰ ধাৰাবাহিক প্ৰতিবাদৰ অন্তত বিগত ১৭ অক্টোবৰৰ নিশা উক্ত খেলখন অনুষ্ঠিত কৰিছিল। খেলৰ আয়োজক সমিতিয়ে দুটাকৈ লটাৰী দালালক খেলখনত জড়িত কৰাৰ ভয়ংকৰ কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। উল্লেখ কৰাৰ প্ৰয়োজন যে, অত্যন্ত ধুৰন্ধৰ তথা লটাৰী দালাল খ্যাত দুই যুৱকে পূৰ্বতেও তিনিচুকীয়া আৰু ডিমৌত লটাৰী খেল অনুষ্ঠিত কৰাৰ নামত ক্ৰেতাক প্ৰৱঞ্চনা কৰি কেইবাকোটি টকা লুণ্ঠন কৰিছিল। সেই ঘটনাৰ সন্দৰ্ভত প্ৰায় ১৭ জন ব্যক্তি গ্ৰেপ্তাৰ হৈছিল। শেহতীয়াকৈ শিক্ষাগুৰুৱে শিৱসাগৰত অনুষ্ঠিত কৰা ৯ কোটি টকীয়া খেল খনক লৈয়ো অনুৰূপ অভিযোগ উত্থাপিত হৈছিল। আন নালাগে শিৱসাগৰৰ সচেতন মহলে দুই দালাল জড়িত লটাৰী খেলখনৰ প্ৰকৃত বিজেতা কাহানিওঁ তথ্য প্ৰমাণ ফটোসহ ৰাইজৰ সন্মুখলৈ নাহে বুলি স্পষ্ট কৰি দিছিল। অৱশেষত সেই সম্ভাৱনা, আশংকাই সত্যত প্ৰমাণিত হ'ল। খেল অনুষ্ঠিত হোৱাৰ এটা সপ্তাহৰ পিছতো BMW ৰ লগতে বিলাসী গাড়ীৰ পুৰস্কাৰ বিজেতাৰ পুৰস্কাৰ গ্ৰহণ কৰাৰ ফটো, ভিডিঅ' ৰাজহুৱা নহ'ল। আন নালাগে বিগত এটা সপ্তাহে বিলাসী গাড়ী লাভ কৰা বিজেতাৰ সাক্ষ্য গ্ৰহণৰ বাবে সাংবাদিক হায়ৰান হ'ল যদিও কোনো বিজেতাৰ সাক্ষ্য লাভ নকৰিলে। যাৰ বাবে এই ভয়ংকৰ জালিয়াতি ৰাইজে সন্দেহ কৰাৰ দৰেই সত্যত প্ৰমাণিত হ'বলৈ ধৰিলে। ইফালে অতি ভয়ংকৰভাৱে ১৭ অক্টোবৰৰ নিশা একাংশ নাবালকক মঞ্চত স্থাপন কৰা বিকল লটাৰী সদৃশ জোৱা খেলৰ চকৰি ঘূৰাবলৈ দিয়াৰ ঘটনাৰ পিছতে যুৱ সাংবাদিক চৈয়দ মোদাচ্চিৰ ৰমিজে শিৱসাগৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। দাখিল কৰা এজাহাৰত সেই নিশা জুৱাসদৃশ লটাৰী খেলৰ চকৰি ঘূৰোৱাৰ সময়ত শিশুক জড়িত কৰা ভিডিঅ' জমা দিয়ে। ইয়াৰ উপৰি শিশুৰ সুৰক্ষা, নিৰাপত্তা বিঘ্নিত কৰি শিক্ষাগুৰুৱে শিশুক জুৱাসদৃশ লটাৰী খেলত জড়িত কৰোৱাৰ ভিডিঅ',অভিযোগ পত্ৰ আৰু সদৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰ সংলগ্নৰে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান, ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিছে। শিৱসাগৰৰ সংবাদ মাধ্যমৰ সন্মুখত যুৱ সাংবাদিকগৰাকীয়ে শিশুক জুৱাসদৃশ কাৰ্যত ব্যৱহাৰ কৰা ৯ কোটি টকীয়া লটাৰী খেলৰ প্ৰতিগৰাকী আয়োজকৰ বিৰুদ্ধে পক্‌ছ' আইনৰ অধীনত গোচৰ ৰুজু কৰিবলৈ দাবী জনাইছে।

BORTOMAN সময় DIGITAL

সমন্বয় আৰু সততাৰ কণ্ঠ

# বৰ্তমান সময়

২৬ অক্টোবৰ, সোমবাৰ ■ ৮ কাতি, ১৯৪৮ শক ■ Monday, 26 October, 2026



দুৰ্গোৎসৱত নিৰাপত্তা, যান-বাহন নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন



## মাকুম আৰক্ষীক বিধায়ক সঞ্জয় কিষাণৰ বিশেষ সম্বৰ্ধনা জ্ঞাপন

**বৰ্তমান সময়, তিনিচুকীয়া, ২৫ অক্টোবৰ ঃ** দুৰ্গাপূজাৰ সময়ছোৱাত আইন-শৃংখলা বজাই ৰখা, জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰা, যান-বাহন নিয়ন্ত্ৰণ আৰু শান্তিপূৰ্ণ পৰিৱেশ অটুট ৰখাৰ ক্ষেত্ৰত নিষ্ঠা আৰু দায়িত্বসহকাৰে কৰ্তব্য পালন কৰা মাকুম আৰক্ষী তথা যান-বাহন শাখাৰ জোৱানসকলক সম্বৰ্ধনা জনালে বিধায়ক সঞ্জয় কিষাণে। দুৰ্গোৎসৱৰ সময়ত আৰক্ষী বাহিনীয়ে আগবঢ়োৱা সেৱাৰ স্বীকৃতিস্বৰূপে মাকুম সদৰ আৰক্ষী থানাত আয়োজন কৰা হয় এই বিশেষ সম্বৰ্ধনা অনুষ্ঠান। অনুষ্ঠানত বিধায়ক সঞ্জয় কিষাণে আৰক্ষীৰ বিষয়া আৰু কৰ্মচাৰীসকলক অসমীয়া জাতীয় জীৱনৰ স্বাভিমানৰ প্ৰতীক ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই তেওঁলোকৰ কৰ্তব্যনিষ্ঠা, ত্যাগ, শৃংখলাবোধ আৰু নিৰলস পৰিশ্ৰমৰ শলাগ লয়। উৎসৱ-পাৰ্বণৰ সময়ছোৱাত সাধাৰণ ১১ পৃষ্ঠাত

পুৰণিগুদামৰ অভিশপ্ত কেঁকুৰিত পথ দুৰ্ঘটনা

## ৰাষ্ট্ৰীয় ঘাইপথত তেলভৰ্তি টেংকাৰ দুৰ্ঘটনাগ্ৰস্ত



**বৰ্তমান সময়, চামগুৰি, ২৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত পুৰণিগুদামৰ ১২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ অভিশপ্ত কেঁকুৰিত যোৱা নিশা প্ৰায় ১.২০ বজাত পুনৰ এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, নুমলীগড়ৰ পৰা হোজাই ১১ পৃষ্ঠাত

## মাজবাটৰ বাহিপুখুৰীত লক্ষ্মীপূজাৰ কলহ যাত্ৰা

**বৰ্তমান সময়, মাজবাট, ২৫ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰ এলেকাৰ বাহিপুখুৰী বেলাপুৰ গাঁৱত ২৩ সংখ্যক লক্ষ্মীপূজা উদ্‌যাপন কৰা হ'ব। পূজাৰ লগত সংগতি ৰাখি কলহ যাত্ৰা শুভ আৰম্ভ কৰে প্ৰাক্তন এম চি এল এ জিতু কিষাণে। কল যাত্ৰাত ভক্তসকলে ১০৮ টা কলহ মূৰত লৈ প্ৰায় তিনি কিলোমিটাৰ পথ খোজ কাঢ়ি আহি ভুটিয়ামাৰী নদীৰ পৰা কলহত পানী ভৰাই আকৌ বেলাপুৰত থকা লক্ষ্মী মন্দিৰ প্ৰাংগণত উপস্থিত হয়। আজিৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰে লক্ষ্মীপূজা পৰিচালনা সমিতিৰ উপদেষ্টা লাদু লোহাৰে। উক্ত দুদিনীয়া কাৰ্যসূচী পৰিচালনা কৰাৰ কাৰণে বাহিপুখুৰী বেলাপুৰ গাঁওবাসীক সহায়-সহযোগ কৰাৰ কাৰণে ২৩ সংখ্যক লক্ষ্মীপূজা উদ্‌যাপন সমিতিৰ সভাপতি গোলাপ সিং গোড় আৰু সম্পাদক উজ্জ্বল ৰজকে আহ্বান জনায়।

সৰুপেটাত অৰ্ধনিৰ্মিত ৰে'ল উৰণ সেতু, বিপজ্জনক শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথ

# বিধায়ক-লোকনিৰ্মাণৰ বিৰুদ্ধে সৰৱ দল-সংগঠন

আৰক্ষীৰ সন্মুখতে ১১ টনলৈকে ভৰ বহন সক্ষম পথত ৬০ টন ভৰ বহনকাৰী ডাম্পাৰৰ দিনে-নিশাই সঘন অহা-যোৱা

**বৰ্তমান সময়, ভৱানীপুৰ, ২৫ অক্টোবৰ ঃ** সৰুপেটাৰ বিষ্ণু-জ্যোতি সংঘত আজি বিশেষ তদৰ্থ সমিতিৰ আহ্বানত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সভাত লোক নিৰ্মাণ বিভাগ আৰু সমষ্টিটোৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসৰ উদাসীনতাক লৈ ক্ষোভত ফাটি পৰিল স্থানীয় বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি। উল্লেখ্য, আজি দিনৰ প্ৰায় ১১.৩০ বজাত সৰুপেটাৰ বাসিন্দা বিশ্বজিৎ পাঠকে উদ্দেশ্য ব্যাখ্যা কৰা গুৰুত্বপূৰ্ণ সভাত সৰুপেটা আৰু ভৱানীপুৰ অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি আৰু সচেতন নাগৰিকে উপস্থিত হৈ সৰুপেটা-ভৱানীপুৰ অঞ্চলত চলি থকা কিছুমান কাৰ্যৰ ১১ পৃষ্ঠাত



নগাঁৱত এআইচিচিৰ পৰিদৰ্শক ৰাহুল বলৰ সংবাদমেল

## জ্ঞানেশ কুমাৰক তীব্ৰ সমালোচনা

**বৰ্তমান সময়, নগাঁও, ২৫ অক্টোবৰ ঃ** নগাঁও জিলা ৰাজীৱ ভৱনত এআইচিচিৰ পৰিদৰ্শক ৰাহুল বলে কালি এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত নেতাগৰাকীয়ে অহা ১ নৱেম্বৰত দিল্লীৰ ঐতিহাসিক ৰামলীলা মৈদানত বিৰোধী 'ইণ্ডিয়া' গোটৰ উদ্যোগত এক বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি ঘোষণা কৰে। নেতাগৰাকীয়ে সদৰি কৰা অনুসৰি, মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী জনোৱাৰ লগতে শাসকীয় বিজেপি দলৰ 'ভোট চুৰি'ৰ নীতিৰ বিৰুদ্ধে এই বিশাল প্ৰতিবাদী সমদল আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত সমগ্ৰ দেশৰ পৰা লাখ লাখ কংগ্ৰেছ কৰ্মীৰ উপৰি বিৰোধী মৈত্ৰীৰ বিভিন্ন দলৰ নেতা-কৰ্মীসকলে ১১ পৃষ্ঠাত

বিহুবৰ আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযান

## নম্বৰ প্লেটবিহীন বাইকসহ ড্ৰাগছ-৭৭ হাজাৰ টকা জব্দ



**বৰ্তমান সময়, গেলেকী, ২৫ অক্টোবৰ ঃ** ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত থকা কঠোৰ অভিযানৰ মাজতে শিৱসাগৰ জিলাৰ বিহুবৰ আৰক্ষীয়ে এক বিশেষ সফলত লাভ কৰিছে। আৰক্ষীৰ নাকা তালাচীৰ সময়ত এখন নম্বৰ প্লেটবিহীন 'ডিউক ২৫০' বাইকৰ পৰা ১০ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ আৰু নগদ ৭৭,০০০ হাজাৰ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, আৰক্ষীয়ে চলোৱা অভিযানত বাইকখনত লুকাই থোৱা অৱস্থাত দুটা কণ্টেইনাৰত ভৰ্তি এই সন্দেহযুক্ত ড্ৰাগছখিনি জব্দ কৰা হয়। প্ৰাথমিক তদন্তত পোহৰলৈ অহা মতে, শিৱসাগৰৰ ১১ পৃষ্ঠাত

## 'মেনেজ ইয়'ৰ কেৰিয়াৰ' শীৰ্ষক গ্ৰন্থ উন্মোচন

**বৰ্তমান সময়, হাউলী, ২৫ অক্টোবৰ ঃ** বৰ্তমান প্ৰতিযোগিতাৰ যুগত সঠিক তথ্য, প্ৰক্ৰিয়া আৰু সিদ্ধান্ত অবিহনে প্ৰতিযোগিতা মূলক পৰীক্ষা বা উচ্চ শিক্ষা গ্ৰহণ কৰাটো অসম্ভৱ হৈ পৰিছে। ছাত্ৰ-ছাত্ৰী সকলে কি পঢ়িব, কেনেকৈ পঢ়িব, কোনটো পথ বাছি ল'ব— এই সন্দৰ্ভত সঠিক দিশ-নিৰ্দেশনাৰ অভাৱত বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী বিপথে পৰিচালিত হয়। সেয়ে এই অভাৱসমূহ দূৰ কৰাৰ লক্ষ্যৰে মুম্বাইৰ বুক ৰুটছ প্ৰেছে প্ৰকাশ কৰি উলিয়াইছে গুৰুত্বপূৰ্ণ গ্ৰন্থ 'মেনেজ ইয়'ৰ কেৰিয়াৰ' ১১ পৃষ্ঠাত

'ডি'ভোটাৰ সমস্যাৰ স্থায়ী সমাধানৰ দাবী

## বিলাসীপাৰাত আমছুৰ প্ৰতিবাদী মানৱ-শৃংখল কাৰ্যসূচী




**বৰ্তমান সময়, বিলাসীপাৰা, ২৫ অক্টোবৰ ঃ** 'ডি'ভোটাৰ সমস্যাৰ স্থায়ী সমাধান, ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াৰ বিসংগতি দূৰ কৰা আৰু নাগৰিকৰ সাংবিধানিক অধিকাৰ সুনিশ্চিত কৰাৰ দাবীত আজি আবেলি বিলাসীপাৰাৰ গান্ধী চ'কত প্ৰতিবাদী মানৱ-শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ বিলাসীপাৰা জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে সংগঠনটোৱে কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে ১১ পৃষ্ঠাত

সমাৰোহত ৫৮টা প্ৰকল্প পঞ্জীয়ন ছাত্ৰ-ছাত্ৰীৰ

## মৰিগাঁৱত বিজ্ঞান সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ



**বৰ্তমান সময়, মৰিগাঁও, ২৫ অক্টোবৰ ঃ** অসম বিজ্ঞান সমিতিৰ মৰিগাঁও শাখাৰ উদ্যোগত আজি মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে ৩২তম জিলা পৰ্যায়ৰ ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ সফলতাৰে অনুষ্ঠিত হৈ যায়। পুৱা কাৰ্যসূচীৰ আৰম্ভণিতে অসম বিজ্ঞান সমিতিৰ মৰিগাঁও শাখাৰ সভাপতি ড° নীলোৎপল কাকতিয়ে পতাকা উত্তোলন কৰে। লগতে অসম বিজ্ঞান সমিতিৰ সচিব মৃণাল হাজৰিকাই এনচিএছচিৰ পতাকা আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ কুশল বৰাই বিদ্যালয়ৰ পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে অনুষ্ঠিত সমাৰোহখন উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ ১১ পৃষ্ঠাত

## তামুলপুৰত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শংকৰদেৱৰ জয়ন্তী উদ্‌যাপন



**বৰ্তমান সময়, তামুলপুৰ, ২৫ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্ম জয়ন্তী উপলক্ষে তামুলপুৰ জিলাৰ কালাকুছি বৰনামঘৰ প্ৰাংগণত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে জন্ম জয়ন্তী। এই উপলক্ষে আজি কালাকুছিত উলিওৱা হয় এক আড়ম্বৰপূৰ্ণ তথা বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰা। অসমৰ যুৱ বক্তা ত্ৰিদীপ ভাগৱতীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই ভাগৱত শোভাযাত্ৰাত ১১ পৃষ্ঠাত

## ১৫ দিনীয়া কাৰ্যসূচীৰে হাউলী ৰাস মহোৎসৱ

**বৰ্তমান সময়, হাউলী, ২৫ অক্টোবৰ ঃ** নামনি অসমৰ বৰপেটা জিলাৰ হাউলীৰ ঐতিহ্যমণ্ডিত ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱ অহা ২৪ নৱেম্বৰৰ পৰা ৮ ডিচেম্বৰলৈ মুঠ পোন্ধৰ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে হাউলী ৰাস মন্দিৰ প্ৰাংগণত অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ইয়াৰ লগত সংগতি ৰাখি ইতিমধ্যে অসম বিধানসভাৰ অৱসৰপ্ৰাপ্ত মুখ্য সচিব হেমেন দাসক সভাপতি, অমৰেন্দ্ৰ কুমাৰ পাঠক, উৎপল নাথ আৰু বিশ্বজিৎ দাস (বিজু)ক ক্ৰমে সাধাৰণ সম্পাদক হিচাপে লৈ ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিখন গঠন কৰা হৈছে। নামনি অসমৰ অন্যতম বৃহৎ ৰাস মহোৎসৱটি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ২৩খনকৈ উপ-সমিতি গঠন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। ইপিনে, অহা ১২ আৰু ১৩ নৱেম্বৰৰ পুৱা ১০ বজাত ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱৰ মেলাবজাৰৰ বিভিন্ন দোকানৰ ভেটিসমূহ ডাক দিয়া হ'ব। উক্ত মেলাবজাৰৰ ভেটি ডাক অনুষ্ঠানত সকলো স্তৰৰ ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হৈছে।

ভুৱা লটাৰীৰ টিকট-ইয়াৰগান জব্দ

## মোৰাঝাৰত প্ৰৱঞ্চক দিলৱাৰ হুছেইনক গ্ৰেপ্তাৰ

**বৰ্তমান সময়, মোৰাঝাৰ, ২৫ অক্টোবৰ ঃ** হোজাই জিলাৰ মোৰাঝাৰত ভুৱা লটাৰীৰ টিকট বিক্ৰীৰ জৰিয়তে প্ৰৱঞ্চনা চলোৱাৰ অভিযোগত দিলৱাৰ হুছেইন নামৰ এজন লোকক মোৰাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অভিযুক্ত জনৰ বাসগৃহত যোৱানিশা আৰক্ষীয়ে তালাচী চলাই ভুৱা লটাৰীৰ টিকট, আপত্তিজনক নথি-পত্ৰৰ লগতে এটা পুৰণি ইয়াৰগান জব্দ কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি, গোপন তথ্যৰ ভিত্তিত অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত অভিযান চলাই দিলৱাৰ ১১ পৃষ্ঠাত

## হাউলীত ব্লক কংগ্ৰেছৰ জনজাগৰণ অভিযান কাৰ্যসূচী

**বৰ্তমান সময়, হাউলী, ২৫ অক্টোবৰ ঃ** দেশজুৰি ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে চলা প্ৰতিবাদৰ অংশ হিচাপে কালি আবেলি ৪ বজাত হাউলীৰ জয়পুৰ বজাৰত বৰপেটা জিলা কংগ্ৰেছৰ উদ্যোগত আৰু ঘিলাঝাৰী-ৰূপসী ব্লক কংগ্ৰেছৰ সহযোগত 'ভোট বচাওক দেশ বচাওক' শীৰ্ষক পদযাত্ৰা আৰু জনজাগৰণ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত পাকাবেতবাৰী সমষ্টিৰ বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে ১১ পৃষ্ঠাত

## ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ আলোচনা-চক্ৰ

**বৰ্তমান সময়, ডিব্ৰুগড়, ২৫ অক্টোবৰ ঃ** আধুনিক শিক্ষাৰ সমান্তৰালভাৱে শিশুসকলক দ্বীনি শিক্ষাৰে শিক্ষিত কৰি তোলা আৰু ধৰ্মীয় তথা নৈতিক মূল্যবোধৰ বিকাশ সাধনৰ লক্ষ্যৰে কালি ডিব্ৰুগড়ত এখন গুৰুত্বপূৰ্ণ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ উদ্যোগত 'ডিব্ৰুগড় ঈদগাহ ময়দান প্ৰেক্ষাগৃহ'ত অনুষ্ঠিত এই আলোচনা-চক্ৰত চহৰখনৰ লগতে উপকণ্ঠ অঞ্চলৰ ভালেকেইটা মছজিদৰ ইমাম, পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক আৰু বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। আলোচনা-চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে যোৰহাট জিলা ইমাম পৰিষদৰ সভাপতি তথা যোৰহাট কাকজান মছজিদৰ ১১ পৃষ্ঠাত

নাম-প্ৰসংগ, বৰগীত, সত্ৰীয়া নৃত্য আদিৰে শাৰদীয় পৰিৱেশ

## লণ্ডনত মহা সমাৰোহেৰে শংকৰদেৱৰ জয়ন্তী উদ্‌যাপন



**বৰ্তমান সময়, ডিব্ৰুগড়, ২৫ অক্টোবৰ ঃ** অসমৰ বাহিৰত থাকিও অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতি আৰু আধ্যাত্মিক পৰম্পৰা জীয়াই ৰখাৰ প্ৰয়াসেৰে সুদূৰ লণ্ডনৰ কিংছ লেংলীত যুক্তৰাজ্য অসম সাহিত্য সভাৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮সংখ্যক জন্ম জয়ন্তী মহা সমাৰোহেৰে উদ্‌যাপন কৰা হয়। যুক্তৰাজ্যত বসবাস কৰা প্ৰবাসী অসমীয়াৰ লগতে কেইবাগৰাকীও অনা-অসমীয়া লোকৰ উপস্থিতিত অনুষ্ঠানস্থলী এক নামঘৰসদৃশ পৰিৱেশলৈ ৰূপান্তৰিত হয়। নাম-প্ৰসংগ আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে শাৰদীয় পৰিৱেশ। সভাৰ সভাপতি গীতা বৰুৱাই উপস্থিত অতিথি আৰু ভকত-বৈষ্ণৱসকলক আদৰণি জনোৱাৰ পাছতে মঞ্জিৰা চৌধুৰীয়ে নাম-প্ৰসংগৰ শুভাৰম্ভ কৰে। অসমৰ পৰা আমন্ত্ৰিত অতিথি জীনা ৰাজকুমাৰীৰ নাম-প্ৰসংগৰ পাছত দিলীপ বৈশ্য, লাহৰী বৰঠাকুৰ, নিৰলা বৰুৱা আৰু ভৱানী কাকতিয়ে উপস্থিত ভকতসকলৰ সৈতে নাম-কীৰ্তনত অংশগ্ৰহণ কৰে। ড° তৰুণ চৌধুৰীৰ বৰ তাল আৰু ঋষি চৌধুৰীৰ নাগাৰাবাদনে নাম-প্ৰসংগৰ পৰিৱেশ অধিক প্ৰাণৱন্ত কৰি তোলে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ হিন্দু অধ্যয়নৰ সহকাৰী অধ্যাপক ড° অংকুৰ বৰুৱা উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে। 'শংকৰদেৱৰ লিখনিত ভগৱান এজন শুদ্ধ হৃদয়ৰ বন্ধু' শীৰ্ষক বক্তৃতাত তেওঁ গুৰুজনাৰ ৰচনাত প্ৰতিফলিত ভগৱানৰ প্ৰতি গভীৰ প্ৰেম, ভগৱান আৰু ১১ পৃষ্ঠাত

বৰ্তমান সময়
সমন্বয় আৰু সততাৰ কণ্ঠ
বৰ্তমান সময় ■ গুৱাহাটী ■ সোমবাৰ, ২৬ অক্টোবৰ

## বনভূমিত উচ্ছেদ অভিযান

**অসম** চৰকাৰে বনাঞ্চল আৰু অন্যান্য চৰকাৰী ভূমি অবৈধ দখলৰ পৰা মুক্ত কৰিবলৈ উচ্ছেদ অভিযান তীব্ৰতৰ কৰি তুলিছে, বিগত কেইদিনত গোলাঘাট, হোজাই আৰু নগাঁও জিলাৰ ৬৩৮ হেক্টৰো অধিক মাটি মুকলি কৰি দিছে। দশক দশক ধৰি বৃহৎ পৰিসৰৰ বেদখল চলি থকা ৰাজ্যখনৰ বনাঞ্চল সুৰক্ষাৰ ক্ষেত্ৰত দুটা মতামত থাকিব নোৱাৰে। ইতিমধ্যে বেদখল আৰু অবৈধ কাঠ কটাৰ বাবে ৰাজ্যখনে বিশাল প্ৰাচীন বনাঞ্চলৰ পৰা বিচ্ছিন্ন হৈ পৰিছে আৰু এই ধাৰাটো দৃঢ় হাতেৰে পৰীক্ষা কৰিবলগীয়া হৈছে। কিন্তু প্ৰকৃত দেখাবলৈ হঅলে চৰকাৰে ধৰ্মৰ ক্ষেত্ৰত পাৰ্থক্য নকৰাকৈ বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ কাম কৰিব লাগিব। ইতিমধ্যে বিৰোধী দল আৰু বিভিন্ন নাগৰিক অধিকাৰ সংগঠনে চৰকাৰী কাৰ্যক নিৰ্বাচিত বুলি কৈ যুক্তি দিছে যে এই ড্ৰাইভসমূহে প্ৰান্তীয় বাংলাভাষী মুছলমান সম্প্ৰদায়ক লক্ষ্য কৰি লৈছে, যাৰ বহুতেই প্ৰকৃততে গৃহহীন হৈ ব্ৰহ্মপুত্ৰৰ ভূমি খহনীয়াৰ ফলত ঘৰ হেৰুৱাই দশক দশক ধৰি মাটিত বাস কৰিব পাৰে। পৰিৱেশ ভাৰসাম্য ৰক্ষা আৰু সংৰক্ষিত বনাঞ্চলৰ পৰা অবৈধ দখল স্পষ্ট কৰিবলৈ এনে অভিযান অতি প্ৰয়োজনীয় বুলি চৰকাৰৰ প্ৰতিৰক্ষা সুস্থ, কিন্তু কেৱল এটা বিশেষ সম্প্ৰদায়ৰ বিৰুদ্ধে কাম কৰিলে আৰু অন্যান্য সম্প্ৰদায়ৰ বেদখলৰ ওপৰত নিষ্ক্ৰিয় হৈ থাকিলে বন সুৰক্ষাৰ মূল বিষয়টোৰ পৰা বিচলিত হঅব। উদাহৰণস্বৰূপে মানস ৰাষ্ট্ৰীয় উদ্যানখনে বছৰ বছৰ ধৰি বেদখলৰ সৈতে যুঁজি আহিছে যদিও চৰকাৰে বেছিকৈ জনা কাৰণত সেই বন্যপ্ৰাণীৰ বাসস্থানসমূহ মুক্ত কৰাৰ বাবে কোনো স্পষ্ট ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। যদি চৰকাৰে বনাঞ্চল আৰু বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰতি গুৰুত্বপূৰ্ণ, তেন্তে উচ্ছেদৰ ক্ষেত্ৰত নিৰ্বাচনশীল হ'ব নালাগে। অসমত সৰ্বাধিক বনাঞ্চল বেদখল হোৱাৰ সন্দেহজনক পাৰ্থক্য আছে। এই অবিৰত বনাঞ্চলৰ আৱৰণৰ ক্ষতিৰ বাবে দুটা কাৰক মূলতঃ দায়ী। প্ৰথমতে, বন বিভাগে নিজৰ মানৱ তাৰিখযুক্ত কৰ্তব্যৰ অৱহেলাৰ বাবে দোষী, কিয়নো বিভাগটোৰ কোনোৱেই ফৰেষ্টবোৰক খহাই পেলোৱা বৃহৎ পৰিসৰৰ বেদখলৰ বাবে জবাবদিহি কৰা নহয়। দ্বিতীয়তে, আমাৰ অতীতৰ অৰণ্যসমূহ, বিশেষকৈ ৰাজ্যখনৰ ৭৫ শতাংশতকৈ অধিক বনাঞ্চল গঠন কৰা সংৰক্ষিত বনাঞ্চলৰ বিশাল অংশসমূহত সুৰক্ষামূলক ব্যৱস্থাৰ কোনো আভাস প্ৰায়েই নাই, যাৰ ফলত ইহঁত বেদখল, কাঠ কটা, বন্যপ্ৰাণীৰ চোৰাং চিকাৰ আদিৰ বাবে দুৰ্বল হৈ পৰে বন বিষয়াৰ এটা অংশৰ মাজত, এই বনাঞ্চলসমূহৰ বহু আজি কেৱল কাগজত থকাটো নিশ্চিত কৰিছে। বনাঞ্চলৰ আৱৰণ হেৰুৱাৰ এই বিকৃত ধাৰাটো যদি নিৰীক্ষণ কৰিব লাগে তেন্তে চৰকাৰে প্ৰতিখন বনাঞ্চলৰ বাবে এক শক্তিশালী নিৰাপত্তা ব্যৱস্থা স্থাপনৰ নীতিগত সিদ্ধান্ত লঅব লাগিব। বনাঞ্চল এখনক সংৰক্ষিত অঞ্চল অৰ্থাৎ ৰাষ্ট্ৰীয় উদ্যান বা বন্যপ্ৰাণী অভয়াৰণ্যলৈ উন্নীত কৰাটো দীৰ্ঘম্যাদী সংৰক্ষণ নিশ্চিত কৰাৰ সৰ্বোত্তম উপায় হ'লেও বনাঞ্চলৰ এটা বৃহৎ অংশ সদায় ইয়াৰ পৰিসৰৰ বাহিৰত থাকিব। সেয়েহে সকলো সংৰক্ষিত বনাঞ্চলকে স্থায়ী সুৰক্ষাৰ আৱৰণত অনাৰ প্ৰয়োজন।

# অসমীয়া ভাষাৰ ভৱিষ্যৎ, আশা আৰু শংকা

গৌতম শৰ্মা

**ভাষা** কেৱল কথা কোৱাৰ মাধ্যম নহয়, ই হৈছে একো একোটা জীৱন্ত জাতিৰ পৰিচয়ৰ প্ৰতীক, সংস্কৃতিৰ ভঁৰাল আৰু ইতিহাসৰ সাৰথি। ইতিহাসে কয়, পৃথিৱীৰ সকলো কোণতে মানুহে নিজৰ মাতৃভাষাক সজীৱ ৰাখিবলৈ, সুৰক্ষা প্ৰদান কৰি আগবঢ়াই নিবলৈ অবিশ্বাস্য ত্যাগ, সাহস আৰু সৃষ্টিশীলতা দেখুৱাইছে। য'ত মানুহে মাতৃভাষাৰ বাবে কলম আৰু প্ৰতিবাদৰ দ্বাৰা ভাষা ৰক্ষাৰ আন্দোলনৰ ইতিহাস গঢ়ি তুলিছে। বিশ্বৰ ভিতৰত মাতৃভাষাৰ বাবে যুঁজৰ আটাইতকৈ শক্তিশালী দৃষ্টান্তটো হৈছে বাংলাদেশৰ ভাষা আন্দোলন। পাকিস্তানে উৰ্দুক ৰাষ্ট্ৰীয় ভাষা হিচাপে আৰোপ কৰিবলৈ চেষ্টা কৰোঁতে বঙালীসকলে ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰীত ঢাকাত প্ৰতিবাদ কৰিবলৈ ওলাই আহিছিল। আৰক্ষীৰ গুলীত বহু ছাত্ৰ নিহতও হৈছিল। তেওঁলোকৰ বলিদানৰ ফলস্বৰূপ বঙালী ভাষাক স্বীকৃতি দিয়া হয়। এই ঘটনাটোকেই স্মৰণ কৰি ইউনেস্কোৱে ২১ ফেব্ৰুৱাৰী দিনটোক আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস হিচাপে পালন কৰিবলৈ ঘোষণা কৰিছিল।

পশ্চিমৰ ইতিহাসলৈ চালে আমি দেখোঁ যে আয়াৰলেণ্ডত শতাব্দীৰ পিছত ইংৰাজী ভাষাই প্ৰভুত্ব স্থাপন কৰিবলৈ সক্ষম হৈছিল আৰু আইৰিছ ভাষা (গেইলিক) প্ৰায় বিলুপ্তিৰ মুখত পৰিছিল। কিন্তু ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিত ডাগলাছ হাইড আৰু পেট্ৰিক পিয়াৰ্চৰ দৰে বুদ্ধিজীৱীসকলে সাহিত্য, শিক্ষাব্যৱস্থা আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ জৰিয়তে আইৰিছ ভাষাক পুনৰুজ্জীৱিত কৰিলে। গেইলি ভাষাক স্কুল, সাহিত্য আৰু নাটকৰ জৰিয়তে ভাষাটোত আকৌ জীৱন দান দিয়া হঅল। ৱেলছতো ইংলেণ্ডৰ অধীনত থাকোতে ৱেলছ ভাষা (Cymraeg) উপেক্ষিত আৰু বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছিল। বিশিষ্ট কবি আৰু সাহিত্যিকৰ লগতে ৰাজনৈতিক দলসমূহৰ সহায়ত জনসাধাৰণৰ মাজত ভাষাটোৰ প্ৰতি গৌৰৱ সঞ্চাৰ কৰা হয়। দ্বিভাষিক শিক্ষা ব্যৱস্থা, ৱেলছ-ভাষী টেলিভিছন চেনেল (S4C) আৰু সাহিত্যৰ জৰিয়তে ই আকৌ দ্ৰুত উত্থান ঘটিছিল।

ইজৰাইলত হিব্ৰুৰ পুনৰুত্থান আমাৰ বাবে অন্য এক ভাল লগা খবৰ। হিব্ৰু ভাষা প্ৰায় ২০০০ বছৰ ধৰি কেৱল ধৰ্মীয় অনুষ্ঠানৰ ক্ষেত্ৰত ব্যৱহৃত হৈছিল। এলিয়েজাৰ বেন-ইহুদাই উনবিংশ শতিকাৰ শেষত এক অভিযান আৰম্ভ কৰি হিব্ৰুক দৈনন্দিন ব্যৱহাৰৰ ভাষা হিচাপে পুনৰুজ্জীৱিত কৰে। তেওঁ নতুন শব্দ সৃষ্টি কৰিলে, সাহিত্য লিখিলে আৰু স্কুলত হিব্ৰু পঢ়োৱা আৰম্ভ কৰিলে। আজিও ইজৰাইলত কোটি কোটি লোকে হিব্ৰু ভাষাতে জীৱন যাপন কৰে। স্পেইনৰ কেটালোনিয়াত ফ্ৰাংকো চৰকাৰৰ সময়ত (১৯৩৯-১৯৭৫) কেটালান ভাষাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। কিন্তু কেটালান সাহিত্য, সংগীত আৰু গোপন শিক্ষাৰ জৰিয়তে মানুহে নিজৰ ভাষাটোক জীয়াই ৰাখিলে। ফ্ৰাংকোত্তৰ যুগত কেটালান পুনৰ ৰাজহুৱা ভাষা হিচাপে স্বীকৃতি লাভ কৰে আৰু আজিও ই বহলকৈ ব্যৱহৃত হৈ আছে। কানাডাৰ কুৱেবেক প্ৰদেশত ফৰাছী ভাষাৰ অস্তিত্বক ৰক্ষা কৰিবলৈ লোকসকলে ইংৰাজী প্ৰভুত্বৰ বিৰুদ্ধে দীঘলীয়া আন্দোলন চলাইছিল। ১৯৭০ চনৰ দশকৰ, কুইট আন্দোলন (Quiet Revolution) ৰ সময়ত শিক্ষা, ব্যৱসায় আৰু চৰকাৰৰ ক্ষেত্ৰত ফৰাছী প্ৰাধান্য প্ৰতিষ্ঠা কৰা হয়। সাহিত্য, সংগীত আৰু চলচ্চিত্ৰই এই গৌৰৱক অধিক দৃঢ় কৰি তোলে।

আনহাতে, উনবিংশ আৰু বিংশ শতিকাত উপনিৱেশবাদৰ ফলত নিউজিলেণ্ডৰ মাওৰি ভাষা প্ৰায় হেৰাই গঅল। ১৯৭০ চনৰ পৰা মাওৰি পুনৰুত্থান আন্দোলন আৰম্ভ হয়। কুৰা কাওপাপা মাওৰি (মাওৰি ভাষাৰ বিদ্যালয়), মাওৰি ভাষাৰ ৰেডিঅ আৰু টিভিৰ জৰিয়তে ইয়াক পুনৰ সজীৱ কৰি তোলা হয়। দক্ষিণ আফ্ৰিকাৰ ছোৱেতো বিদ্ৰোহো আছিল মাতৃভাষা আন্দোলনৰ এক জ্বলন্ত প্ৰতীক। ১৯৭৬ চনৰ ছোৱেতো বিদ্ৰোহত আফ্ৰিকান ছাত্ৰসকলে আফ্ৰিকানছ ভাষাত শিক্ষা গ্ৰহণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। তেওঁলোকে নিজৰ দেশৰ ভাষাত শিক্ষা বিচাৰিছিল। এই প্ৰতিবাদত শতাধিক ছাত্ৰ নিহত হ'লেও এইটো দক্ষিণ আফ্ৰিকাৰ ভাষাগত ন্যায়ৰ বাবে এক অনুপ্ৰেৰণামূলক শক্তি হৈ ৰ'ল। উত্তৰ আৰু দক্ষিণ আমেৰিকাত বহু আদিবাসী ভাষা ঔপনিৱেশিক দমন আৰু ইংৰাজী বা স্পেনিছৰ প্ৰভাৱত অন্তৰ্ধানৰ মুখত পৰিছিল। কিন্তু বিগত কেইবাশ বছৰৰ পৰা আদিবাসী সমাজসমূহে নিজৰ মাতৃভাষা ৰক্ষাৰ বাবে পাঠ্যপুথি, সাহিত্য, সংগীত আৰু বিদ্যালয়ৰ জৰিয়তে পুনৰ উদ্যোগ লৈছে। উদাহৰণস্বৰূপে, পেৰুৰ কেচুৱাও (Quechua) ভাষাক ৰাষ্ট্ৰীয়ভাৱে স্বীকৃতি দিয়া হৈছে।

ভাৰত স্বাধীন হোৱাৰ পিছত জনগোষ্ঠীৰ ভাষাগত দাবীৰ বাবে বিভিন্ন ৰাজ্য গঠন কৰা হয়। তেলুগুৰ বাবে আন্ধ্ৰ প্ৰদেশ, তামিলৰ বাবে তামিলনাডু, গুজৰাটী ভাষাৰ বাবে গুজৰাট। এই সকলোবোৰেই মাতৃভাষাৰ সন্মান ৰক্ষাৰ বাবে হোৱা আন্দোলনৰ ফল। ইয়াতো সাহিত্য, কবিতা আৰু গণ-আন্দোলনে বিশেষ ভূমিকা লৈছিল। এতেকে, এই সকলো উদাহৰণে দেখুৱাইছে যে মাতৃভাষা কোনো সাধাৰণ এক বিষয় তথা বস্তু নহয়! ই পৰিচয়ৰ মূল, আত্মসন্মানৰ ভিত্তি আৰু সংস্কৃতিৰ ধ্বজাবাহক। মানুহে মাতৃভাষাৰ বাবে প্ৰাণ দিয়াৰ পৰা আৰম্ভ কৰি, সাহিত্য-সংগীতৰ জৰিয়তে গৌৰৱ সঞ্চাৰ কৰা আদি সকলো ক্ষেত্ৰতে ভাষাই মানুহৰ মানৱতা আৰু সমাজক সংজ্ঞায়িত কৰে। বিশ্বৰ এইবোৰ সংগ্ৰাম আৰু জয়লাভৰ কাহিনীয়ে দেখুৱাইছে যে সাহিত্য, শিক্ষা আৰু প্ৰেমৰ জৰিয়তে মাতৃভাষা যিকোনো সময়তে নতুনকৈ জীয়াই উঠিব পাৰে।

এতিয়া আহোঁ, অসমৰ প্ৰেক্ষাপটলৈ। উল্লেখ্য যে ভাষা এজন মানুহৰ আত্মাৰ প্ৰতিফলন। মাতৃভাষাই এজনক নিজৰ সমাজ, পৰম্পৰা আৰু ইতিহাসৰ লগত সংপৃক্ত কৰি ৰাখে। অসমীয়া ভাষা আমাৰ জাতীয় আৰু সাংস্কৃতিক পৰিচয়ৰ কৱচ, যাক ৰক্ষা কৰা মানেই আমাৰ অস্তিত্বক জীয়াই ৰখা। পৃথিৱীৰ বহু জাতিয়ে যিদৰে মাতৃভাষাৰ বাবে সংগ্ৰাম কৰিছে, অসমীয়া জাতিয়েও বহু সময়ত অসমীয়া ভাষাৰ সুৰক্ষা প্ৰদানৰ হেতু বহু সংগ্ৰাম কৰিছে। যি সংগ্ৰামৰ শেষত অসমীয়া ভাষাই আজিৰ এই অৱস্থা পাইছেহি। অসমীয়া ভাষা হৈছে অসমৰ সমগ্ৰ সংস্কৃতিক ভঁৰাল। বৈষ্ণৱ পৰম্পৰা, বিহু, জিকিৰ-জাৰী, নামঘৰীয়া কীৰ্তন, ওজাপালি আদি সকলো সাহিত্যিক, সংগীতময় আৰু নৃত্যৰূপী ঐতিহ্য অসমীয়া ভাষাৰ মাজতে বাচি আছে। এই ভাষা হেৰাই যোৱা মানেই এই সমগ্ৰ পৰম্পৰা আৰু সৌন্দৰ্য্যয়ো হেৰাই যোৱা। অসমীয়া ভাষাৰ মাজত এক সমৃদ্ধ সাহিত্য আছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ৰসাত্মক গদ্য, হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ আৰু অভিধান, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক, ভূপেন হাজৰিকাৰ গান সকলোৰে মূলতেই অসমীয়া ভাষাৰ সৃষ্টিকলা। এই সাহিত্য আমাৰ জাতীয় অহংকাৰ। যিবোৰক জীয়াই ৰাখিবৰ বাবে অসমীয়া ভাষাটোকো আমি জীয়াই ৰাখিব লাগিব।

গৱেষণাই প্ৰমাণ কৰিছে যে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰীয়ে বেছি বুজি পায় আৰু আত্মবিশ্বাসী হয়। স্বভাষাত পঢ়া আৰু লেখাৰ পৰিৱেশ সৃষ্টিৰে মানসিক বিকাশ অধিক সুস্থ হয়। শিক্ষা ব্যৱস্থাত মাতৃভাষাক গুৰুত্ব নিদিলে নতুন প্ৰজন্ম মাজত ভাষাৰ প্ৰতি মৰম কমি আহিব। ভাষাই সমাজক একত্ৰিত ৰাখে আৰু জাতিৰ মাজত গৌৰৱ সঞ্চাৰ কৰে। কথা পাতি, লিখি, গাই, নাটক কৰি মানুহে সমাজৰ লগত ভাষাৰ জৰিয়তেহে সংযোজিত থাকে। যেনেদৰে এজোপা গছে তাৰ ঠাল-ঠেঙুলি আৰু শিপাৰ সৈতে জীয়াই থাকে ঠিক তেনদৰে ভাষাৰ ওপৰত গৌৰৱ থাকিলে জাতি এটা দৃঢ় আৰু আত্মবিশ্বাসী হয় । মাতৃভাষা হেৰালে এই ঐক্যয়ো খহি পৰে। অসমীয়া ভাষা ভাৰতৰ বৈচিত্ৰ্যময় ভাষা-সংস্কৃতিৰ এক অমূল্য অংগ। গতিকে, ইয়াক ৰক্ষা কৰা মানেই ভাৰতীয় বৈচিত্ৰ্যৰ প্ৰতি সঁহাৰি জনোৱা। আন ৰাজ্যৰ দৰে অসমৰো ভাষা ভাৰতৰ গৌৰৱ আৰু পৰম্পৰাৰ অংশ, যাক সংৰক্ষণ কৰাটো আমাৰ দায়িত্ব।

সম্প্ৰতি, অসমীয়া ভাষাৰ সন্মুখত বহুতো গুৰুত্বপূৰ্ণ সমস্যা দেখা গৈছে। এই সমস্যাবোৰৰ লগত সমাজৰ পৰিৱৰ্তন, জনসংখ্যাগত চাপ, বিশ্বায়ন আৰু মনোভাৱৰ পৰিৱৰ্তন বিশেষভাৱে জড়িত। এইবোৰ সমাধান নকৰিলে ভাষাটো লাহে লাহে সংকটৰ মুখলৈ গতি কৰিব। বিশেষকৈ অসমত হোৱা ব্যাপক জনসংখ্যাগত পৰিৱৰ্তনে অসমীয়া ভাষাৰ ওপৰত অতি ডাঙৰ প্ৰভাৱ পেলাইছে। বৈদেশিক অনুপ্ৰৱেশ আৰু ভাৰতৰ অন্য ৰাজ্যৰ পৰা অহা নতুন লোকসকলৰ বাবে বহু ঠাইত অসমীয়াভাষীৰ সংখ্যা হ্ৰাস পাইছে। বিশেষকৈ চহৰাঞ্চলত আৰু সীমান্তৱৰ্তী জিলাসমূহত বহু পৰিয়ালে অসমীয়া ব্যৱহাৰ নকৰে, যাৰ বাবে ভাষাৰ প্ৰাধান্য হ্ৰাস পাইছে।

দ্বিতীয়তে, ইংৰাজী আৰু হিন্দীৰ প্ৰভাৱ অতি বেছি হৈছে। শিক্ষাৰ ক্ষেত্ৰত চহৰাঞ্চলৰ অভিভাৱকসকলৰ এটা ডাঙৰ অংশই নিজৰ সন্তানক ইংৰাজী মাধ্যমত পঢ়াব বিচাৰে আৰু অসমীয়াক অগ্ৰাধিকাৰ নিদিয়ে। ফলত নতুন প্ৰজন্মৰ মাজত অসমীয়াৰ প্ৰতি মৰম আৰু দক্ষতা দুয়োটাই কমি আহিছে। শুনিবলৈ বা স্বীকাৰ কৰিবলৈ অপ্ৰিয় হ'লেও সঁচা যে অসমীয়া জানি, পঢ়ি তুমি একো কৰিব নোৱাৰা— এই বদ্ধমূল ধাৰণাটো স্বয়ং আমাৰ অভিভাৱক আৰু শিক্ষাগুৰুসকলেই আমাৰ উত্তৰপুৰুষৰ মনত গভীৰভাৱে সুমুৱাই দিয়াত সহায় কৰি আহিছে। উদাহৰণস্বৰূপে আনলৈ আঙুলিয়াই নিদিওঁ, কিয়নো আমি নিজেই ইয়াৰ ভুক্তভোগী। অসমীয়া ভাষাটো ভালকৈ পঢ়ি জানিবলৈ, দুই-এটা লেখা মেলা কৰিবলৈ বুলি আমি ভালকৈ বিশ্ববিদ্যালয় শিক্ষা সাং কৰিহে স্বইচ্ছাৰে নিজৰ মনটোক স্থিৰ কৰিছিলোঁ। কিয়নো প্ৰকৃততে ক'বলৈ গ'লে এই সময়ৰ পৰাহে নিজৰ ভাষাটোক, সোণালী সাহিত্যৰাজিক কিয় পঢ়িব লাগে, কিয় জীয়াই ৰাখিব লাগে সেই কথা স্ববিচাৰে হৃদয়ংগম কৰিবলৈ প্ৰয়াস কৰিছিলোঁ; আৰু হয়তো আজি আমাৰ দৰে খুব কমেইহে এই হৃদয়ংগমৰ চিকাৰ হৈছে। যাৰ ফলত সময়ে আমাক নিজৰখিনিৰ পৰা বহু দূৰলৈ ঠেলি পঠাইছে।

ৰাজনীতি, ব্যৱসায় আৰু চাকৰিতো অসমীয়া ব্যৱহাৰ সীমিত হৈ পৰিছে। আকৌ সাহিত্য, সংস্কৃতি আৰু গণ মাধ্যমত অসমীয়াৰ অৱস্থান কিছু দুৰ্বল হোৱাটো পৰিলক্ষিত হৈছে। কেইবছৰমান আগলৈকে যি পৰিমাণত অসমীয়া সাহিত্য, নাটক, চিনেমা, টিভি অনুষ্ঠান, বাতৰি কাকত, আলোচনী আদিৰ প্ৰচলন আছিল, সেই অনুপাতত আজিৰ দিনত বহু হ্ৰাস পোৱা দেখা গৈছে। ছ'চিয়েল মেডিয়া আৰু ম'বাইল সংস্কৃতিৰ বেছি ব্যৱহাৰে মাতৃভাষাৰ সৃষ্টিশীল ব্যৱহাৰো কমাই দিছে। অৱশ্যে, ছ'চিয়েল মিডিয়াক যোগাত্মক দিশত ব্যৱহাৰ কৰি বহুজনে ছ'চিয়েল মিডিয়াক নিজৰ চিন্তা আৰু সৃষ্টি প্ৰকাশৰৰ বাবে ব্যৱহাৰ কৰিছে। পিছে ইয়াৰ প্ৰভাৱ তথা এইবোৰৰ প্ৰতি ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীসকলৰ গুৰুত্ব অতি সীমিত হোৱাটোও পৰিলক্ষিত হৈছে।

অসমীয়াৰ ভিতৰতে ভাষাগত বিভাজন আৰু আঞ্চলিকতা বাঢ়ি গৈছে। বহু গোট আৰু জনগোষ্ঠীয়ে নিজৰ আঞ্চলিক ভাষা-উপভাষাক অগ্ৰাধিকাৰ দিবলৈ লৈ অসমীয়া ভাষাৰ সৈতে সমন্বয় নকৰে। এই বৈচিত্ৰ্যক সমন্বয় নকৰিলে অসমীয়াৰ মাজতেই বিভাজন ঘটিব পাৰে। আন এক গুৰুতৰ সমস্যা হৈছে, চৰকাৰী নীতি আৰু প্ৰয়োগৰ ক্ষেত্ৰত অসমীয়াক একেবাৰে গুৰুত্ব নিদিয়াটো। বহু চৰকাৰী কাৰ্যালয়ত অসমীয়া ব্যৱহাৰ কৰাৰ কথা থাকিলেও বা ব্যৱহাৰ কৰিবৰ বাবে নীতি-নিৰ্দেশনা দিলেও তেওঁলোকে প্ৰায়েই ইংৰাজীকেই ব্যৱহাৰ কৰি আহিছে। অসমীয়া ভাষাৰ সন্মুখত থকা এই সকলো সমস্যাৰ মূলতেই আছে আমাৰ মানসিকতা আৰু সচেতনতাৰ অভাৱ। জনসংখ্যাগত চাপ, ইংৰাজী-হিন্দীৰ প্ৰভাৱ, উপযুক্ত শিক্ষা আৰু দৃঢ় নীতিৰ অভাৱ, লগতে আমাৰ অজ্ঞতা, অদূৰদৰ্শিতা আদি সকলো প্ৰত্যাহ্বানক বিৰুদ্ধে একেলগ হৈ আমি ভাষাটোক সংকটৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰিব লাগিব। নহ'লে অদূৰ ভৱিষ্যতে অসমীয়া ভাষা, সাহিত্য আৰু অসমীয়া মানুহৰ ইতিহাস নিঃশেষ হৈ যাবলৈ বেছি পৰ নালাগিব! যিটো আমি কোনোপধ্যেই হঅবলৈ দিব নোৱাৰোঁ।

এতিয়া কথাটো হঅল, ইয়াৰ সমাধান কি? সমাধানৰ সূত্ৰ হিচাপে আমি সকলোকে এটা অনুৰোধ তথা পৰামৰ্শহে দিব পাৰোঁ। কিন্তু তাক কোনে, কিমান গুৰুত্ব দি গ্ৰহণ কৰে সেইটো আমাৰ বাবে বহু সন্দেহৰ আৱৰ্তত! যি নহওক, এইক্ষেত্ৰত আমি যদি জ্যেষ্ঠসকলে (শিক্ষক, অভিভাৱক সকলো) নিজ নিজ সন্তানক, ছাত্ৰ-ছাত্ৰীসকলক আমাৰ নিজৰ ভাষা-সাহিত্যসমূহৰ (অসমীয়া) প্ৰতি সৰুতেই অনীহা জন্ম হোৱা কথাবোৰ মগজুত ভৰাই নিদিওঁ তেন্তে তেওঁলোকক নিশ্চিতকৈ বিপথে যোৱাৰ পৰা আমি ৰক্ষা কৰিব পাৰিম। ইয়াত বিপথে যোৱাৰ পৰা বুলি এই কাৰণেই উল্লেখ কৰা হৈছে যে নিজৰ মাতৃভাষাটোক ভালদৰে নজনাকৈ আনৰটো ল'বলৈ বা গ্ৰহণ কৰিবলৈ যোৱাটো নিশ্চিতভাৱে বিপথে যোৱাকেই সূচায়। নিজৰ ভাষাটোক ভালকৈ জানি, ভালকৈ ক'ব পৰাটো লাজৰ কথা নহয়, নিজৰটো নজনাকৈ আনৰটো জানিবলৈ প্ৰয়াস কৰাটোহে লাজৰ কথা। আকৌ বিভিন্ন ভাষা সলসলীয়াকৈ ক'ব পৰাটো বহু গৌৰৱৰ কথা, কিন্তু নিজৰ ভাষাটোত ভালকৈ এটি বাক্য ক'ব, পঢ়িব, লিখিব বা বুজিব নোৱাৰাটোহে বহু লাজৰ কথা। তেতিয়া আমাৰ বহু লাজ লাগে যেতিয়া ৰাছিয়া, ইংলেণ্ড, আমেৰিকা আদি দেশৰ পৰা লোকসকল আহি অসমীয়া ভাষা শিকে, অসমীয়া সংস্কৃতিৰ ওপৰত চৰ্চা-গৱেষণা আদি কৰে আৰু লগতে সেইখিনি নিজৰ দেশলৈ আমদানি কৰে। এইক্ষেত্ৰত হয়তো উদাহৰণ দি আৰু বহলাই কোৱাৰ বিশেষ প্ৰয়োজন নাই।

অসমীয়া ভাষাৰ ৰক্ষা কৰাৰ বাবে কিছুমান পৰিস্কৃত পথ বাছি ল'ব লাগিব। বিদ্যালয়, মহাবিদ্যালয় আনকি বিশ্ববিদ্যালয়ৰৰ পৰ্যায়ৰ লৈকে অসমীয়া পঢ়া আৰু লিখাটো বাধ্যতামূলক কৰি শিকাৰ পৰিৱেশ সৃষ্টি কৰা, নতুন লেখক-কবি-শিল্পীসকলক উৎসাহিত কৰা, গণ মাধ্যমত অসমীয়াৰ ব্যৱহাৰ বঢ়োৱা, চৰকাৰী-ব্যক্তিগত কৰ্মসংস্থাপনত অসমীয়াক অগ্ৰাধিকাৰ দিয়া আৰু সকলোতকৈ বেছি নতুন প্ৰজন্মক ভাষাৰ সৌন্দৰ্য বুজাই তেওঁলোকক মাতৃভাষাৰ গৌৰৱৰ বাহক হিচাপে গঢ়ি তোলা। বেংগলী, আইৰিছ, ৱেলছ, হিব্ৰু, কেটালান, মাওৰি, কুৱেবেক আদি জাতিয়ে দেখুৱাইছে যে সাহিত্য, শিক্ষা, সংগীত আৰু আন্দোলনৰ জৰিয়তেহে মাতৃভাষাক জীয়াই ৰাখিব পাৰি। তেওঁলোকৰ দৰে অসমীয়ায়ো নিজৰ মাতৃভাষাৰ প্ৰতি মৰম, গৌৰৱ আৰু দায়িত্বৰে আগবাঢ়ি আহিব লাগিব। ভাষা ৰক্ষা কৰিলে কেৱল আমাৰ পৰিচয়, সাহিত্য, সংস্কৃতি নহয় আমাৰ ভৱিষ্যৎও সুৰক্ষিত হ'ব।

ভূপেন দাই গীতত কৈ গৈছে— মোৰ আইক ভালপাওঁ বুলি কঅলে আনৰ আইক জানো ঘীণ কৰাটো বুজাব? নিশ্চয় নুবুজায়! সেয়েহে আমি সকলোকে আজি আহ্বান জনাইছোঁ, নিজৰখিনিক অনুগ্ৰহ কৰি সকলোৱে ভালদৰে খৰচি মাৰি প্ৰথমে জানি লওক, তাৰ পাছত আনৰখিনি জানিবলৈ, আয়ত্ত কৰিবলৈ চেষ্টা কৰক। আমি সদায় সময়ক ইয়াৰ বাবে জগৰীয়া কৰোঁ, পৰিৱৰ্তন তথা পৰিৱৰ্তিত শিক্ষাব্যৱস্থাক জগৰীয়া কৰোঁ; কিন্তু যতত নিজৰ অস্তিত্বই বিপদাপন্ন তাত পৰিৱৰ্তনৰ যুক্তি দৰ্শাই নিজৰ ভৱিষ্যতক সুৰক্ষা কৰিবলৈ যোৱাটো জানো যুক্তিকৰ হ'ব?

বেজবৰুৱাদেৰে কৈ গৈছিল, স্বদেশ আৰু স্বজাতিৰ




উন্নতিৰ মংগল-মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা। যি দেশৰ সেউজ কোলাত জন্ম লৈ, যাৰ হাৱা-পানী সেৱন কৰি আমি জীপাল হৈ জীৱনৰ বাটত বাট বুলিবলৈ আজি সক্ষম হৈছোঁ সেইখনেই হৈছে মোৰ অতিকৈ আদৰৰ, হেঁপাহৰ মোৰ দেশ। মানুহ সামাজিক প্ৰাণী; সামাজিক প্ৰাণী হিচাপে যি জাতিৰ সভ্যতা, কলা-সংস্কৃতি, ঐতিহ্য তথা নিজস্বতাখিনিক লৈ আজি অন্তৰৰ সুকুমাৰ ভাব তথা আৱেগ-অনুভূতিবোৰে জীৱনটো আলোকময় কৰি গঢ়ি তুলিবলৈ সক্ষম হৈছোঁ সেয়াই হৈছে মোৰ স্বজাতি। দেশ আৰু স্বজাতিৰ উন্নতি আৰু কল্যাণ সধাটো মোৰ কৰ্ম আৰু ধৰ্ম। এই কৰ্ম আৰু ধৰ্ম পালনৰ সাধনাৰ থলীলৈ প্ৰৱেশৰ সিংহ দুৱাৰখন হৈছে মোৰ আইৰ মুখৰ ভাষা অৰ্থাৎ মাতৃভাষা। এতেকে স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ বাবে আজি প্ৰতিজন অসমীয়াই আইৰ মুখৰ ভাষাটোক জীয়াই ৰাখিবই লাগিব। অৰ্থাৎ মাতৃভাষাহীন মানেই হৈছে স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ প্ৰৱেশৰ পথটোও দুৱাৰহীন। পৰিৱৰ্তিত সময়ৰ নিষ্ঠুৰ বাস্তৱে যেন কাণে কাণে কৈ গৈছে আজি আইৰ মুখৰ ভাষাটোৱে সন্মুখীন হোৱা অশনি ভৱিষ্যতৰ কথা। প্ৰণিধানযোগ্য যে এজোপা গছৰ শিপাৰ যেনেদৰে মাটিৰ সৈতে নিৰৱচ্ছিন্ন এক সম্পৰ্ক আছে ঠিক তেনেদৰে আইৰ ভৰি তলৰ মাটি, মূৰৰ ওপৰৰ আকাশ আৰু আইৰ মুখৰ মাতষাৰৰ লগতো প্ৰতিজন অসমীয়াৰ আছে এক আজন্ম সম্পৰ্ক আৰু এয়া আমাৰ প্ৰত্যেকৰে জন্মগত প্ৰাপ্য। ইয়াৰ পৰা বিচ্ছিন্ন হোৱা মানেই শিপাহীন আমাৰ জীৱন। এই শিপাৰ সৈতে আজীৱন সম্পৰ্ক বৰ্তাই ৰখোৱাটো আজি প্ৰতিজন অসমীয়াৰে প্ৰধান কৰ্তব্য।

ওপৰোক্ত আলোচনাৰ ভিত্তিত অসমীয়া ভাষাৰ ভৱিষ্যৎ সন্দৰ্ভত শেষত অলপমান কঅব খুজিছোঁ। অসমীয়া ভাষাৰ ভৱিষ্যৎ সন্দৰ্ভত আলোচনা কৰোঁতে আশা আৰু শংকা একে সময়তে অন্তৰ্ভুক্ত হয়, যাৰ প্ৰেক্ষাপটত বিশ্ব ইতিহাস আৰু অসমৰ নিজস্ব ভাষাগত সংগ্ৰামবোৰ চিন্তাৰ মূল আধাৰ হিচাপে বিবেচিত। ভাষা কেৱল কথোপকথনৰ মাধ্যম নহয়, ই হৈছে এটা জাতিৰ আত্মাৰ প্ৰতিফলন, চিন্তা আৰু সংস্কৃতিৰ আধাৰ, ইতিহাসৰ সাৰথি আৰু পৰিচয়ৰ স্তম্ভ। পৃথিৱীৰ নানা জাতিয়ে যিদৰে মাতৃভাষাৰ ৰক্ষাৰ বাবে সাহসিকতা, ত্যাগ আৰু সৃষ্টিশীলতাৰ পৰা আৰম্ভ কৰি সংগ্ৰাম আৰু বিপ্লৱৰ জৰিয়তে নিজৰ ভাষাটোক জীয়াই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছে, তেনেদৰে অসমীয়ায়ো নিজৰ ভাষাৰ স্বাৰ্থত বহু দুখ-সহিষ্ণু যুঁজ-সংগ্ৰাম কৰি এই ভাষাটোক আজিৰ অৱস্থালৈ আনিছে। অসমীয়া ভাষাৰ আশাৰ দিশটো বিশ্লেষণ কৰিলে দেখা যায় যে এই ভাষাটোৰ এক সমৃদ্ধ সাহিত্যিক ভঁৰাল, সংগীত, নাটক, ধৰ্মীয় সংস্কৃতি আৰু লোকসাহিত্যৰ ভিত্তিত গঢ় লৈ উঠিছে। সম্প্ৰতি ছ'চিয়েল মিডিয়া, অনলাইন পাঠ্যসামগ্ৰী, ডিজিটেল কনটেণ্ট আৰু নতুন প্ৰজন্মৰ সাহিত্যিক চিন্তনে অসমীয়া ভাষাক নতুন ৰূপত আগবঢ়াবলৈ চেষ্টা কৰি আছে, যি এটা আশাৰ আলোকবিন্দু। ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাত অধ্যয়ন কৰিলে অধিক আত্মবিশ্বাস আৰু মনোবিকাশ লাভ কৰে বুলি গৱেষণাই দেখুৱাইছে আৰু বহু লোকক লৈ এই বোধত এক ধৰণৰ ইতিবাচকতা জন্ম হৈছে। তথাপি এই আশাৰ মাজতেই এক গভীৰ শংকা আছে। কিয়নো আজি একাংশ অভিভাৱক নিজৰ সন্তানক ইংৰাজী বা হিন্দী মাধ্যমত পঢ়াবলৈ অধিক আগ্ৰহী আৰু অসমীয়া ভাষাৰ ওপৰত তেওঁলোকৰ বিশ্বাস খহি পৰিছে। ইয়াৰ উপৰি বিশ্বায়নৰ ধাৰাই ছাত্ৰসকলৰ মনত অসমীয়া ভাষাৰ অৰ্থনৈতিক মূল্য বোধহয় কম বুলি এক ভ্ৰান্ত ধাৰণা গঢ়ি তুলিছে, যাৰ ফলত ভাষাটোৰ প্ৰচলন আৰু ব্যৱহাৰ দিনক দিনে কমি আহিছে। আনফালে চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষাৰ সঠিক ব্যৱহাৰ, শিক্ষাত মাতৃভাষাৰ প্ৰাধান্য আৰু প্ৰযুক্তিগত উন্নয়নত অসমীয়া ভাষাৰ অধিক গুৰুত্ব হোৱাৰ অভাৱেও এই শংকাৰ আধাৰ হিচাপে বিবেচিত হৈছে। বিশেষকৈ সমাজত অসমীয়া ভাষাৰ প্ৰতি সচেতনতা আৰু গৌৰৱৰ অনুভৱ কমি অহাৰ লগে লগে এক প্ৰজন্ম গোটেই ভাষাটোৰ পৰা আঁতৰি যাবলৈ আৰম্ভ কৰিছে। সাহিত্য, নাটক, চিনেমা, সাংবাদিকতা আদিৰো প্ৰভাৱ কমি আহিছে, আৰু ইয়াৰ জৰিয়তেই সৃষ্টি হৈছে এক মনোভাৱ— অসমীয়া জানিলেই হ'ব, বাকী কাম ইংৰাজীতেই চলিব। এই ভাবধাৰাই অসমীয়া ভাষাৰ ভৱিষ্যতক অধিক অনিশ্চিত কৰি তুলিছে। তদুপৰি অসমৰ জনসংখ্যাগত পৰিৱৰ্তন আৰু উপভাষাসমূহৰ মাজত সম্ভাৱ গঢ়ি তোলাতো এক আৱশ্যক পদক্ষেপ, নহ'লে অসমীয়াৰ ভিতৰতে বিভাজন ঘটি ভাষাটোক অধিক সংকটৰ ফাললৈ ঠেলি পঠাব। এতেকে, অসমীয়া ভাষাৰ ভৱিষ্যৎ একেলগে আশা আৰু শংকাৰে ঘেৰি আছে। এতেকে অসমীয়া ভাষাৰ কোন দিশত আগবাঢ়িব, সেয়া নিৰ্ধাৰণ কৰিব আমাৰ আজিৰ কৰ্ম, আচৰণ আৰু মনোভাৱৰ ওপৰত। আমাৰ ভাষাটো জীয়াই থাকিব, যদি আমি ইয়াক সদায় মৰম কৰোঁ, চাৰিটা ভাল লেখা পঢ়োঁ, নিজৰ সন্তানক অসমীয়া শিকৰিবলৈ অনুপ্ৰাণিত কৰোঁ, সাহসৰে মাতৃভাষাত কথা পাতোঁ, সাহিত্যচৰ্চা আদিতো আগ্ৰহ ৰাখোঁ আৰু সকলোৱে আগত গৌৰৱৰ অনুভৱেৰে কওঁ, মই অসমীয়া আৰু মোৰ ভাষাই মোৰ গৰ্ব।

ফোন: ৯৯৫৪০-০০২০০




# হিতাধিকাৰী আঁচনিয়ে কেৱল ভোটাৰ নহয়, মানৱ সম্পদো সৃষ্টি কৰিব

অপূৰ্ব শৰ্মা

**স্বাধীনতাৰ** পিছৰে পৰা কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাই ভাৰতৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। জনকল্যাণৰ উদ্দেশ্যে চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰিবলগীয়া হৈছে । সম্প্ৰতি ভাৰতৰ বহুতো ৰাজ্যই জনকল্যাণৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ হিতাধিকাৰী আঁচনি গ্ৰহণ কৰা দেখা গৈছে। অসম চৰকাৰে শেহতীয়াকৈ গ্ৰহণ কৰা অৰুণোদয়, নিযুত মইনা,নিযুত বাবু , লাখপতি বাইদেউ আদি হিতাধিকাৰী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহক লৈ ৰাজ্যজুৰি ব্যাপক চৰ্চা চলা দেখা গৈছে ।বিৰোধীয়ে ইয়াক নিৰ্বাচনমুখী ভোটৰ ৰাজনীতি বুলি সমালোচনা কৰিছে, আনহাতে চৰকাৰে ইয়াক নাৰী সবলীকৰণ আৰু দৰিদ্ৰতা নিৰ্মূলকৰণৰ পদক্ষেপ বুলি দাবী কৰিছে।

এই সন্দৰ্ভত সবিশেষ আলোচনা কৰাৰ আগতে অসম চৰকাৰে গ্ৰহণ কৰা হিতাধিকাৰী আঁচনিসমূহৰ ভিতৰত প্ৰথমে কব লাগিব অৰুণোদয় আঁচনি । ৰাজ্য খনৰ প্ৰায় ২৭ লাখ দৰিদ্ৰ পৰিয়ালক ই সামৰি লৈছে আৰু প্ৰতিটো পৰিয়ালক মাহে ১২৫০ টকাকৈ প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে । এই আঁচনি খনৰ লক্ষ্য হ'ল পৰিয়ালসমূহৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰা। ছোৱালীৰ শিক্ষাৰ হাৰ বৃদ্ধি আৰু বাল্য বিবাহ ৰোধ কৰাৰ উদ্দেশ্যে নিযুত মইনা আঁচনিখন গ্ৰহণ কৰে। এই আঁচনিৰ অধীনত উচ্চ মাধ্যমিক পৰ্যায়ত ১০০০ টকা, স্নাতক পৰ্যায়ত ১২৫০ টকা আৰু স্নাতকোত্তৰ পৰ্যায়ত ২৫০০ টকাকৈ মাহিলি সাহায্য প্ৰদান কৰি আহিছে । নতুনকৈ চৰকাৰে আকৌ ANM,GNM আৰু BSc Nursing অধ্যয়নৰত ছাত্ৰীসকলকো আৰ্থিক সাহায্য দিয়াৰ ঘোষণা কৰিছে । নিযুত মইনাৰ সমান্তৰালভাৱে ল'ৰাৰ উচ্চ শিক্ষাৰ বাবে নিযুত বাবু আঁচনিখন গ্ৰহণ কৰা হয়। এই আঁচনিখনেও নিযুত মইনা আচনিৰ দৰে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰক আৰ্থিক সাহায্য প্ৰদান কৰিছে। আত্মসহায়ক গোটৰ মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ উদ্দেশ্যে লাখপতি বাইদেউ আঁচনি এখন গ্ৰহণ কৰে । মহিলা সকলক ক্ষুদ্ৰ ব্যৱসায় , হাঁহ-কুকুৰা পালন, পশুপালন,মৎস উৎপাদন আদিৰ প্ৰশিক্ষণ দি উদ্যোগী হিচাপে গঢ়ি তুলিব বিচৰা হৈছে যাতে প্ৰতি গৰাকী মহিলাই বছৰি ১লাখ টকা উপাৰ্জন কৰিব পাৰে।

অৰ্থনীতিৰ দৃষ্টিভংগীৰে চালে এই হিতাধিকাৰী আঁচনিবোৰৰ গুৰুত্ব আছে। প্ৰথমতে, এইবোৰ আঁচনি হৈছে Direct Benefit Transfer (DBT)। মধ্যভোগী নোহোৱাকৈ টকা পোনে পোনে হিতাধিকাৰীৰ বেংক একাউণ্টলৈ যায়। ইয়াৰ ফলত নিম্ন স্তৰত নগদ ধনৰ প্ৰবাহ বাঢ়ে। এগৰাকী দৰিদ্ৰ মহিলাই যেতিয়া ১২৫০ টকা পায়, তেতিয়া তেওঁ সেই টকা স্থানীয় বজাৰতে






খৰচ কৰে। ইয়ে গ্ৰাম্য অৰ্থনীতিক সক্ৰিয় কৰাত সহায় কৰে। দ্বিতীয়তে, নিযুত মইনাৰ দৰে আঁচনিয়ে ছোৱালীক স্কুল-কলেজত পঢ়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিছে। অসমত বাল্য বিবাহ আৰু স্কুল ড্ৰপআউটৰ হাৰ এতিয়াও উচ্চ। শিক্ষিত মাতৃয়ে এখন শিক্ষিত সমাজ গঢ়ে, ই দীৰ্ঘকালীন অৰ্থনৈতিক লাভ। গতিকে এনে ব্যয় মানৱ সম্পদত বিনিয়োগ বুলি কব পাৰি। তৃতীয়তে, লাখপতি বাইদেউৰ দৰে আঁচনিয়ে নাৰীৰ আৰ্থিক স্বাধীনতাত সহায় কৰিছে। যেতিয়া পৰিয়ালৰ আয় মহিলাৰ হাতত আহে, তেতিয়া শিশুৰ স্বাস্থ্য, পুষ্টি আৰু শিক্ষাত খৰচ বেছি হয় বুলি বিভিন্ন সমীক্ষাত প্ৰমাণিত হৈছে।

ইয়াৰ ৰাজনৈতিক দিশটোকো অস্বীকাৰ কৰিব নোৱাৰি। হিতাধিকাৰী আঁচনিসমূহে ভোটাৰৰ মনত প্ৰভাৱ পেলায় আৰু ইয়ে বৃহৎ ভোট বেংক সৃষ্টিত সহায় কৰে বুলি ৰাজনৈতিক মহলত চৰ্চা হয় । অসম চৰকাৰে গ্ৰহণ কৰা হিতাধিকাৰী আঁচনিবোৰে প্ৰায় ৩০ লাখ পৰিয়ালক সামৰি লৈছে। ইয়ে প্ৰায় ১ কোটি ভোটাৰক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰা বুলি বহুতে দাবী কৰে । সমালোচক সকলৰ মতে হিতাধিকাৰী আঁচনিয়ে নিৰ্ভৰশীলতাৰ ৰাজনীতিৰ সৃষ্টি কৰিছে। চাকৰি বা স্থায়ী আয়ৰ উৎস সৃষ্টিৰ পৰিৱৰ্তে মাহিলী ভাট্টা দি ভোটাৰক চৰকাৰৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখা হৈছে। তদুপৰি ৰাজকোষৰ ওপৰতো ই চাপৰ সৃষ্টি কৰে। এই আঁচনিসমূহৰ বাবে বছৰি হাজাৰ হাজাৰ কোটি টকাৰ প্ৰয়োজন হয়। যদি ইয়াৰ লগে লগে ৰাজ্যৰ নিজা আয় বৃদ্ধি নহয়, তেন্তে ৰাজ্যই ঋণৰ বোজা বহন কৰিবলগীয়া হয়। অসম চৰকাৰৰ ক্ষেত্ৰত সেয়াই হোৱা দেখা গৈছে ।

শেষত ইয়াকে ক'ব পাৰি যে আচলতে প্ৰতিখন কল্যাণমূলক আঁচনিৰে দুটা দিশ থাকে— এটা অৰ্থনৈতিক আৰু আনটো হ'ল ৰাজনৈতিক। এই আঁচনিসমূহক কেৱল ৰাজনীতিৰ পৰোক্ষ ছাঁ থকা বুলি কোৱাটো ভুল হ'ব, কাৰণ হাজাৰ হাজাৰ দৰিদ্ৰ মহিলা আৰু ছাত্ৰীয়ে ইয়াৰ পৰা প্ৰত্যক্ষভাৱেই উপকাৰো লাভ কৰিছে। একেদৰে ইয়াক কেৱল অৰ্থনৈতিক উন্নয়ন বুলিও কঅব নোৱাৰি, কাৰণ ইয়াৰ ঘোষণা আৰু ৰূপায়ণৰ সময় নিৰ্বাচনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। শেষ বিচাৰ ৰাইজ কৰিব। এই আঁচনিয়ে যদি এগৰাকী ছোৱালীক স্নাতকোত্তৰ পঢ়িবলৈ, এগৰাকী মহিলাক নিজৰ ভৰিত থিয় হ'বলৈ সঁচাকৈয়ে সহায় কৰে, তেন্তে ইয়াৰ ৰাজনৈতিক লাভ যিয়েই নহওক, অৰ্থনৈতিক লাভ দীৰ্ঘকালীন হ'ব। কিন্তু যদি ই কেৱল মাহিলি সাহায্যতে আবদ্ধ হৈ থাকে আৰু দক্ষতা বৃদ্ধি, সংস্থাপন সৃষ্টি আদি নকৰে, তেন্তে ই অস্থায়ী সকাহ হৈয়েই থাকিব। চৰকাৰৰ দায়িত্ব হ'ব লাগে হিতাধিকাৰীক ভোটাৰ হিচাপে নহয়, মানৱ সম্পদ হিচাপে গঢ়ি তোলা।

ফোন: ৯৮৫৪১-৫৯৬২৩

### শুৱালকুছিৰ যুৱতী গুৱাহাটীত ৰহস্যজনক মৃত্যুক লৈ চাঞ্চল্য অব্যাহত

# আৰক্ষীৰ ভূমিকাক লৈ পৰিয়ালৰ ক্ষোভ সঠিক তদন্তৰ আহ্বান



**বৰ্তমান সময়, শুৱালকুছি, ২৫ অক্টোবৰ ঃ** গুৱাহাটীৰ নেহা এপাৰ্টমেণ্টত শুৱালকুছিৰ যুৱতী ডলী বৈশ্যৰ ৰহস্যজনক মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ চাৰি দিন পাৰ হৈ যোৱাৰ পিছতো মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও অন্ধকাৰতে আছে। ডলী বৈশ্যৰ মৃত্যু আত্মহত্যা নে পৰিকল্পিত হত্যা তাক লৈ আজিও কোনো স্পষ্ট উত্তৰ পোৱা নাই শোকাকুল পৰিয়ালে। মাতৃহাৰা যুৱতীগৰাকীৰ এনে আকস্মিক মৃত্যুত এতিয়া বৃদ্ধ পিতৃয়ে আৰক্ষীৰ এক নিৰপেক্ষ তদন্তলৈ বাট চাই ৰৈছে। আনহাতে, এই স্পৰ্শকাতৰ ঘটনাক লৈ বৰ্তমান তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বৃহত্তৰ শুৱালকুছি অঞ্চলৰ সচেতন মহলত। সমান্তৰালভাৱে, বিগত দীৰ্ঘ ১০ বছৰ ধৰি ডলী বৈশ্যৈই যিটো বীমা প্ৰতিষ্ঠানত কৰ্মৰত আছিল, সেই প্ৰতিষ্ঠানটোৰ বিৰুদ্ধেও তীব্ৰ ক্ষোভ উজাৰিছে পৰিয়ালে। কাৰণ ডলীৰ মৃত্যুৰ চাৰি দিন উকলি যোৱাৰ পিছতো প্ৰতিষ্ঠানটোৰ কোনো এজন কৰ্মকৰ্তাই এবাৰলৈও মৃত যুৱতী গৰাকীৰ ঘৰলৈ গৈ পৰিয়ালৰ খবৰ ল'বলৈ আহৰি নাপালে। প্ৰতিষ্ঠানটোৰ এনে দায়িত্বহীন আৰু অমানৱীয় কাণ্ডই পৰিয়ালটোক গভীৰভাৱে মৰ্মাহত কৰি তুলিছে। আনহাতে, ঘটনা সন্দৰ্ভত পৰিয়ালৰ পৰা জানিব পৰা মতে, আৰক্ষীয়ে ডলী বৈশ্যৰ মৃতদেহৰ কাষত উদ্ধাৰ হোৱা ছুইছাইড নোটৰ ভিত্তিত বিশ্বনাথ দাস নামৰ এজন যুৱকক ইতিপূৰ্বে আটক কৰিছে। কিন্তু পৰিয়ালৰ অভিযোগ অনুসৰি, উক্ত ছুইছাইড নোটখনত বিশ্বনাথ দাসৰ উপৰি গাৰ্গী সৰকাৰ নামৰ এগৰাকী মহিলাৰো নাম স্পষ্টকৈ উল্লেখ আছিল। আনকি পৰিয়ালে দিছপুৰ থানাত দাখিল কৰা এজাহাৰতো গাৰ্গী সৰকাৰৰ নাম অভিযুক্ত হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। তথাপিও আৰক্ষীয়ে গাৰ্গী সৰকাৰক বৰ্তমানলৈকে কিয় আটক কৰা নাই, তাক লৈ এতিয়া ডাঙৰ ৰহস্যৰ সৃষ্টি হৈছে। পৰিয়ালৰ লোকৰ অভিযোগ আৰক্ষীয়ে সাংবাদিকৰ সন্মুখত কেৱল ধৃত বিশ্বনাথ দাসৰ নামটোহে উল্লেখ কৰিছে, কিন্তু গাৰ্গী সৰকাৰৰ নাম এবাৰো উচ্চাৰণ কৰা নাই। ডলী বৈশ্যৰ মৃত্যুৰ প্ৰকৃত ৰহস্য উদঘাটন কৰিবলৈ আৰু এই ঘটনাৰ সৈতে জড়িত থকা গাৰ্গী সৰকাৰক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ পৰিয়ালৰ লোকে আৰক্ষী প্ৰশাসনক সজোৰে আহ্বান জনাইছে। শুৱালকুছিৰ বিভিন্ন। দল সংগঠনেও ঘটনাৰ এক উচ্চস্তৰীয় আৰু সঠিক তদন্তৰ দাবী উত্থাপন কৰিছে, যাতে ডলীৰ বৃদ্ধ পিতৃয়ে উপযুক্ত ন্যায় লাভ কৰে।

### অসম-নাগালেণ্ড সীমান্তত ড্ৰাগছৰ বিৰুদ্ধে শিৱসাগৰ আৰক্ষীৰ অভিযান

# নাগালেণ্ডৰ পৰা ড্ৰাগছ কঢ়িয়াই আনোতেই জালত পৰিল সৰবৰাহকাৰী

**বৰ্তমান সময়, শিৱসাগৰ, ২৫ অক্টোবৰ ঃ** শিৱসাগৰ আৰক্ষীৰ ধাৰাবাহিক অভিযানৰ মাজতো ঐতিহ্যমণ্ডিত জিলাখনত মাৰাত্মক বৰবিহৰ ৰমৰমীয়া ব্যৱসায় চলাই অহা কুখ্যাত ড্ৰাগছ পেডলাৰ দিব্যজ্যোতি দাস ওৰফে পৱন আৰু মানস প্ৰতিম চেতিয়া অৱশেষত শিৱসাগৰ আৰক্ষীৰ জালত পৰিল। নাগালেণ্ডৰ মন জিলাৰ পৰা মাৰাত্মক ড্ৰাগছ কঢ়িয়াই আনোতেই আৰক্ষীৰ জালত পৰা দিব্যজ্যোতি ওৰফে পৱনৰ ঘৰ শিৱসাগৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰজাবাৰী পলসনিত আৰু মানস প্ৰতিমৰ ঘৰ চেপনত। অভিযানকাৰী আৰক্ষীৰ দলটোৱে দুই ড্ৰাগছ পেডলাৰৰ হাতৰ পৰা নগদ প্ৰায় ৭৭ হাজাৰ টকা, দুটা বৰবিহ ভৰ্তি গ'ল্ডেন আৰু এখন বাইক জব্দ কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত বাতৰি মতে কুখ্যাত ড্ৰাগছ মাফিয়া ৰাজু আলি, ৰূপম দেৱ অন্যতম সহযোগী দিব্যজ্যোতি ওৰফে পৱন আছিল বৰবিহৰ সাম্ৰাজ্যখনৰ অন্যতম কুখ্যাত ব্যৱসায়ী। চলিত বৰ্ষত শিৱসাগৰ আৰক্ষীয়ে চলোৱা প্ৰতিটো অভিযানৰ সময়তেই কৌশলেৰে আৰক্ষীৰ চকুত ধূলি দিবলৈ সক্ষম হোৱা পৱন আছিল শিৱসাগৰ আৰক্ষীৰ ৰাডাৰত। সঘনাই চোং সলাই ড্ৰাগছৰ বেহা চলাই থকা দিব্যজ্যোতি ওৰফে পৱন আৰু এটা ব্যৱসায়ীয়ে পুৱাতে এখন বাইকেৰে নগালেণ্ড অভিমুখে ৰাওনা হোৱাৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে। নিৰ্ভৰযোগ্য সূত্ৰৰ ভিত্তিত লাভ কৰা খবৰৰ ভিত্তিতেই নাজিৰা সম জিলাৰ আইন শৃংখলা বিভাগৰ ডি এচ পি অংশুমান গগৈৰ নেতৃত্বত শিৱসাগৰ সদৰ থানাৰ নগৰ উপ-পৰিদৰ্শক দেৱাশীষ শমাই বিহুবৰ আৰক্ষীৰ সহযোগত সন্ধিয়াৰ সময়ত ঔগুৰিজান অঞ্চলত দুই কুখ্যাত ড্ৰাগছ পেডলাৰক আটক কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত গাঁওৰক্ষী বাহিনীৰ সাক্ষীৰ উপস্থিতিত দুই যুৱকক তালাচী চলোৱাত ড্ৰাগছ ভৰ্তি গল্ডেনৰ টেমা আৰু নগদ ধন জব্দ কৰিবলৈ সক্ষম হয়। ধাৰাবাহিক শিৱসাগৰ আৰক্ষীয়ে পলসনিৰ কুখ্যাত পেডলাৰটোৰ বাসগৃহত অভিযান চলাইয়ো জালত পেলাবলৈ সক্ষম নোহোৱা দিব্যজ্যোতি দাস ওৰফে পৱন পলমকৈ হ'লেও ড্ৰাগছ সহ আৰক্ষীৰ জালত পৰাতো অন্যতম বৃহত সফলতা হিচাবে পৰিগণিত হৈছে। ঘটনাস্থলী বিহুবৰ আৰক্ষী থানাৰ অন্তৰ্গত ঔগুৰিজান হোৱাৰ হেতুকে বিহুবৰ আৰক্ষী থানাই নিজাববীয়া এক গোচৰৰ ভিত্তিত দুয়োটা কুখ্যাতক নিজাববীয়া এক গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰি অনুসন্ধান অব্যাহত ৰাখিছে।






*হাউলীত ব্লক কংগ্ৰেছৰ উদ্যোগত জন জাগৰণ অভিযান*

### মৰিগাঁৱত ভাৰত বিকাশ পৰিষদৰ অনুদান

# শংকৰ মাধৱ মাধ্যমিক বিদ্যালয়ত আটকধুনীয়া ফুলনি বাগিচা উন্মোচন

**বৰ্তমান সময়, মৰিগাঁও, ২৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান শংকৰ মাধৱ মাধ্যমিক বিদ্যালয়ত ভাৰত বিকাশ পৰিষদ, মৰিগাঁও শাখাৰ আৰ্থিক অনুদানেৰে নিৰ্মিত এখন আটকধুনীয়া ফুলনি বাগিচা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উৎসৰ্গা কৰা এই নৱনিৰ্মিত উদ্যানখন ভাৰত বিকাশ পৰিষদৰ মৰিগাঁও শাখাৰ সভাপতি ভুৱন চন্দ্ৰ দেউৰীয়ে ফিতা কাটি শুভ উন্মোচন কৰে। উন্মোচনী ভাষণত সভাপতি ভুৱন চন্দ্ৰ দেউৰীয়ে কয় যে বিদ্যালয়খনৰ প্ৰাকৃতিক আৰু শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ হাতত লোৱা হৈছে। ডিজিটেল পুথিভঁৰালৰ সন্মুখত নিৰ্মিত এই ফুলনি বাগিচাখনে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সতেজতা আৰু আনন্দ প্ৰদান কৰিব বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় কৰ্তৃপক্ষক বাগিচাখন নিজৰ ঘৰৰ দৰেই যত্নসহকাৰে পৰিপাটি কৰি ৰাখিবলৈ আহ্বান জনায়। শংকৰ মাধৱ মাধ্যমিক



বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উমেশ ডেকাই আঁতধৰা অনুষ্ঠানত উপস্থিত থাকে মায়ং মহাবিদ্যালয়ৰ অধ্যক্ষ তথা পৰিষদৰ সম্পাদক ৰঞ্জিত কলিতা, সহকাৰী সম্পাদক কামেশ্বৰ দেউৰজা আৰু প্ৰাক্তন সম্পাদক অতুল চন্দ্ৰ শৰ্মা। ইয়াৰ উপৰি বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী অন্নদা দেৱী, প্ৰাক্তন শিক্ষয়িত্ৰী শেৱালি ফুকন আৰু বৰ্তমানৰ প্ৰধান শিক্ষক বিনেশ বসুমতাৰীয়ে লগতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি পৰিষদৰ এই মহৎ পদক্ষেপক ভূয়সী প্ৰশংসা কৰে।

# মুখ্যমন্ত্ৰী সাহাৰ্য পুঁজিৰ চেক বিতৰণ কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ



**বৰ্তমান সময়, মঙলদৈ, ২৫ অক্টোবৰ ঃ** আজি মঙলদৈৰ বিধায়িকা তথা পশুপালন আৰু মীন মন্ত্ৰী নিলিমা দেৱীৰ বাসগৃহত প্ৰধানমন্ত্ৰীৰ 'মন কী বাট' অনুষ্ঠানৰ সংগতি ৰাখি মঙলদৈত আৰ্থিকভাৱে পিছপৰা ৰোগাক্ৰান্ত ৩২৭ গৰাকী লোকক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ মঙলদৈ বিধানসভা সমষ্টিত আজি এক আৰ্তজনৰ সহায়ৰ বাবে আয়োজিত অনুষ্ঠানত ৩২৭গৰাকী আৰ্থিকভাৱে পিছপৰা আৰু গুৰুতৰ ৰোগত আক্ৰান্ত ব্যক্তিলৈ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কৰা হয়। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে নিজ হাতে এই চেকসমূহ বিতৰণ কৰে। এইবাৰ মুঠ ২৭ লাখ টকাৰ ৩২৭ খন চেক বিতৰণ কৰা হয়। চৰকাৰী সাহায্য লাভ কৰি ৰোগাক্ৰান্ত পৰিয়ালসমূহে সকাহ পোৱা বুলি জানিবলৈ দিয়ে। এই সভাত অসম মীন নিগম প্ৰাধিকৰণৰ অধ্যক্ষ গুৰুজ্যোতি দাস উপস্থিত হৈ বিভিন্ন আৰ্থিকভাৱে দুৰ্বল ৰোগীসকলক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ বিষয়ত বিতংভাৱে উল্লেখ কৰে লগতে এই সাহায্য প্ৰদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মঙলদৈত অনুষ্ঠিত এই চেক বিতৰণ কাৰ্যসূচীত কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে ভাষণ প্ৰসংগত কয় যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে দুখীয়া আৰু আৰ্তজনৰ কাষত থিয় দিয়াটোৱেই প্ৰধান লক্ষ্য হিচাপে লৈছে। কাৰো চিকিৎসাৰ অভাৱত যাতে কোনো লোকৰ প্ৰাণ হানি নহয়, তাৰ বাবে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ জৰিয়তে এনেদৰে সহায় আগবঢ়োৱা হৈছে। তেওঁ লগতে ৰাইজক চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। চেক লাভ কৰা হিতাধিকাৰীসকলে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত উপস্থিত থাকে মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, দৰং জিলা বিজেপিৰ সভাপতি মুকুন্দ ডেকা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, জ্যেষ্ঠ বিজেপি নেতা গৌৰৱ কুমাৰ ডেকাৰাজা, গীতিমা দাসৰ লগতে বিজেপিৰ কাৰ্যকৰ্তা সকল।

### খেহেনীপাৰাত কাতিমহীয়া নাম উদ্‌যাপন

**বৰ্তমান সময়, ডুমুনিচকী, ২৫ অক্টোবৰ ঃ** কামৰূপ জিলাৰ খেহেনীপাৰাৰ বিষ্ণু চুবুৰিত অৱস্থিত শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে বাৰ্ষিক কাতিমহীয়া নাম উদ্‌যাপন কৰা হয়। বিষ্ণু চুবুৰিৰ ৰাইজৰ সহযোগত অনুষ্ঠিত এই ধৰ্মীয় অনুষ্ঠানত বিভিন্ন কাৰ্যসূচীৰ লগতে আমন্ত্ৰিত পুৰুষৰ নাগাৰা নাম পৰিৱেশন কৰা হয়। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰা হয়। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। নিশা ৭ বজাত নাগাৰা নাম পৰিৱেশন কৰা হয়। একেদৰে কমলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তুলসী ৰঞ্জন কলিতাই নাগাৰা নামৰ অনুষ্ঠানটো উদ্বোধন কৰে। নামৰ পাঠক হিচাপে উপস্থিত থাকে কলিতাপাৰাৰ মণ্টু ডেকা আৰু পইকানাৰ সত্যব্ৰত ডেকা। ধৰ্মীয় পৰম্পৰা আৰু ভক্তিৰ পৰিৱেশেৰে অনুষ্ঠিত এই কাৰ্যসূচীত স্থানীয় ৰাইজৰ স্বতস্ফূৰ্ত অংশগ্ৰহণে অনুষ্ঠানটোক মুখৰিত কৰি তোলে।

# মৰিগাঁৱত স্থাপন হ'ল লাইখুঁটা

### লোকপ্ৰাণ মতিৰাম বৰা সোঁৱৰণি একাংক নাট প্ৰতিযোগিতা

**বৰ্তমান সময়, মৰিগাঁও, ২৫ অক্টোবৰ ঃ** মৰিগাঁৱত লোকপ্ৰাণ মতিৰাম বৰাৰ সোঁৱৰণত আগন্তুক ১৩ আৰু ১৪ নৱেম্বৰত মৰিগাঁৱত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগা একাংক নাট প্ৰতিযোগিতাখনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। মৰিগাঁও স্কুল খেলপথাৰত আজি মাংগলিক পৰিৱেশত লাইখুঁটা স্থাপন কৰে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। এই উপলক্ষে অনুষ্ঠিত সভাখনত বিধায়ক দেউৰীয়ে প্ৰাতঃস্মৰণীয় ব্যক্তি, এসময়ৰ প্ৰভাৱশালী মন্ত্ৰী মতিৰাম বৰাৰ সোঁৱৰণত অনুষ্ঠিত এই নাট প্ৰতিযোগিতাখন ৰাজ্যখনৰ অন্যতম আগশাৰীৰ নাট প্ৰতিযোগিতা হিচাপে চিহ্নিত হোৱা বুলি মন্তব্য কৰে। সভাখনত অংশগ্ৰহণ কৰি নাট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ মুখ্য উপদেষ্টা, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই আগশাৰীৰ এই নাট প্ৰতিযোগিতাখন সফল কৰাৰ ক্ষেত্ৰত নাট্যপ্ৰেমী ৰাইজক পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। সভাত অন্যতম মুখ্য উপদেষ্টা বিৰিঞ্চি কুমাৰ শৰ্মা, মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, বিশিষ্ট সমাজকৰ্মী নগেন দাস, হেমেন কাকতি, দীপন কুমাৰ বৰা, আজগৰ আলী নাট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি হিমাংশু মহন্ত, কাৰ্যকৰী সভাপতি শিৱাজী ডেকা, সাধাৰণ সম্পাদক মৃদুল কুমাৰ বৰা প্ৰমুখ্যে বিষয়ববীয়াসকল আৰু বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে লাইখুঁটা স্থাপনৰ পাছতে সভাপতি হিমাংশু মহন্তই সংবাদ মাধ্যমৰ আগত কয় যে, অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ইতিমধ্যে ৪৫ টাৰো অধিক অগ্ৰণী নাট্য দলে প্ৰতিযোগিতাখনত যোগাযোগ কৰি পাণ্ডুলিপি জমা দিছে। নাট্য দলসমূহৰ সুবিধাৰ্থে পাণ্ডুলিপি জমা দিয়াৰ অন্তিম তাৰিখ অহা ৩০ অক্টোবৰলৈ বৃদ্ধি কৰা হৈছে। এই প্ৰতিযোগিতাত নিৰ্বাচিত প্ৰায় ২৫ খন নাটক মঞ্চস্থ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, গোলাঘাট, নলবাৰী, বজালী (পাঠশালা), বৰপেটা, গুৱাহাটী, নগাঁও আদি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পাণ্ডুলিপিসমূহ পৰীক্ষাৰ অন্তত অতি সোনকালে নিৰ্বাচিত দলসমূহৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি সদৰী কৰে।

# চেঙাৰ বাঘমাৰাচৰত কংগ্ৰেছৰ বিক্ষোভ কাৰ্যসূচী

**বৰ্তমান সময়, আলোপতি, ২৫ অক্টোবৰ ঃ** ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে অসমতো কংগ্ৰেছ দলে ব্যাপক প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰিছে। আজি বৰপেটা জিলা কংগ্ৰেছৰ উদ্যোগত বিভিন্ন প্ৰান্তৰ লগতে জিলাখনৰ চেঙা সমষ্টিৰ বাঘমাৰা চৰতো চেঙা ব্লক কংগ্ৰেছৰ সহযোগত ভোট চোৰৰ অভিযোগত দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বিয়লি ভাগত চেঙা সমষ্টিৰ বিধায়ক আব্দুৰ ৰহিম আহমেদৰ নেতৃত্বত কংগ্ৰেছ কৰ্মীসকলে এক প্ৰতিবাদী সমদল উলিওৱাৰ লগতে মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ প্ৰতিমূৰ্তি দাহ কৰা হয়। এই কাৰ্যসূচীত বিধায়ক আব্দুৰ ৰহিম আহমেদে অংশগ্ৰহণ কৰি কয় যে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ জৰিয়তে বিজেপিয়ে সমগ্ৰ দেশতে ভোট চুৰি কৰি ক্ষমতা দখল কৰিছে। বিগত দিনত মোদী আৰু অমিত শ্বাহৰ গোলামী কৰি মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰতিটো নিৰ্বাচনত বিজেপিক জয়ী কৰাই আহিছে। মুখ্য নিৰ্বাচন আয়ুক্ত গৰাকীয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। বিধায়ক গৰাকীয়ে দেশৰ প্ৰতিজন ভোটাৰৰ মৌলিক অধিকাৰ অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত জ্ঞানেশ কুমাৰৰ পদত্যাগ দাবী কৰে।

### ভেল্লাৰ বনবৰীয়াত সাংস্কৃতিক অনুষ্ঠান

# ভি আই পি স্প'ৰ্টছ ক্লাব চৰকাৰীভাৱে পঞ্জীয়নভুক্ত



**বৰ্তমান সময়, বৰেপটা, ২৫ অক্টোবৰ ঃ** বৰপেটাৰ এটি ক্ৰীড়া অনুষ্ঠান ভি আই পি স্প'ৰ্টছ ক্লাব আজি চৰকাৰীভাৱে পঞ্জীয়নভুক্ত কৰা হয়। সেই উপলক্ষে আজি বনবৰীয়া চকত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। জ্যেষ্ঠ সাংবাদিক শ্বেখ ৰফিকুল হকৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটিৰ বৰপেটাৰ ব্যুৰো চীফ, সাংবাদিক আজিজুল হক, ইউফাৰ সভাপতি ফজল মহম্মদ চৌধুৰী, সম্পাদক আহমেদ ৰোজবুল হক(দীপ), ভেল্লা আঞ্চলিক যুৱক সমাজৰ সম্পাদক নেকিবুৰ ৰহমানৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ক্লাৱ এটিৰ কৰণীয় কাম, সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰত দায়বদ্ধতা সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ ৰাখে। অনুষ্ঠানটিত বনবৰীয়া মছজিদ পৰিচালনা সমিতিৰ সভাপতি শ্বেখ মুক্তাৰ হুছেইন, সমাজকৰ্মী জাম্ফু আলী, চাইজো আলী, চানবৰ আলীকে ধৰি বনবৰীয়া গাঁওৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চৰকাৰী পঞ্জীভুক্ত ক্লাবটোত সভাপতি হিচাপে আৰ্জু খন্দকাৰ, উপ সভাপতি হিচাপে ইনামুল হক, সম্পাদক আক্ৰাৰ আলী, বিত্তীয় সম্পাদক শ্বেখ তফিকুৰ ৰহমান, কাৰ্যবাহী সদস্য ৰেকিবুদ্দিন আহম্মদ, চৈয়দ আতিকুৰ হুছেইন, চিৰাজুল খন্দকাৰ নাম অন্তৰ্ভুক্ত হৈছে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়।

### আটাছুৰ মেজেঙা আঞ্চলিক সমিতি গঠন

**বৰ্তমান সময়, নাজিৰা, ২৫ অক্টোবৰ ঃ** নাজিৰা সমজিলাত অৱস্থিত হুদুপৰা ভৰালী প্ৰাথমিক বিদ্যালয়ত প্ৰাঞ্জল গগৈৰ সভাপতিত্বত সদৌ তাই আহোম ছাত্ৰ সন্থা মেজেঙা আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। সভাত আটাছু শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, যুটীয়া সম্পাদক পাৰ্থ গগৈ, আটাছু নাজিৰা মহকুমা সমিতিৰ সভাপতি শ্যামল বৰুৱা, যুটীয়া সম্পাদক ললিত চেতিয়া উপস্থিতি থাকি সংগঠনৰ লক্ষ্য-উদ্দেশ্যৰ সন্দৰ্ভত বক্তব্য ৰাখে। উক্ত প্ৰতিনিধি সভাতেই সৰ্বসন্মত সিদ্ধান্তমৰ্মে দীপক বৰুৱাক সভাপতি, কৌস্তৱ ৰাজকোঁৱৰক কাৰ্যকৰী সভাপতি আৰু ঋষিকেশ বুঢ়াগোহাঁইক সম্পাদক হিচাপে লৈ ৪০ জনীয়া আটাছুৰ মেজেঙা আঞ্চলিক সমিতিখন গঠন কৰে।

### স্বদেশলৈ ঘূৰি আহিব বিচাৰি হাঁহাঁকাৰ যোৰহাটৰ কৃষ্ণ বাহাদুৰৰ

# ৪০ বছৰ পূৰ্বে নিখোজ ব্যক্তিৰ সন্ধান ওলাল বাংলাদেশত

### সামাজিক মাধ্যম যোগে আহ্বান বাংলাদেশী নাগৰিকৰ

**বৰ্তমান সময়, যোৰহাট, ২৫ অক্টোবৰ ঃ** চুবুৰীয়া দেশ বাংলাদেশৰ চাঁপাইনবাগঞ্জ ৰে'ল ষ্টেচনত বিগত প্ৰায় দুমাহ ধৰি এগৰাকী কিছু পৰিমাণে মানসিকভাৱে অসুস্থ ব্যক্তি অৱস্থান কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। ব্যক্তিগৰাকীয়ে নিজ হাতে এখন কাগজত নিজৰ নাম আৰু ঠিকনা লিখি দিয়াৰ পাছত তেওঁ অসমৰ যোৰহাট জিলাৰ বাসিন্দা বুলি সামাজিক মাধ্যমত প্ৰকাশ পাইছে। ব্যক্তিগৰাকীয়ে কাগজখনত নিজৰ নাম কৃষ্ণ বাহাদুৰ চেত্ৰী, পিতৃৰ নাম দিল বাহাদুৰ চেত্ৰী বুলি উল্লেখ কৰিছে। ঠিকনা হিচাপে গড়মুৰ ইটাখোলি গাঁও, ডাকঘৰ—যোৰহাট, জিলা—যোৰহাট, অসম, ভাৰত বুলি লিখা আছে। সামাজিক মাধ্যমত প্ৰকাশ পোৱা অনুসৰি কৃষ্ণ বাহাদুৰ ছেত্ৰী বিগত দুমাহ ধৰি চাঁপাইনবাবগঞ্জ ৰে'ল ষ্টেচনত অৱস্থান কৰি আছে। তেওঁৰ হাতৰ লিখনি আৰু নিজে লিখি দিয়া পৰিচয়ৰ তথ্যৰ পৰা তেওঁ শিক্ষিত আৰু ভাল পৰিয়ালৰ সন্তান হ'ব পাৰে বুলি স্থানীয়সকলে উল্লেখ কৰিছে।ইফালে, স্থানীয় ৰাইজে এই বিষয়ে যোৰহাট আৰক্ষী থানালৈ ই-মেইলযোগে অৱগত কৰি সহায় বিচাৰিছিল যদিও এই পৰ্যন্ত কোনো সঁহাৰি লাভ কৰা নাই বুলি জানিবলৈ দিছে। চাঁপাইনবাবগঞ্জৰ জনৈক ছালমানে সামাজিক মাধ্যম যোগে অসমৰ ৰাইজ তথা যোৰহাটবাসীৰ প্ৰতি আহ্বান জনোৱাৰ পিছত এতিয়া যোৰহাটত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। উল্লেখ্য যে আজিৰ পৰা প্ৰায় ৪০ বছৰৰ পূৰ্বে যোৰহাট জে বি কলেজ লৈ বুলি উলাই গৈছিল কৃষ্ণ বাহাদুৰ ছেত্ৰী নামৰ সেই সময়ৰ চফল ডেকা ল'ৰাটো। কিন্তু ঘৰলৈ ঘূৰি নাহিল তেওঁ। পৰিয়ালত এতিয়া তেওঁৰ আপোন বুলিবলৈ কোনো নাই। সমন্ধীয় এগৰাকী খুৰীয়েকে তেওঁৰ স্বামীৰ পৰা প্ৰায় ৩০ বছৰৰ পূৰ্বে শুনিছিল তেওঁলোকৰ এজন ভতিজা কলেজলৈ গৈ সন্ধানহীন হোৱাৰ কথা। কৃষ্ণৰ ভাতৃ আছিল যদিও কেতিয়াবাই তেওঁলোকৰ ঘৰ মাটি বিক্ৰী কৰি দিয়া বুলি কোৱা হৈছে। ৪০ বছৰৰ পিছত এতিয়া তেওঁৰ শৰীৰত এতিয়া পৰিছে বয়সৰ চাপ। কিন্তু অনিশ্চিত ভৱিষ্যত কৃষ্ণ বাহাদুৰৰ। জন্ম ভূমিলৈ আহিবলৈ তেওঁৰ দুৰ্বাৰ হেঁপাহ আছে যদিও তেওঁ ঘূৰি আহিব পাৰিবনে নোৱাৰে সেয়া সময়ত স্পষ্ট হ'ব।



# জগন্নাথ আৰু লক্ষ্মী দেৱীৰ কন্দল

**শ্ৰী জনাৰ্দ্দন দেৱ গোস্বামী**
**শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰ**

কদাচিৎ কালিন্দী তট বিপিন সংগীতক ৰবো
মুদাভাৰী নাৰীবদন কমলাস্বাদ মধপং।
ৰমাশম্ভু ব্ৰহ্মসুৰপতিনে শৰ্চিতপদা
জগন্নাথ, স্বামী নয়ন পথগামী ভৱতু মে।।
ভূজে সব্যে বেনুং শিৰশি শিখিপুচ্ছং কটিতটে
দুকুল নেত্ৰান্তে সহচৰ - কটাক্ষং বিনিময়ন।
সদা শ্ৰীমদবৃন্দাবন বসতি লীলা পৰিচয়ো
জগন্নাথঃ স্বামী নয়ন পথগামী ভৱতু মে।।

অৰ্থাৎ যমুনা নদীৰ পাৰৰ সেউজীয়া বননিত বাঁহীৰ কোমল স্বৰত আত্ম বিভূৰ হৈ থকা, ভ্ৰমৰৰ দৰে গোপীসকলৰ পদ্ম কোমল মুখ কমলৰ সৌন্দৰ্য উপভোগ কৰ্তা, লক্ষ্মী, মহাদেৱ, ব্ৰহ্মা, ইন্দ্ৰ গণেশ সকলোৱে যাৰ চৰণত প্ৰণাম কৰে, সেইজন জগন্নাথ মোৰ নয়নত সদায় জিলিকি থাকক। মই চকু মেলিলেই যেন জগন্নাথ মই চকু মেলিলেই যেন জগন্নাথ প্ৰভুৰ দৰ্শন পাওঁ।

যাৰ বাওঁহাতত বাঁহী, মূৰত মৌৰাৰ পাখিৰ মুকুট কঁকালত পিট বস্ত্ৰ, যিজনে চকুৰ কোণেৰে তেঁওৰ সখা সখী সকললৈ মৰমৰ চাৱনিয়ে নিৰীক্ষণ কৰে, যি সদায় বৃন্দাবনত বাস কৰি লীলা কৰে, বুলি জগতত সৰ্বজন বিদিত সেইজন জগন্নাথ মোৰ নয়নৰ পথগামী হওক, মোৰ দৃষ্টিৰ পৰা যেন আঁতৰি নাযায়।

ওঁ পাশাক্ষা মালিকাম্ভোজ সৃণিভিৰ্যাম সৌম্যয়োঃ।
পদ্মাসনস্থাং ধ্যায়েচ্চ শিয়ং ত্ৰৈলোক্য মাতৰম।
ৰৌক্মপদ্ম ব্যগ্ৰ কৰাং বৰদাং দক্ষিণেনতু।।

অৰ্থাৎ - যি গৰাকী মাতৃ শান্ত ৰূপত পদ্ম আসনত বিৰাজিত, হাতত পাশ অৰ্থাৎ মায়াৰ পৰা মুক্ত কৰি মৰমৰ পাশেৰে বান্ধে, মালা, পদুম অঙ্কুশ লৈ স্বৰ্ণৰ দৰে ৰূপৰ শোভা প্ৰাপ্ত, সোঁ হাতে ভক্তক অভয় প্ৰদানৰ লগতে বৰদান দি আছে সেই তিনিও লোকৰ মাতৃ লক্ষ্মীকে মই ধ্যানত স্মৰণ কৰিছো। তুমি পাবিত্ৰ, শান্ত,দয়া স্থাপিত।

লক্ষ্মী পুৰাণৰ আধাৰিত জগন্নাথ আৰু লক্ষ্মী দেৱীৰ এটা কাহিনী পোৱা যায়। আঘোণ মাহৰ বা মাৰ্গশিস মাহৰ বৃহস্পতি বাৰে দেৱী লক্ষ্মী আয়ে মৰ্ত্যলোকত ফুৰিবলৈ আহিছিল লক্ষ্মী দেৱীয়ে চাব বিচাৰিছিল তেওঁকনো নিষ্ঠাৰে পুজা অৰ্চনা কৰা মানুহ আছেনে নাই।

মত্যলোকত যেতিয়া লক্ষ্মী দেৱীয়ে বিচৰণ কৰে তেতিয়া তেওঁ লক্ষ্য কৰিলে, তেওঁ দেখিলে যে শ্ৰীয়া নামৰ এগৰাকী চাণ্ডাল মহিলাই ঘৰ দুৱাৰ পৰিষ্কাৰ পৰিচন্ন কৰি , ঘৰ দুৱাৰ মচি ব্ৰতাচাৰ আল্পনা অংকন কৰি লক্ষ্মী দেৱীৰ পুজাৰ প্ৰস্তুতি কৰিছিল। যি সময়ত অধ্যাৰন্ত, লোক সকল টোপনিত আছিল।স্ৰীয়া চাণ্ডালনিৰ শান্ত, সৌম্য আন্তঃ কৰণ ভক্তি দেখি লক্ষ্মী দেৱীৰ সন্তুষ্ট চিত্তে শ্ৰীয়াৰ গৃহত প্ৰৱেশ কৰি শ্ৰীয়াক আশীৰ্বাদ প্ৰদান কৰে।

লক্ষ্মী পুৰাণত কৈছে
'ভক্তিৰেৰ গৰীয়সী ন জাতিঃ ন কুলম।
য়ত্ৰ ভক্তিঃ তত্ৰ লক্ষ্মীঃ তত্ৰৈব জগন্নাথঃ।
জগন্নাথঃ স্বামী নয়ন পথগামী ভৱতু মে।।

অৰ্থাৎ জাতি কুলতকৈ ভক্তি ডাঙৰ, য'ত ভক্তি আছে তাতেই লক্ষ্মী বিৰাজিত আৰু তাতেই জগন্নাথ মহাপ্ৰভু অন্তৰ্নিহিত হৈ আছে।

মা লক্ষ্মীয়ে যেতিয়া শ্ৰীয়া চণ্ডালনীৰ গৃহত প্ৰৱেশ কৰা দেখিলে বলভদ্ৰৰ সীমাহীন খং উঠিল, কেনেকৈ অস্পৃশ্য চণ্ডালনীৰ গৃহত লক্ষ্মী প্ৰৱেশ কৰিলে, চণ্ডালনীৰ ঘৰত প্ৰবেশ কৰি লক্ষ্মীও অপবিত্ৰ হৈ পৰিছে,তেওঁ লগে লগে জগন্নাথ আদেশ দিলে যে লক্ষ্মী মন্দিৰত সোমাব বিচাৰিলে মন্দিৰত প্ৰৱেশ কৰিবলৈ দিব নালাগে। ককায়েক বলভদ্ৰৰ কথা শুনি আদেশ অনুসৰি জগন্নাথে লক্ষ্মী দেৱীক সিংহ দুৱাৰতে বাধা দি তেওঁক ত্যাগ কৰা বুলি জানিবলৈ দিয়ে।



*হিন্দু ধৰ্মত মা লক্ষ্মী এগৰাকী অতি পৱিত্ৰ আৰু শ্ৰদ্ধেয় দেৱী হিচাপে পৰিচিত। তেওঁক ধন-সম্পদ, সমৃদ্ধি, সৌভাগ্য, সৌন্দৰ্য, উৰ্বৰতা আৰু জ্ঞানৰ দেৱী হিচাপে পূজা কৰা হয়। তেওঁৰ নামৰ শিপা সংস্কৃত শব্দ 'লক্ষ' আৰু লক্ষণৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে কোনো কথা গভীৰভাৱে নিৰীক্ষণ কৰা, লক্ষ্য কৰা বা ভালদৰে চোৱা। এই শব্দৰ মাজত তেওঁৰ স্বৰূপৰ গভীৰ তাৎপৰ্য লুকাই আছে...*

লক্ষ্মী পুৰানে কৈছে -
'ক্ৰধো বলোভাদ্ৰোহব্ৰৱীত জগন্নাথং প্ৰতি।
চণ্ডালগৃহং গত্বা সা অশুদ্ধাজাতা লক্ষ্মীঃ।
ন প্ৰৱেষ্টব্যা মন্দিৰে সা পুনঃ কদাচন ।।

লক্ষ্মী দেৱীয়ে জগন্নাথ মহাপ্ৰভুৰ কাৰ্য্যত অত্যন্ত দুঃখিতা আৰু ক্ৰোধান্বিত হৈ জগন্নাথ মন্দিৰ পৰিত্যাগ কৰিলে । তেওঁ মনতে প্ৰভু জগন্নাথ আৰু বলোভদ্ৰক এটা আত্মিক শিক্ষা দিয়াৰ সিদ্ধান্ত লয়। তেওঁ উত্তেজিত হৈ তেঁওলোকক অভিশাপ প্ৰদান কৰে।

ক্ৰুদ্ধা লক্ষ্মীৰুৱাচ
ভক্তিৰেৰ গৰীয়সী ন জতিঃ ন কুলম।।
যাৰত চণ্ডালহস্তেন অন্নং ন ভোক্ষথ্যঃ।
তাৰত ক্ষুধয়া পীড়িতৌ ভৰিষ্যথঃ।।

অৰ্থাৎ মোৰ অবিহনে তোমালোকে খাবলৈ অন্ন আৰু পিবলৈ এটোপাল পানীও নাপাবা। যেতিয়ালৈকে তোমালোকে চণ্ডালৰ হাতৰ পৰা অন্নগ্ৰহণ নকৰিবা তেতিয়ালৈকে তোমালোকৰ ভোক পিয়াহ আঁতৰ নহ'ব। শ্ৰী লক্ষ্মী দেৱী খঙতে মন্দিৰৰ পৰা এই অভিশাপ দি আঁতৰি গল। দেৱী লক্ষ্মী আই আঁতৰ হৈ যোৱাৰ লগে লগে মন্দিৰৰ শ্ৰী হীন হৈ পৰিল। লক্ষ্মী হৈছে অন্ন আৰু ঐশ্বৰ্যৰ গৰাকী। মন্দিৰৰ সকলো ঐশ্বৰ্য, ধন, ধান, খাদ্য সৌন্দৰ্য সকলো লোপ পালে। জগন্নাথ মহাপ্ৰভু আৰু বলোভদ্ৰ মত্য লোকত ভোকে পিয়াহে আতুৰ হৈ ফুৰিব ধৰিলে, কৰবাত খাদ্য সম্ভাৰ বা পানী পালেও তেওঁলোকৰ স্পৰ্শ মাত্ৰেই চায়া ময়া হৈ অদৃশ্য হৈ পৰিব ধৰিলে। ভিক্ষা বিচাৰিলেও ভিক্ষা নোপোৱা হল। জগন্নাথ আৰু বলোভদ্ৰৰ আত্মসোচন আহিবলৈ ধৰিলে, তেওঁলোকে নিজৰ ভুল বুজি পাই হাতযোৰ কৰি লক্ষ্মীৰ প্ৰতি কবলৈ ধৰিলে, ক্ষমা খুজিবলৈ ধৰিলে -

ক্ষমস্ব মাতঃ অপৰাধং নঃ।
জাতিভেদং ত্যাজ্যায়ঃ সৰ্ব্বং ভক্তিং জানামঃ পৰম।
পুনঃ আগচ্ছ মন্দিৰং, শ্ৰীয়ং দেহি পুনঃ প্ৰভো।
মহাপ্ৰসাদেন ভেদোহন্তি সৰ্বে সমাঃ ভৱিষ্যন্তি।।

তেওঁলোকে লক্ষ্মী দেৱীক এইদৰে কাতৰ প্ৰাৰ্থনা জনালে - আমাৰ অপৰাধ ক্ষমা কৰা, জাতিভেদ আমি ত্যাগ কৰিলো, ভক্তি যে ডাঙৰ সেই কথা আমাৰ বোধগম্য হ'ল। তুমি ঐশ্বৰ্যৰ অধিকাৰী তুমি পুণৰ মন্দিৰলৈ আহা, আজিৰ পৰা আমাৰ প্ৰসাদ মহাপ্ৰসাদ ৰূপে খ্যাত হ'ব।ব্ৰাহ্মণ চণ্ডাল সকলোৱে একেলগে প্ৰসাদ গ্ৰহণ কৰিব। দেৱী লক্ষ্মী পুনৰ মন্দিৰলৈ ঘূৰি আহিবলৈ সন্মত হ'ল আৰু তেতিয়াৰ পৰাই লক্ষ্মীদেৱীৰ মহিমাত শ্ৰীজগন্নাথ মন্দিৰত জাত-পাতৰ কোনো প্ৰাচীৰ নাই, জগন্নাথৰ প্ৰসাদ মহাপ্ৰসাদ ৰূপে পৱিত্ৰতাৰে গ্ৰহণ কৰি আহিছে।

# ধন-সম্পদৰ অধিষ্ঠাত্ৰী দেৱী মা লক্ষ্মী

**হিমাংশু ৰঞ্জন ভূঞা**

হিন্দু ধৰ্মত মা লক্ষ্মী এগৰাকী অতি পৱিত্ৰ আৰু শ্ৰদ্ধেয় দেৱী হিচাপে পৰিচিত। তেওঁক ধন-সম্পদ, সমৃদ্ধি, সৌভাগ্য, সৌন্দৰ্য, উৰ্বৰতা আৰু জ্ঞানৰ দেৱী হিচাপে পূজা কৰা হয়। তেওঁৰ নামৰ শিপা সংস্কৃত শব্দ 'লক্ষ্' আৰু লক্ষণৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে কোনো কথা গভীৰভাৱে নিৰীক্ষণ কৰা, লক্ষ্য কৰা বা ভালদৰে চোৱা। এই শব্দৰ মাজত তেওঁৰ স্বৰূপৰ গভীৰ তাৎপৰ্য লুকাই আছে। তেওঁ জীৱনৰ উদ্দেশ্য আৰু লক্ষ্যক বুজি পোৱাৰ প্ৰতীক। তেওঁৰ নামৰ সৈতে জড়িত আন এটা শব্দ লক্ষণৰ অৰ্থ হৈছে শুভ চিন, ভাগ্য বা মংগল। এই নামবোৰে তেওঁৰ বহুমুখী স্বভাৱক প্ৰতিফলিত কৰে। তেওঁ জীৱনৰ সকলো দিশত শুভতা, সমৃদ্ধি আৰু সৌন্দৰ্যৰ প্ৰতিশ্ৰুতি আনে। ভক্তসকলে তেওঁৰ পূজাৰ জৰিয়তে কেৱল পাৰ্থিৱ ধন-সম্পদৰ বাবেই নহয়, আধ্যাত্মিক উন্নতি, জ্ঞান আৰু জীৱনৰ গভীৰ অৰ্থৰ সন্ধানৰ বাবেও প্ৰাৰ্থনা কৰে। তেওঁৰ প্ৰতিচ্ছৱি হিন্দু সংস্কৃতিৰ এক অপৰিহাৰ্য অংশ। তেওঁক প্ৰায়ে পদুম ফুলৰ ওপৰত বহি থকা বা থিয় হৈ থকা অৱস্থাত, ৰঙা বস্ত্ৰ পৰিধান কৰা, সোণৰ গহনাৰে সজ্জিত আৰু বগা হাতীৰ কাযত চিত্ৰিত কৰা হয়। তেওঁৰ চাৰিখন হাতে জীৱনৰ চাৰিটা মুখ্য লক্ষ্য— ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ প্ৰতীক। এই প্ৰতীকীতাৰ জৰিয়তে তেওঁ জীৱনৰ ভৌতিক আৰু আধ্যাত্মিক দিশৰ মাজত সন্তুলনৰ গুৰুত্বৰ কথা সোঁৱৰাই দিয়ে। তেওঁৰ এই প্ৰতিচ্ছৱিয়ে হিন্দু ঘৰ-বাৰী আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত শোভা পায়, য'ত তেওঁক সমৃদ্ধিৰ প্ৰতীক হিচাপে পূজা কৰা হয়। তেওঁৰ এই ৰূপে কেৱল ধৰ্মীয় তাৎপৰ্যই নহয়, ভাৰতীয় সংস্কৃতিৰ নান্দনিক আৰু সামাজিক মূল্যবোধকো প্ৰকাশ কৰে।

মা লক্ষ্মীৰ উৎপত্তি আৰু ধৰ্মীয় তাৎপৰ্যৰ শিপা প্ৰাচীন বৈদিক সাহিত্যত গভীৰভাৱে প্ৰোথিত। যদিও প্ৰাচীন বৈদিক গ্ৰন্থত তেওঁৰ নাম স্পষ্টভাৱে উল্লেখিত নহয়, তথাপি শ্ৰী শব্দৰ জৰিয়তে তেওঁৰ স্বৰূপৰ এক আভাস পোৱা যায়। শ্ৰী শব্দৰ অৰ্থ হৈছে মহিমা, গৌৰৱ, সমৃদ্ধি আৰু উচ্চ পদৱী। প্ৰাচীনকালত এই শব্দটো প্ৰায়ে ৰজাৰ সৈতে জড়িত আছিল, যিয়ে সমৃদ্ধি আৰু ক্ষমতাৰ প্ৰতীক আছিল। পৰৱৰ্তী সময়ত, বিশেষকৈ শ্ৰী-সূক্তমৰ দৰে গ্ৰন্থত, এই শব্দটোৱে শ্ৰী-লক্ষ্মী নামৰ এগৰাকী দেৱীৰূপে পৰিণতি লাভ কৰে। এই গ্ৰন্থত তেওঁক ধন-সম্পদ, উৰ্বৰতা, সৌভাগ্য আৰু প্ৰাচুৰ্যৰ দেৱী হিচাপে বৰ্ণনা কৰা হৈছে। মহাকাব্যৰ যুগত, প্ৰায় খ্ৰীষ্টপূৰ্ব ৪০০ৰ আশে-পাশে, তেওঁৰ গুৰুত্ব আৰু অধিক বৃদ্ধি পায়। এই সময়ত তেওঁক ভগৱান বিষ্ণুৰ সহধৰ্মিনী হিচাপে স্থান দিয়া হয়। এই ভূমিকাত তেওঁক আদৰ্শ হিন্দু পত্নীৰ প্ৰতীক হিচাপে দেখা যায়, যিয়ে স্বামীৰ প্ৰতি অটল ভক্তি, আনুগত্য আৰু নিষ্ঠাৰ উদাহৰণ দাঙি ধৰে। বিষ্ণুৰ প্ৰতিটো অৱতাৰৰ সৈতে তেওঁ একো এক স্বৰূপত অৱতীৰ্ণ হৈছে। ৰামৰ সৈতে সীতাৰূপে, কৃষ্ণৰ সৈতে ৰাধা বা ৰুক্মিণীৰূপে। এই সম্পৰ্কৰ জৰিয়তে তেওঁ হিন্দু পৌৰাণিক কাহিনীত এক কেন্দ্ৰীয় চৰিত্ৰ হিচাপে প্ৰতিষ্ঠিত হয়। তেওঁৰ এই ভূমিকা কেৱল পৌৰাণিক নহয়, ই হিন্দু সমাজৰ সামাজিক আৰু ধৰ্মীয় মূল্যবোধৰ সৈতেও গভীৰভাৱে সংযুক্ত। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ সকলো দিশত শুভতা আৰু সমৃদ্ধিৰ আশা কৰে আৰু তেওঁৰ দেৱীত্বৰ প্ৰতি তেওঁলোকৰ গভীৰ শ্ৰদ্ধা প্ৰকাশ পায়। তেওঁৰ এই ধৰ্মীয় তাৎপৰ্য ভাৰতীয় সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে, যি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ চলি আহিছে।

মা লক্ষ্মীক প্ৰায়ে পদুম ফুলৰ ওপৰত বহি বা থিয় হৈ থকা অৱস্থাত চিত্ৰিত কৰা হয়, যঅত তেওঁৰ হাতত পদুম ফুল থাকে। পদুম হিন্দু ধৰ্মত এক গভীৰ প্ৰতীক। ই বিশুদ্ধতা, জ্ঞান আৰু মুক্তিৰ প্ৰতিনিধিত্ব কৰে। পদুম ফুলে যেনেকৈ লেতেৰা পানীতো নিজৰ বিশুদ্ধতা বজাই ৰাখে, তেনেকৈ মা লক্ষ্মীয়েও জীৱনৰ দুষ্কৰ পৰিস্থিতিত শুভতা আৰু সমৃদ্ধিৰ প্ৰতীক হিচাপে থিয় দিয়ে। তেওঁৰ চাৰিখন হাতৰ প্ৰতীকী অৰ্থ অতি তাৎপৰ্যপূৰ্ণ। এই হাতবোৰে হিন্দু দৰ্শনৰ চাৰিটা পুৰুষাৰ্থ— ধৰ্ম (নৈতিক জীৱন), অৰ্থ (ধন-সম্পদ), কাম (প্ৰেম আৰু আৱেগিক পৰিপূৰ্ণতা) আৰু মোক্ষ (আত্মজ্ঞান আৰু মুক্তি)ৰ প্ৰতিনিধিত্ব কৰে। এই প্ৰতীকীতাৰ জৰিয়তে তেওঁ জীৱনৰ সকলো দিশৰ সন্তুলনৰ গুৰুত্বৰ কথা সোঁৱৰাই দিয়ে। তেওঁৰ ৰঙা বস্ত্ৰ শক্তি আৰু সমৃদ্ধিৰ প্ৰতীক, সোণৰ গহনাই তেওঁৰ ৰাজকীয়তা প্ৰকাশ কৰে, আৰু বগা হাতীৰ সান্নিধ্যই তেওঁৰ দেৱীত্বৰ মহিমা দৰ্শায়। তেওঁৰ এই প্ৰতিচ্ছবি হিন্দু ঘৰ-বাৰী আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত শোভা পায়। ঘৰৰ দুৱাৰত বা পূজাৰ ঠাইত তেওঁৰ প্ৰতিমূৰ্তি বা ছবি ৰখা হয়, যঅত তেওঁক সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক হিচাপে পূজা কৰা হয়। এই শিল্পৰূপে কেৱল ধৰ্মীয় তাৎপৰ্যই নহয়, ভাৰতীয় সংস্কৃতিৰ নান্দনিক মূল্যকো প্ৰকাশ কৰে। তেওঁৰ এই চিত্ৰনে হিন্দু ধৰ্মৰ দাৰ্শনিক গভীৰতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ কথা প্ৰতিফলিত কৰে।

মা লক্ষ্মীৰ অসংখ্য নামে তেওঁৰ বহুমুখী স্বৰূপৰ পৰিচয় দিয়ে। তেওঁক শ্ৰী, পদ্ম, কমলা, পদ্মপ্ৰিয়া, পদ্মমুখী, পদ্মহস্ত, নাৰায়ণী, বৈষ্ণৱী, বিষ্ণুপ্ৰিয়া, নন্দিকা আদি নামেৰে জনা যায়। এই নামবোৰৰ প্ৰতিটোৱে তেওঁৰ বিভিন্ন গুণ আৰু ভূমিকাৰ পৰিচয় দিয়ে। শ্ৰী নামে তেওঁৰ উজ্জ্বলতা আৰু মহিমা প্ৰকাশ পায়, পদ্ম নামে তেওঁৰ বিশুদ্ধতা আৰু সৌন্দৰ্য আৰু নাৰায়ণী নামে তেওঁৰ বিষ্ণুৰ সৈতে অটুট সম্পৰ্কৰ কথা বুজা যায়। শাক্ত পৰম্পৰাত তেওঁক ললিতা হিচাপেও গণ্য কৰা হয়, যঅত তেওঁৰ সহস্ৰনামত হাজাৰ নামেৰে প্ৰশংসা কৰা হয়। তেওঁৰ আন কিছুমান নামৰ ভিতৰত ঐশ্বৰ্য, অনাঘা, অৰুণা, হৰিপ্ৰিয়া, হিৰণ্যবৰ্ণ, ইন্দিৰা, জলজা, কল্যাণী, ৰাধা, ৰুক্মিণী, সীতা আদি অন্তৰ্ভুক্ত। এই নামবোৰে তেওঁৰ বহুমুখীতাৰ কথা কয়— তেওঁ কেৱল ধনৰ দেৱী নহয়, জ্ঞান, সৌন্দৰ্য, শক্তি আৰু আধ্যাত্মিকতাৰো প্ৰতিনিধি। এই নামবোৰৰ জৰিয়তে ভক্তসকলে তেওঁৰ বিভিন্ন ৰূপৰ সৈতে সংযোগ স্থাপন কৰে। প্ৰতিটো নামৰ পিছত তেওঁৰ একেকটা গুণৰ কথা প্ৰকাশ পায়, যেনে তেওঁৰ কমলা নামে তেওঁৰ পদুমৰ সৈতে সম্পৰ্ক, আৰু বিষ্ণুপ্ৰিয়া নামে তেওঁৰ বিষ্ণুৰ প্ৰতি অটল ভক্তিৰ কথা বুজায়। এই নামবোৰ হিন্দু ধৰ্মৰ স্তোত্ৰ আৰু সূত্ৰত বাৰে বাৰে উল্লেখিত, যি তেওঁৰ সৰ্বব্যাপী উপস্থিতিৰ প্ৰমাণ। ভক্তসকলে এই নামবোৰৰ জৰিয়তে তেওঁৰ সৈতে গভীৰ আধ্যাত্মিক সংযোগ অনুভৱ কৰে আৰু তেওঁৰ কৃপাৰ বাবে প্ৰাৰ্থনা কৰে।

পুৰাণত তেওঁৰ জন্মৰ কাহিনীত কোৱা হৈছে যে তেওঁ ক্ষীৰসাগৰৰ মন্থনৰ সময়ত উদ্ভৱ হৈছিল। দেৱতা আৰু অসুৰৰ মাজত সাগৰ মন্থনৰ সময়ত তেওঁ পদুম ফুলৰ ওপৰত প্ৰকাশ পাইছিল। এই কাহিনীৰ জৰিয়তে তেওঁক সমৃদ্ধি আৰু সৌভাগ্যৰ উৎস হিচাপে দেখুওৱা হৈছে। তেওঁৰ এই উৎপত্তিৰ কাহিনীয়ে প্ৰকৃতি আৰু দেৱত্বৰ মিলনৰ কথা প্ৰকাশ কৰে। তেওঁক প্ৰজাপতিৰ মুখৰ পৰা জন্মগ্ৰহণ কৰা দেৱী হিচাপেও বৰ্ণনা কৰা হৈছে, যিয়ে বিশ্বব্ৰহ্মাণ্ডৰ বাসিন্দাসকলক খাদ্য, বস্ত্ৰ, আশ্ৰয় আৰু জীৱনৰ সকলো সুখ-সুবিধা প্ৰদান কৰে। এই কাহিনীবোৰে তেওঁৰ মাতৃসুলভ গুণৰ কথা প্ৰকাশ কৰে। তেওঁ জীৱনৰ সকলো প্ৰয়োজনৰ পূৰণকাৰী হিচাপে থিয় দিয়ে। তেওঁৰ এই পৌৰাণিক কাহিনীসমূহে হিন্দু ধৰ্মৰ গভীৰ দাৰ্শনিক আৰু আধ্যাত্মিক তাৎপৰ্যক প্ৰতিফলিত কৰে। তেওঁৰ জন্মৰ কাহিনীৰ জৰিয়তে জীৱনৰ শুভতা আৰু সমৃদ্ধিৰ উৎসৰ কথা প্ৰকাশ পায়। তেওঁৰ এই কাহিনীসমূহে ভক্তসকলক জীৱনৰ গভীৰ অৰ্থৰ সন্ধানৰ প্ৰেৰণা দিয়ে। তেওঁৰ পৌৰাণিক কাহিনীত তেওঁক কেৱল ধনৰ দেৱী হিচাপেই নহয়, জীৱনৰ সকলো শুভ গুণৰ প্ৰতিনিধি হিচাপেও দেখা যায়। এই কাহিনীসমূহে হিন্দু ধৰ্মৰ সাংস্কৃতিক আৰু ধৰ্মীয় গভীৰতাৰ কথা প্ৰকাশ কৰে।

মা লক্ষ্মীৰ সৈতে বিষ্ণুৰ সম্পৰ্ক হিন্দু ধৰ্মৰ এক কেন্দ্ৰীয় দিশ। তেওঁক বিষ্ণুৰ অৰ্ধাংগিনী বা সহধৰ্মিণী হিচাপে গণ্য কৰা হয়। বিষ্ণুৰ প্ৰতিটো অৱতাৰত তেওঁ তেওঁৰ সৈতে সহধৰ্মিণীৰূপে অৱতীৰ্ণ হৈছে— ৰামৰ সৈতে সীতাৰূপে, কৃষ্ণৰ সৈতে ৰাধা বা ৰুক্মিণীৰূপে। এই সম্পৰ্কৰ জৰিয়তে তেওঁ হিন্দু পৰম্পৰাত আদৰ্শ পত্নীৰ ভূমিকা পালন কৰে। তেওঁ স্বামীৰ প্ৰতি অটল ভক্তি আৰু নিষ্ঠাৰ প্ৰতীক। তেওঁৰ এই ভূমিকা কেৱল পৌৰাণিক নহয়, ই হিন্দু সমাজৰ সামাজিক মূল্যবোধৰ সৈতেও সংযুক্ত। তেওঁৰ বিষ্ণুৰ সৈতে থকা সম্পৰ্কত তেওঁৰ চঞ্চল স্বভাৱৰ বিপৰীতে বিষ্ণুৰ ধৈৰ্যশীল আৰু স্থিৰ স্বভাৱৰ এক সুন্দৰ সন্তুলন দেখা যায়। পৌৰাণিক কাহিনীত কোৱা হৈছে যে লক্ষ্মীৰ চঞ্চলতাৰ বাবেই তেওঁ এঠাইত স্থিৰ হৈ নাথাকে। কিন্তু বিষ্ণুৰ শান্ত আৰু গম্ভীৰ স্বভাৱৰ সান্নিধ্যত তেওঁ স্থিৰতা লাভ কৰে। এই দ্বৈততাৰ জৰিয়তে জীৱনৰ গতিশীলতা আৰু স্থিৰতাৰ মাজৰ সম্পৰ্কৰ কথা প্ৰকাশ পায়। ভক্তসকলে বিশ্বাস কৰে যে বিষ্ণুৰ পূজাৰ জৰিয়তে লক্ষ্মীৰ কৃপা লাভ কৰাটো সহজ হয়। তেওঁ বিষ্ণুৰ অধীনত থাকে আৰু তেওঁৰ সৈতে অটুটভাৱে জড়িত। এই সম্পৰ্কৰ জৰিয়তে হিন্দু ধৰ্মত স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ পৱিত্ৰতা আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ কথা প্ৰকাশ পায়। তেওঁৰ এই ভূমিকা হিন্দু সমাজৰ পৰিয়াল জীৱনৰ মূল্যবোধৰ সৈতে গভীৰভাৱে সংযুক্ত। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে পৰিয়ালৰ সুখ-সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰে।

পৌৰাণিক কাহিনীত কোৱা হৈছে যে তেওঁৰ এই চঞ্চলতাৰ বাবেই তেওঁ এঠাইত স্থিৰ হৈ নাথাকে। ব্ৰহ্মাদেৱৰ মতে, যদি লক্ষ্মী কাৰোবাৰ ঘৰত স্থায়ীভাৱে থাকে, তেন্তে সেই ব্যক্তি অভিমানত অহংকাৰী হৈ কুকৰ্মত লিপ্ত হঅব পাৰে। সেয়ে তেওঁক চঞ্চল মন দিয়া হৈছে। তেওঁ ভক্তৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ ঘৰত থাকে বা নাথাকে। এই চঞ্চলতাৰ জৰিয়তে জীৱনৰ অস্থায়িত্বৰ কথা প্ৰকাশ পায়। তেওঁৰ এই স্বভাৱৰ বিপৰীতে বিষ্ণুৰ স্থিৰ আৰু শান্ত স্বভাৱে জীৱনৰ সন্তুলনৰ প্ৰতীক। ভক্তসকলে বিশ্বাস কৰে যে লক্ষ্মীৰ কৃপা লাভ কৰিবলৈ বিষ্ণুৰ পূজা অতি গুৰুত্বপূৰ্ণ। তেওঁ বিষ্ণুৰ সৈতে অটুটভাৱে জড়িত। এই বিশ্বাসৰ জৰিয়তে হিন্দু ধৰ্মত ধৰ্ম আৰু কৰ্মৰ গুৰুত্বৰ কথা প্ৰকাশ পায়। তেওঁৰ চঞ্চলতাৰ মাজতো তেওঁৰ মাতৃসুলভ গুণে ভক্তসকলক সদায় আশীৰ্বাদ দিয়ে। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ সকলো দিশত সমৃদ্ধি আৰু শুভতাৰ আশা কৰে। তেওঁৰ এই চঞ্চল স্বভাৱে জীৱনৰ অস্থায়িত্বৰ কথা সোঁৱৰাই দিয়ে, আৰু তেওঁৰ কৃপা লাভৰ বাবে নৈতিক জীৱন আৰু কৰ্মৰ গুৰুত্বৰ ওপৰত গুৰুত্ব দিয়ে।

অষ্টলক্ষ্মী ৰূপ তেওঁৰ বহুমুখী স্বৰূপৰ এক অনন্য প্ৰকাশ। শাস্ত্ৰত কোৱা হৈছে যে তেওঁৰ আঠটা স্বৰূপ— আদিলক্ষ্মী, ধনলক্ষ্মী, ধান্যলক্ষ্মী, গজলক্ষ্মী, সন্তানলক্ষ্মী, বীৰলক্ষ্মী, বিজয়লক্ষ্মী আৰু বিদ্যালক্ষ্মী। জীৱনৰ বিভিন্ন দিশৰ প্ৰতিনিধিত্ব কৰে। আদিলক্ষ্মী বা মহালক্ষ্মী সৃষ্টিৰ আদি শক্তিৰ প্ৰতীক। তেওঁ জীৱনৰ উৎপত্তি আৰু সঞ্চালনৰ কাম কৰে। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে লোক-পৰলোকত সুখ-সম্পদৰ প্ৰাপ্তিৰ আশা কৰে। ধনলক্ষ্মী ধন-সম্পদৰ দেৱী। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে আৰ্থিক সমৃদ্ধি আৰু ঋণৰ পৰা মুক্তি লাভ কৰে। ধান্যলক্ষ্মী অন্ন-সম্পদৰ দেৱী। তেওঁৰ পূজাৰ জৰিয়তে ঘৰত অন্নৰ ভাণ্ডাৰ পূৰ্ণ হয়। গজলক্ষ্মী কৃষি আৰু শস্যৰ দেৱী। কৃষকসকলে তেওঁৰ পূজা বিশেষভাৱে কৰে। সন্তানলক্ষ্মী সন্তান সুখৰ প্ৰতীক। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে সন্তান লাভৰ আশীৰ্বাদ বিচাৰে। বীৰলক্ষ্মী সাহস আৰু বীৰত্বৰ দেৱী। তেওঁৰ পূজাৰ জৰিয়তে যুদ্ধত বিজয় আৰু অকাল মৃত্যুৰ পৰা ৰক্ষা পোৱা যায়। বিজয়লক্ষ্মী জয় আৰু সফলতাৰ দেৱী। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে সকলো ক্ষেত্ৰত সফলতা লাভ কৰে। বিদ্যালক্ষ্মী জ্ঞান আৰু বৌদ্ধিক ক্ষমতাৰ দেৱী। তেওঁৰ পূজাৰ জৰিয়তে বৌদ্ধিক ক্ষমতা বৃদ্ধি পায়। এই আঠটা ৰূপৰ পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ বিভিন্ন দিশত সমৃদ্ধি আৰু সফলতাৰ আশীৰ্বাদ বিচাৰে। এই অষ্টলক্ষ্মীৰ ধাৰণাটোৱে তেওঁৰ সৰ্বব্যাপী গুণৰ কথা প্ৰকাশ কৰে। তেওঁ কেৱল ধনৰ দেৱী নহয়, জীৱনৰ সকলো শুভ দিশৰ প্ৰতিনিধি। এই ৰূপবোৰে তেওঁৰ বহুমুখিতাৰ কথা প্ৰকাশ কৰে, আৰু তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ সকলো দিশত শুভতাৰ আশা কৰে।

লক্ষ্মী পূজা হিন্দু ধৰ্মৰ এক গুৰুত্বপূৰ্ণ অংশ। ভক্তসকলে বিশ্বাস কৰে যে তেওঁৰ পূজাৰ জৰিয়তে তেওঁ ঘৰলৈ আহি আশীৰ্বাদ প্ৰদান কৰে। লক্ষ্মীপূজাৰ দিনা ভক্তসকলে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰে, ফুল আৰু পোহৰেৰে সজায় আৰু বিভিন্ন মিঠাই আৰু ভোগ প্ৰস্তুত কৰে। এই পৰম্পৰাৰ জৰিয়তে ভক্তসকলে তেওঁক সন্তুষ্ট কৰি তেওঁৰ কৃপা লাভ কৰিবলৈ চেষ্টা কৰে। তেওঁৰ পূজাৰ মাধ্যমে কেৱল ভৌতিক সমৃদ্ধিৰ বাবেই নহয়, আধ্যাত্মিক উন্নতি আৰু জীৱনৰ শুভতাৰ বাবেও প্ৰাৰ্থনা কৰা হয়। তেওঁৰ পূজাৰ এই পৰম্পৰা ভাৰতীয় সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ এই পৰম্পৰা চলি আহিছে। তেওঁৰ পূজাৰ দিনা ঘৰ-বাৰীত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। ভক্তসকলে তেওঁৰ প্ৰতিমূৰ্তি বা ছবিৰ আগত দীপ জ্বলায়, ফুল আৰু মিঠাই অৰ্পণ কৰে, আৰু মন্ত্ৰ পাঠ কৰে। এই পূজাৰ জৰিয়তে তেওঁলোকে তেওঁৰ কৃপাৰ বাবে প্ৰাৰ্থনা কৰে। তেওঁৰ পূজাৰ মাধ্যমে ভক্তসকলে জীৱনৰ সকলো দিশত শুভতা আৰু সমৃদ্ধিৰ আশা কৰে। তেওঁৰ এই পূজাৰ পৰম্পৰা হিন্দু ধৰ্মৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে।

মা লক্ষ্মীৰ প্ৰভাৱ কেৱল হিন্দু ধৰ্মৰ মাজতে সীমাবদ্ধ নহয়। বৌদ্ধ আৰু জৈন ধৰ্মতো তেওঁৰ উপস্থিতি দেখা যায়। বৌদ্ধ জাতক কাহিনীত তেওঁক দুৰ্ভাগ্যৰ দেৱী কালাকান্নীৰ পৰা ৰক্ষা কৰা দেৱী হিচাপে বৰ্ণনা কৰা হৈছে। জৈন ধৰ্মত তেওঁৰ সৈতে জড়িত প্ৰতীকবোৰ শুভ হিচাপে গণ্য কৰা হয়। এই ধৰ্মসমূহত তেওঁৰ উপস্থিতিয়ে তেওঁৰ সৰ্বজনীন প্ৰভাৱৰ কথা প্ৰকাশ কৰে। তেওঁৰ এই সৰ্বব্যাপীতাৰ জৰিয়তে ভাৰতীয় ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰাৰ গভীৰতা আৰু বৈচিত্ৰ্য প্ৰকাশ পায়। তেওঁৰ পূজাৰ মাধ্যমে ভক্তসকলে কেৱল ধন-সম্পদৰ বাবেই নহয়, জীৱনৰ সকলো শুভ গুণৰ বাবে প্ৰাৰ্থনা কৰে। তেওঁৰ দেৱীত্বৰ প্ৰতি তেওঁলোকৰ গভীৰ শ্ৰদ্ধা প্ৰকাশ পায়। তেওঁৰ এই সাৰ্বজনীন প্ৰভাৱে ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্য আৰু একতাৰ কথা প্ৰকাশ কৰে। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ সকলো দিশত শুভতা আৰু সমৃদ্ধিৰ আশা কৰে। তেওঁৰ এই প্ৰভাৱ হিন্দু ধৰ্মৰ বাহিৰলৈও বিস্তৃত হৈছে, যি তেওঁৰ সৰ্বজনীন গ্ৰহণযোগ্যতাৰ প্ৰমাণ।

প্ৰাচীন ভাৰতৰ শিল্পকলাত, বিশেষকৈ খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ পৰা, তেওঁৰ প্ৰতিচ্ছবি ভাস্কৰ্য আৰু মুদ্ৰাত দেখা যায়। গুপ্ত ৰাজবংশৰ সময়ত তেওঁৰ প্ৰতিচ্ছবি মুদ্ৰাত জনপ্ৰিয় হৈ পৰে। এই শিল্পকলাত তেওঁক পদুমৰ ওপৰত বহি থকা, হাতত পদুম ফুল ধৰি থকা আৰু ৰাজকীয় সাজ-পোছাকত চিত্ৰিত কৰা হৈছে। এই শিল্পৰূপে তেওঁৰ ৰাজকীয়তা আৰু দেৱীত্বৰ কথা প্ৰকাশ কৰে। তেওঁৰ এই শিল্পকলা ভাৰতীয় সংস্কৃতিৰ নান্দনিক মূল্যৰ এক প্ৰতিফলন। তেওঁৰ প্ৰতিচ্ছবিৰ বিবৰ্তনৰ জৰিয়তে ভাৰতীয় শিল্পৰ সমৃদ্ধি আৰু বৈচিত্ৰ্য প্ৰকাশ পায়। তেওঁৰ এই শিল্পৰূপে হিন্দু ধৰ্মৰ দাৰ্শনিক গভীৰতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ কথা প্ৰতিফলিত কৰে। তেওঁৰ প্ৰতিচ্ছবিৰ এই বিবৰ্তন হিন্দু ধৰ্মৰ সৈতে সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাৰ একত্ৰীকৰণৰ প্ৰমাণ।

মা লক্ষ্মীৰ পূজাৰ পৰম্পৰা ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ৰূপত পালন কৰা হয়। উত্তৰ ভাৰতত তেওঁক প্ৰায়ে শ্ৰীদেৱী হিচাপে পূজা কৰা হয় আৰু দক্ষিণ ভাৰতত তেওঁক ভূদেৱীৰ সৈতে পৃথক সত্তা হিচাপে দেখা যায়। এই পৰম্পৰাবোৰে ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্যৰ কথা প্ৰকাশ কৰে। তেওঁৰ পূজাৰ জৰিয়তে ভক্তসকলে জীৱনৰ সকলো দিশত শুভতা আৰু সমৃদ্ধিৰ আশা কৰে। তেওঁৰ এই পৰম্পৰা হিন্দু ধৰ্মৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। তেওঁৰ পূজাৰ মাধ্যমে ভক্তসকলে তেওঁৰ কৃপাৰ বাবে প্ৰাৰ্থনা কৰে, আৰু তেওঁৰ দেৱীত্বৰ প্ৰতি তেওঁলোকৰ গভীৰ শ্ৰদ্ধা প্ৰকাশ পায়। তেওঁৰ এই পূজাৰ পৰম্পৰা ভাৰতীয় সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে।

ফোন ঃ ৯৮৬৪৫-৩৯৯৬৬





**লক্ষ্মী পূজা হিন্দু ধৰ্মৰ এক গুৰুত্বপূৰ্ণ অংশ। ভক্তসকলে বিশ্বাস কৰে যে তেওঁৰ পূজাৰ জৰিয়তে তেওঁ ঘৰলৈ আহি আশীৰ্বাদ প্ৰদান কৰে। লক্ষ্মীপূজাৰ দিনা ভক্তসকলে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰে, ফুল আৰু পোহৰেৰে সজায় আৰু বিভিন্ন মিঠাই আৰু ভোগ প্ৰস্তুত কৰে। এই পৰম্পৰাৰ জৰিয়তে ভক্তসকলে তেওঁক সন্তুষ্ট কৰি তেওঁৰ কৃপা লাভ কৰিবলৈ চেষ্টা কৰে। তেওঁৰ পূজাৰ মাধ্যমে কেৱল ভৌতিক সমৃদ্ধিৰ বাবেই নহয়, আধ্যাত্মিক উন্নতি আৰু জীৱনৰ শুভতাৰ বাবেও প্ৰাৰ্থনা কৰা হয়।**

# লক্ষ্মীপূজাৰ আনন্দ

# বিশ্বাস, সমৃদ্ধি জীৱন-দৰ্শনৰ অনন্য প্ৰকাশ

ড° সীমান্ত বৰুৱা

**শৰতৰ** স্নিগ্ধ আকাশ, শুভ্ৰ কঁহুৱাৰ ঢৌ, নিয়ৰসিক্ত দূবৰি বনৰ কোমল পৰশ আৰু শেৱালিৰ মৃদু সুবাসে প্ৰকৃতিক যেতিয়া এক অনুপম সৌন্দৰ্যৰে সজাই তোলে, তেতিয়া মানুহৰ মনতো জাগি উঠে এক অনিৰ্বচনীয় আনন্দৰ অনুভূতি। প্ৰকৃতিৰ এই নান্দনিক ৰূপান্তৰৰ মাজতেই অসমীয়া সমাজৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনলৈ আগমন ঘটে লক্ষ্মী পূজাৰ। ই কেৱল দেৱী লক্ষ্মীৰ আৰাধনাৰ এক ধৰ্মীয় অনুষ্ঠান নহয়। বৰঞ্চ ই মানুহৰ আশা-আকাংক্ষা, শ্ৰম, বিশ্বাস, নৈতিকতা, পাৰিবাৰিক ঐক্য আৰু সমৃদ্ধিৰ স্বপ্নক এক সূত্ৰত বান্ধি ৰখা এক গভীৰ সাংস্কৃতিক পৰম্পৰা।

শৰতৰ আগমনে প্ৰকৃতিৰ বুকুলৈ যেন নতুন জীৱনৰ বাৰ্তা কঢ়িয়াই আনে। বৰ্ষাৰ সজলতা অতিক্ৰম কৰি প্ৰকৃতি যেতিয়া শান্ত, স্নিগ্ধ আৰু মনোৰম হৈ উঠে, তেতিয়া মানুহৰ মনতো সৃষ্টি হয় নতুন সম্ভাৱনাৰ অনুভৱ। এই পৰিৱেশত লক্ষ্মী পূজাই মানুহৰ জীৱনলৈ আধ্যাত্মিক প্ৰশান্তি, সামাজিক সংহতি আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ প্ৰত্যাশা কঢ়িয়াই আনে। সেয়েহে শৰতৰ লক্ষ্মী পূজা প্ৰকৃতি, বিশ্বাস আৰু মানৱীয় মূল্যবোধৰ এক অপূৰ্ব সমন্বয়। প্ৰকৃতিৰ প্ৰতিটো ঋতুৰে এক সুকীয়া ভাষা আছে। বসন্তই যদি প্ৰেম আৰু নৱজাগৰণৰ বাণী কঢ়িয়াই আনে, তেন্তে শৰতৰ ভাষা হৈছে শান্তি, পৱিত্ৰতা আৰু প্ৰশান্তিৰ। নীলা আকাশত বগা মেঘৰ ভাঁজ, পথাৰৰ সেউজীয়া আভা, পুখুৰীৰ পানীত প্ৰতিফলিত জোনাক আৰু শেৱালিৰ শুভ্ৰ কমলা আভাই মানুহৰ মনত এক অনন্য অনুভূতিৰ জন্ম দিয়ে। এই প্ৰাকৃতিক পৰিৱেশত লক্ষ্মীপূজাৰ আগমনে উৎসৱৰ সৌন্দৰ্যক অধিক অৰ্থৱহ কৰি তোলে। ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰা, চোতালত আলপনা আঁকা, পূজাৰ বেদী সজোৱা, ফুল আৰু তুলসীৰে পূজাস্থলী সুশোভিত কৰা আদি সকলোবোৰ কাৰ্যৰ মাজত নিহিত হৈ থাকে সৌন্দৰ্যবোধ, পৰিচ্ছন্নতা আৰু শৃংখলাবোধৰ শিক্ষা। প্ৰকৃতিৰ এই ৰূপান্তৰ আৰু মানুহৰ উৎসৱমুখৰ প্ৰস্তুতিৰ মাজত এক গভীৰ সম্পৰ্ক আছে। মানুহ প্ৰকৃতিৰ পৰা বিচ্ছিন্ন কোনো সত্তা নহয়। বৰঞ্চ প্ৰকৃতিৰ বুকুতেই মানুহৰ জীৱন, জীৱিকা আৰু সংস্কৃতিৰ বিকাশ ঘটিছে। লক্ষ্মী পূজাৰ আনন্দই এই চিৰন্তন সম্পৰ্কক পুনৰ স্মৰণ কৰাই দিয়ে।

ভাৰতীয় ধৰ্মীয় পৰম্পৰাত দেৱী লক্ষ্মীক ধন-সম্পদ, সৌভাগ্য, ঐশ্বৰ্য আৰু মংগলৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। পৰম্পৰাগত বিশ্বাস অনুসৰি, দেৱী লক্ষ্মীৰ কৃপাই মানুহৰ জীৱনলৈ সুখ-শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনে। কিন্তু লক্ষ্মীপূজাৰ প্ৰকৃত তাৎপৰ্য কেৱল আৰ্থিক সম্পদ আহৰণৰ আকাংক্ষাৰ মাজতে সীমাবদ্ধ নহয়। ইয়াৰ অন্তৰালত নিহিত হৈ আছে জীৱনৰ সমৃদ্ধিৰ এক বহল দাৰ্শনিক ধাৰণা। প্ৰকৃত সমৃদ্ধি বুলিলে আমি কেৱল ধন-সম্পত্তি, মূল্যৱান সামগ্ৰী বা বিলাসিতাক বুজিব নোৱাৰোঁ। এটা পৰিয়ালত যদি পাৰস্পৰিক মৰম, বিশ্বাস, সহমৰ্মিতা আৰু মানসিক প্ৰশান্তি থাকে, তেন্তে সেই পৰিয়াল প্ৰকৃত অৰ্থতে সমৃদ্ধিশালী। একেদৰে এখন সমাজত যদি ন্যায়, সমতা, শিক্ষা, স্বাস্থ্য, নিৰাপত্তা আৰু মানৱীয় মৰ্যাদাৰ পৰিৱেশ থাকে, তেন্তে সেই সমাজকেই প্ৰকৃত উন্নত সমাজ বুলি ক'ব পাৰি। এই দৃষ্টিকোণৰ পৰা লক্ষ্মীপূজাই আমাক এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সন্মুখীন কৰায় যে আমাৰ সমৃদ্ধিৰ ধাৰণা কিমান বহল? আমি কেৱল ব্যক্তিগত সম্পদ বৃদ্ধিৰ কথা চিন্তা কৰোঁনে, নে সমাজৰ প্ৰতিজন ব্যক্তিৰ জীৱনলৈ সুখ আৰু সচ্ছলতা কঢ়িয়াই অনাৰ কথাও ভাবোঁ? দেৱী লক্ষ্মীৰ আৰাধনাৰ প্ৰকৃত শিক্ষা হ'ব পাৰে এনে এখন সমাজ গঢ়ি তোলা, য'ত সম্পদৰ লগতে সততা, পৰিশ্ৰম, দায়িত্ববোধ আৰু মানৱীয়তাৰো সমান মূল্য থাকে।

অসমীয়া সমাজৰ পৰম্পৰাগত জীৱনধাৰা কৃষিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। পথাৰৰ শস্য, গৃহস্থৰ ভঁৰাল, গৰু-ম'হ, কৃষকৰ শ্ৰম আৰু প্ৰকৃতিৰ অনুকূল পৰিৱেশ আদি সকলোবোৰেই গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰ। সেয়েহে লক্ষ্মী পূজাৰ সৈতে কৃষিজীৱন আৰু শস্য সমৃদ্ধিৰ এক স্বাভাৱিক সাংস্কৃতিক সম্পৰ্ক গঢ় লৈ উঠিছে।ধান-চাউল, ফল-মূল, ফুল আৰু অন্যান্য কৃষিজাত সামগ্ৰীৰে পূজাৰ প্ৰস্তুতি কৰাৰ মাজত কৃষিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ এক তাৎপৰ্যপূৰ্ণ দিশ নিহিত হৈ আছে। মানুহে উপলব্ধি কৰে যে জীৱনৰ মৌলিক প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত প্ৰকৃতি আৰু কৃষকৰ অৱদান অপৰিসীম। কৃষকৰ ঘাম আৰু পৰিশ্ৰমৰ অবিহনে আমাৰ খাদ্য-নিৰাপত্তা সম্ভৱ নহয়। অথচ বহু সময়ত কৃষকৰ শ্ৰমৰ প্ৰকৃত মূল্য সমাজে যথোচিতভাৱে উপলব্ধি নকৰে। লক্ষ্মী পূজাৰ দৰে উৎসৱে আমাক এই কথা স্মৰণ কৰাই দিব পাৰে যে খাদ্যৰ প্ৰতিটো খাদ্য কণাৰ আঁৰত আছে মাটিৰ সৈতে মানুহৰ সম্পৰ্ক, কৃষকৰ শ্ৰম আৰু প্ৰকৃতিৰ উদাৰতা। সেয়েহে লক্ষ্মীপূজাৰ প্ৰকৃত আনন্দ তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া আমি কৃষকৰ মৰ্যাদা ৰক্ষা কৰিম, খাদ্যৰ অপচয় ৰোধ কৰিম আৰু প্ৰকৃতিৰ সম্পদৰ প্ৰতি দায়িত্বশীল হ'ম।

অসমীয়া সমাজৰ উৎসৱ-পাৰ্বণসমূহ কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠান নহয়। এইবোৰ সামাজিক সম্পৰ্ক সুদৃঢ় কৰা আৰু সাংস্কৃতিক পৰিচয় অটুট ৰখাৰো গুৰুত্বপূৰ্ণ মাধ্যম। লক্ষ্মী পূজাৰ দিনা বহু পৰিয়ালে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি পূজাৰ আয়োজন কৰে। পৰিয়ালৰ সদস্যসকলে একেলগে বিভিন্ন কামত অংশগ্ৰহণ কৰে। কোনোবাই পূজাৰ সামগ্ৰী যোগাৰ কৰে, কোনোবাই নৈবেদ্য প্ৰস্তুত কৰে, আন কোনোবাই ঘৰখন সজাই তোলে। এই সামূহিক প্ৰচেষ্টাই পৰিয়ালৰ সদস্যসকলৰ মাজত সহযোগিতা আৰু আত্মীয়তাৰ অনুভূতি বৃদ্ধি কৰে। ব্যস্ততাপূৰ্ণ আধুনিক জীৱনত যেতিয়া মানুহে ব্যক্তিকেন্দ্ৰিকতা আৰু সময়ৰ অভাৱৰ সৈতে যুঁজিবলগীয়া হৈছে, তেতিয়া এনে উৎসৱে পৰিয়ালক একেলগে বহাৰ, কথা পতাৰ আৰু পৰস্পৰৰ সুখ-দুখৰ অংশীদাৰ হোৱাৰ সুযোগ প্ৰদান কৰে। চুবুৰীয়া আৰু আত্মীয়-স্বজনৰ মাজতো সৌহাৰ্দ্য বৃদ্ধি কৰে। পৰস্পৰৰ ঘৰলৈ যোৱা, শুভেচ্ছা বিনিময় কৰা আৰু সামাজিক সম্পৰ্ক নৱীকৰণ কৰাৰ মাজেৰে সমাজত একাত্মতাৰ





অনুভূতি গঢ় লৈ উঠে।

সমাজতাত্ত্বিক দৃষ্টিৰে চালে, এইবোৰ আচাৰ-অনুষ্ঠানে সমাজৰ সাংস্কৃতিক মূল্যবোধসমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই নিয়ে। শিশুসকলে পৰিয়ালৰ জ্যেষ্ঠসকলৰ পৰা পৰম্পৰা শিকে আৰু তাৰ জৰিয়তে নিজৰ সামাজিক পৰিচয়ৰ সৈতে পৰিচিত হয়। এইদৰে লক্ষ্মী পূজা সামাজিকীকৰণ আৰু সাংস্কৃতিক ধাৰাবাহিকতা ৰক্ষাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপেও বিবেচিত হ'ব পাৰে।

লক্ষ্মীপূজাৰ আলোচনাত নাৰীৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। বহু পৰিয়ালত পূজাৰ প্ৰস্তুতি, ঘৰ পৰিষ্কাৰ কৰা, খাদ্য প্ৰস্তুত কৰা, অতিথি আপ্যায়ন আৰু পৰম্পৰাগত আচাৰ-অনুষ্ঠানৰ ধাৰাবাহিকতা ৰক্ষাৰ ক্ষেত্ৰত নাৰীয়ে মুখ্য ভূমিকা পালন কৰে। কিন্তু এই কামবোৰক বহু সময়ত স্বাভাৱিক পাৰিবাৰিক দায়িত্ব বুলি ধৰি লৈ ইয়াৰ অন্তৰালত থকা শ্ৰম আৰু সময়ৰ মূল্যক যথোচিত স্বীকৃতি দিয়া নহয়। সমাজতাত্ত্বিক দৃষ্টিৰে এই বিষয়টো বিশেষ গুৰুত্বপূৰ্ণ, কিয়নো গৃহস্থালিৰ শ্ৰমেও পৰিয়াল আৰু সমাজৰ অৰ্থনৈতিক তথা সামাজিক জীৱন সচল কৰি ৰাখে। দেৱী লক্ষ্মীক সমৃদ্ধি আৰু মংগলৰ প্ৰতীক হিচাপে পূজা কৰাৰ সময়ত নাৰীৰ প্ৰকৃত মৰ্যাদা, স্বাধীনতা আৰু সমান অধিকাৰৰ কথাও আমি চিন্তা কৰা উচিত। নাৰীক কেৱল গৃহস্থালিৰ দায়িত্বৰ মাজত সীমাবদ্ধ নাৰাখি শিক্ষা, কৰ্মসংস্থান, সিদ্ধান্ত গ্ৰহণ আৰু সামাজিক নেতৃত্বৰ ক্ষেত্ৰতো সমান সুযোগ প্ৰদান কৰাটো প্ৰয়োজন। পূজাৰ বেদীত নাৰীত্বৰ প্ৰতীকক সন্মান জনোৱাৰ লগতে বাস্তৱ জীৱনৰ প্ৰতিগৰাকী নাৰীৰ শ্ৰম, প্ৰতিভা আৰু ব্যক্তিসত্তাক সন্মান কৰাটোৱেই হ'ব প্ৰকৃত মানৱীয় মূল্যবোধৰ প্ৰকাশ।

বৰ্তমান সময়ত প্ৰযুক্তি, নগৰীকৰণ আৰু বজাৰকেন্দ্ৰিক অৰ্থনীতিৰ প্ৰভাৱে আমাৰ উৎসৱ পালনৰ ধৰণ সলনি কৰিছে। আকৰ্ষণীয় সজ্জা, মূল্যৱান সামগ্ৰী, বাহ্যিক আড়ম্বৰ আৰু প্ৰতিযোগিতামূলক প্ৰদৰ্শনৰ প্ৰৱণতা কিছুমান ক্ষেত্ৰত বৃদ্ধি পাইছে। উৎসৱৰ আনন্দ কেতিয়াবা অপ্ৰয়োজনীয় ব্যয় আৰু সামাজিক প্ৰতিযোগিতাৰ মাজত সীমাবদ্ধ হৈ পৰে। কিন্তু উৎসৱৰ প্ৰকৃত তাৎপৰ্য বাহ্যিক আড়ম্বৰত নহয়, বৰঞ্চ অন্তৰৰ পৱিত্ৰতা, সামাজিক সম্প্ৰীতি আৰু মানৱীয় সম্পৰ্কৰ গভীৰতাত নিহিত হৈ থাকে। যি পৰিয়ালে সীমিত সামৰ্থ্যৰ মাজতো আন্তৰিকতাৰে লক্ষ্মীপূজা পালন কৰে, সেই পৰিয়ালৰ আনন্দ কোনো মূল্যৱান সজ্জা বা বিলাসী আয়োজনতকৈ কম নহয়।

আধুনিক সমাজত উৎসৱৰ সৈতে পৰিৱেশ সচেতনতাকো সংযুক্ত কৰা উচিত। প্লাষ্টিকৰ অপব্যৱহাৰ, খাদ্যৰ অপচয় আৰু প্ৰদূষণ সৃষ্টিকাৰী সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰি পৰিৱেশ-অনুকূল উপায়েৰে পূজা পালন কৰিব পাৰি। স্থানীয় ফুল, ফল-মূল আৰু সহজলভ্য সামগ্ৰীৰ ব্যৱহাৰে স্থানীয় উৎপাদকসকলকো সহায় কৰিব পাৰে। এইদৰে পৰম্পৰা আৰু আধুনিকতাৰ মাজত সংঘাত সৃষ্টি নকৰি দুয়োটাৰ মাজত এক সুস্থ সমন্বয় গঢ়ি তোলাই হ'ব সময়ৰ আহ্বান। সমাজত ধন-সম্পদৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। জীৱনৰ মৌলিক প্ৰয়োজন পূৰণ, শিক্ষা লাভ, স্বাস্থ্যৰ যত্ন আৰু নিৰাপদ জীৱন যাপনৰ বাবে অৰ্থনৈতিক সচ্ছলতা প্ৰয়োজন। কিন্তু সম্পদ আহৰণৰ পথ যদি অন্যায়, শোষণ, দুৰ্নীতি আৰু প্ৰতাৰণাৰে পৰিপূৰ্ণ হয়, তেন্তে সেই সম্পদে প্ৰকৃত সুখ কঢ়িয়াই আনিব নোৱাৰে। সেয়েহে লক্ষ্মীপূজাৰ দাৰ্শনিক তাৎপৰ্যৰ সৈতে সততা আৰু নৈতিকতাৰ প্ৰশ্নটো গভীৰভাৱে জড়িত। পৰিশ্ৰমৰ দ্বাৰা উপাৰ্জন কৰা সম্পদ, ন্যায়সংগত ব্যৱহাৰ, দুখীয়া আৰু আৰ্তজনৰ প্ৰতি সহমৰ্মিতা আৰু সামাজিক দায়িত্ববোধ আদিবোৰেই সমৃদ্ধিৰ প্ৰকৃত ভিত্তি। এখন সমাজত যদি কিছুমান মানুহৰ হাতত অপৰিসীম সম্পদ জমা হয় আৰু আন এচাম মানুহে ন্যূনতম খাদ্য, শিক্ষা আৰু চিকিৎসাৰ সুবিধাৰ পৰাও বঞ্চিত হয়, তেন্তে সেই সমাজৰ সামগ্ৰিক সমৃদ্ধিৰ ধাৰণা অসম্পূৰ্ণ হৈ থাকে। প্ৰকৃত সমৃদ্ধি তেতিয়াহে অৰ্থৱহ হয়, যেতিয়া উন্নয়নৰ সুফল সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ ওচৰলৈ প্ৰসাৰিত হয়। লক্ষ্মী পূজাৰ উপলক্ষে আমি এই সংকল্প গ্ৰহণ কৰিব পাৰোঁ যে ব্যক্তিগত উন্নতিৰ লগতে সামাজিক কল্যাণৰ প্ৰতিও দায়বদ্ধ থাকিম। কাৰণ সম্পদে মানুহক সচ্ছল কৰিব পাৰে, কিন্তু মানৱীয়তাইহে মানুহৰ জীৱনক অৰ্থৱহ কৰি তোলে।

শৰতৰ আগমনত লক্ষ্মীপূজাৰ আনন্দ হৈছে প্ৰকৃতিৰ সৌন্দৰ্য, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক পৰম্পৰা আৰু মানৱীয় আকাংক্ষাৰ এক অনন্য সমাহাৰ। শেৱালিৰ সুবাসেৰে সুশোভিত শৰতৰ প্ৰকৃতিৰ মাজত লক্ষ্মী পূজাই মানুহৰ মনলৈ আশাবাদ, প্ৰশান্তি আৰু নতুন সম্ভাৱনাৰ বাণী কঢ়িয়াই আনে। এই উৎসৱে আমাক কেৱল দেৱী লক্ষ্মীৰ ওচৰত সুখ-সমৃদ্ধিৰ প্ৰাৰ্থনা কৰিবলৈকে শিকোৱা নাই। বৰঞ্চ নিজ নিজ কৰ্ম, আচৰণ আৰু সামাজিক দায়িত্বৰ জৰিয়তে সমৃদ্ধিশালী জীৱন গঢ়ি তোলাৰ প্ৰেৰণা যোগায়। আমি যদি পৰিশ্ৰমক সন্মান কৰোঁ, নৈতিকতাক জীৱনৰ আধাৰ হিচাপে গ্ৰহণ কৰোঁ, নাৰীৰ মৰ্যাদা ৰক্ষা কৰোঁ, কৃষকৰ অৱদান স্বীকাৰ কৰোঁ আৰু সমাজৰ বঞ্চিত লোকসকলৰ প্ৰতি সহমৰ্মী হওঁ, তেন্তে লক্ষ্মী পূজাৰ তাৎপৰ্য আমাৰ দৈনন্দিন জীৱনতো প্ৰতিফলিত হ'ব।

শৰতৰ জোনাক কেৱল ঘৰৰ চোতালতে নহয়, মানুহৰ অন্তৰতো বিয়পি পৰক। লক্ষ্মীপূজাৰ পৱিত্ৰতা কেৱল পূজাৰ বেদীতে সীমাবদ্ধ নাথাকি আমাৰ চিন্তা, কৰ্ম আৰু সামাজিক সম্পৰ্কতো প্ৰতিফলিত হওক। ধন-সম্পদৰ লগতে জ্ঞান, সততা, প্ৰেম, শান্তি আৰু মানৱীয়তাৰো বিকাশ ঘটক। কাৰণ প্ৰকৃত লক্ষ্মী কেৱল ঐশ্বৰ্যৰ প্ৰতীক নহয়। প্ৰকৃত লক্ষ্মী হৈছে এনে এক জীৱন-দৰ্শন, যঅত সমৃদ্ধিৰ সৈতে নৈতিকতা, ব্যক্তিগত সুখৰ সৈতে সামাজিক কল্যাণ আৰু ধৰ্মীয় বিশ্বাসৰ সৈতে মানৱীয়তাৰ সুন্দৰ সমন্বয় সাধন হয়।

ফোন ঃ ৯৯৫৭৮-৯০৬৫৮

**বৰ্তমান সময়ত প্ৰযুক্তি, নগৰীকৰণ আৰু বজাৰকেন্দ্ৰিক অৰ্থনীতিৰ প্ৰভাৱে আমাৰ উৎসৱ পালনৰ ধৰণ সলনি কৰিছে। আকৰ্ষণীয় সজ্জা, মূল্যৱান সামগ্ৰী, বাহ্যিক আড়ম্বৰ আৰু প্ৰতিযোগিতামূলক প্ৰদৰ্শনৰ প্ৰৱণতা কিছুমান ক্ষেত্ৰত বৃদ্ধি পাইছে। উৎসৱৰ আনন্দ কেতিয়াবা অপ্ৰয়োজনীয় ব্যয় আৰু সামাজিক প্ৰতিযোগিতাৰ মাজত সীমাবদ্ধ হৈ পৰে।**



# ৰামায়ণৰ অসুখী নাৰী ধৰ্মৱতী মন্দোদৰী

দীপজ্যোতি দাস

**ৰামায়ণৰ** আটাইতকৈ অসুখী নাৰী কোন আছিল বুলি সোধা হ'লে আপোনাৰ উত্তৰ হয়তো সীতা হ'ব। কিন্তু এগৰাকী নাৰীও আছিল যিয়ে গোটেই জীৱন অধাৰ্মিকতাৰ মাজত থাকিও কেতিয়াও ধাৰ্মিকতাক পৰিত্যাগ কৰা নাছিল। সেই নাৰীগৰাকী আছিল লংকাৰ ৰাণী মন্দোদৰী। আৰু আচৰিত কথাটো হ'ল মন্দোদাৰীৰ কাহিনীৰ আৰম্ভণিতে এটা অভিশাপ। আজি বেছিভাগ মানুহেই মন্দোদাৰীক কেৱল ৰাৱণৰ পত্নী হিচাপেহে চিনি পায়। অৱশ্যে ধৰ্মীয় পৰম্পৰাত তেওঁক জ্ঞানী, বিবেচনাশীল আৰু ভক্তিময় নাৰী হিচাপেও স্মৰণ কৰা হয়। ৰাৱণৰ আগত বাৰে বাৰে সত্য কথা কোৱাৰ সাহস মন্দোদৰীৰ আছিল। কিন্তু প্ৰশ্ন হয়, মন্দোদৰীৰ নিজৰ কাহিনী কঅৰ পৰা আৰম্ভ হৈছিল? এটা জনপ্ৰিয় কিংবদন্তি অনুসৰি পূৰ্বৰ ৰূপত মন্দোদাৰী আছিল মধুৰা নামৰ অপ্সৰা। অত্যন্ত ধুনীয়া আছিল আৰু ভগৱান শিৱৰ পূজা কৰিবলৈ কৈলাসলৈ গৈছিল। কিন্তু তাৰ পৰাই মন্দোদৰীৰ জীৱনৰ দিশটো চিৰদিনৰ বাবে সলনি হৈ যায়। কাহিনী অনুসৰি সেই সময়ত কৈলাসত দেৱী পাৰ্বতী উপস্থিত নাছিল। মধুৰাই ভগৱান শিৱৰ প্ৰতি ইমানেই আকৰ্ষণ অনুভৱ কৰিছিল যে ইয়াৰ ফলত এটা ডাঙৰ ৰাজসভাৰ সৃষ্টি হৈছিল। যেতিয়া দেৱী পাৰ্বতী উভতি আহি এই কথা গম পালে, তেতিয়া তেওঁ ক্ৰোধিত হৈ পৰিল আৰু নিমিষতে মধুৰাৰ জীৱনত ভয়ংকৰ অভিশাপ নিক্ষেপ কৰিলে। দেৱী পাৰ্বতীয়ে মধুৰাক ১২ বছৰ কুঁৱাত বেং (ভেকুলী) হিচাপে জীয়াই থাকিবলৈ অভিশাপ দিলে। কল্পনা কৰকচোন এসময়ৰ স্বৰ্গীয় অপেশ্বৰী আন্ধাৰ কুঁৱাৰ গভীৰতাত বন্দী হৈ থাকিল। ৰাজপ্ৰসাদ নাই, সংগীত নাই, নিজৰ বুলি কঅব পৰা কোনো নাইঃমাত্ৰ অন্ধকাৰ নিসংগতা আৰু ১২ বছৰীয়া অপেক্ষা। কিন্তু কাহিনীটো ইয়াতেই শেষ নহ'ল। ভগৱান শিৱই মধুৰাক সান্ত্বনা দি অভিশাপৰ সময়সীমা সীমিত কৰি ৰাখিলে। মন্দোদৰীক কোৱা হৈছিল যে ১২ বছৰ শেষ হোৱাৰ পিছত মন্দোদৰীয়ে পুনৰ নিজৰ আদি ৰূপ লাভ কৰি এজন মহান আৰু সাহসী পুৰুষৰ সৈতে বিয়াত বহিব। ইফালে আন এটা কাহিনীৰ উন্মেষ ঘটিল। মায়াসুৰ আৰু তেওঁৰ পত্নী হেমাই তপস্যা কৰি আছিল, কন্যাৰ বাবে হাহাকাৰ কৰি আছিল, ভগৱান শিৱৰ ওচৰত প্ৰাৰ্থনা কৰিছিল আৰু হয়তো ভাগ্যই এই দুটা কাহিনীক আন্তঃসংলগ্ন কৰাৰ সিদ্ধান্ত লৈছিল। ১২ বছৰ পাৰ হৈ গ'ল। এদিন একেটা কুঁৱাৰ পৰাই এটা অসাধাৰণ শব্দ শুনা গ'ল। মায়াসুৰ আৰু হেমাই কুঁৱাটোৰ ভিতৰলৈ উকি মাৰিলে আৰু যি দেখিলে আচৰিত হ'ল। বৰ ধুনীয়া যুৱতী এগৰাকী আছিল। কাহিনী অনুসৰি তাই আছিল মধুৰা, মায়াসুৰ আৰু হেমাই মধুৰাক নিজৰ কন্যা হিচাপে গ্ৰহণ কৰি তাইৰ নাম ৰাখিলে মন্দোদৰী, যিটো নাম চিৰদিনৰ বাবে লংকাৰ ইতিহাসৰ সৈতে জড়িত হৈ থাকিব। মায়াসুৰৰ ঘৰত ডাঙৰ-দীঘল হৈছিল মন্দোদৰী। মন্দোদৰী কেৱল ধুনীয়াই নহয়, বুদ্ধিমত্তা আৰু প্ৰজ্ঞাৰ বাবেও বিখ্যাত আছিল। সময় পাৰ হৈ গ'ল, আৰু মন্দোদৰী বিবাহৰ বাবে যোগ্য হৈ উঠিল। তাৰ পাছত লংকাৰ ৰজা ৰাৱণে মন্দোদৰীৰ জীৱনত প্ৰৱেশ কৰিলে। সেই সময়ত ৰাৱণক অসাধাৰণ শক্তি আৰু প্ৰজ্ঞাৰ ৰজা বুলি গণ্য কৰা হৈছিল। তেওঁ বহু শক্তি অৰ্জন কৰিছিল আৰু তেওঁৰ নাম ত্ৰিজগততে বিখ্যাত আছিল। মন্দোদৰীয়ে ৰাৱণৰ লগত বিবাহপাশত আবদ্ধ হৈ লংকাৰ ৰাণী হিচাপে সোণালী নগৰত উপস্থিত হয়। কিন্তু হয়তো মন্দোদৰীয়ে তেতিয়া গম পোৱা নাছিল যে মন্দোদৰীৰ আটাইতকৈ ডাঙৰ সংগ্ৰাম আৰম্ভ হ'বলৈ ওলাইছে। কাৰণ মন্দোদাৰী কেৱল এজন শক্তিশালী ৰজাৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা নাছিল। মন্দোদাৰীৰ বিয়া হৈছিল এনে এজন পুৰুষৰ লগত যাৰ জ্ঞান তেওঁৰ অহংকাৰৰ সমানেই আছিল। মন্দোদৰী আছিল ৰাৱণৰ পত্নী। কিন্তু প্ৰতিটো সিদ্ধান্ততে মন্দোদৰী একমত নহ'ল। আৰু এই বৈপৰীত্য মন্দোদাৰীৰ সমগ্ৰ জীৱনৰ আটাইতকৈ ডাঙৰ দুখ হৈ পৰিল। ৰাৱণে সীতাক হৰণ কৰাৰ সময়ত মন্দোদৰীয়ে তেওঁক বাধা দিবলৈ চেষ্টা কৰিছিল। মন্দোদাৰীয়ে ৰাৱণক বুজাই দিলে যে স্বামীৰ পৰা অচিনাকি মহিলা এগৰাকীক বিচ্ছিন্ন কৰাটো ঠিক নহয়। মন্দোদৰীয়ে বুজি পাইছিল আগতীয়াকৈ বিপদটো। কিন্তু ৰাৱণে পত্নীৰ বুদ্ধিমান কথাকো আওকাণ কৰিলে। মোক কাৰো পৰামৰ্শৰ প্ৰয়োজন নাই। এয়া মন্দোদৰীৰ আটাইতকৈ ডাঙৰ দুখ। ৰাৱণে ভুল পথেৰে গৈ আছে বুলি মন্দোদৰীয়ে জানিছিল যদিও তাৰ পৰা ৰাৱণক ওভতাই আনিব পৰা নাছিল। এফালে মন্দোদৰীৰ স্বামী। আনহাতে ধৰ্ম আৰু সত্য। আৰু এই সংঘাতত মন্দোদৰীয়ে বাৰে বাৰে সত্যৰ কণ্ঠ হিচাপে থিয় দিছিল। ৰাম-ৰাৱণৰ যুদ্ধৰ খবৰ যেতিয়া লংকাত উপস্থিত হ'ল, তেতিয়া হয়তো মন্দোদৰীয়ে বুজি পালে যে এতিয়া আৰু কেৱল সীতাৰ কথা নহয়। এতিয়া ৰাৱণৰ অহংকাৰে সমগ্ৰ লংকাক ধ্বংসৰ দিশে লৈ গৈছিল। কিন্তু ক্ষমতা, সৈন্য আৰু আশীৰ্বাদ থকা ৰজাৰ বিৰুদ্ধে এগৰাকী নাৰীৰ সতৰ্কবাণী কিমান দূৰলৈ যাব পাৰে? এই প্ৰশ্নই মন্দোদৰীৰ কাহিনী আৰু অধিক কৰুণ কৰি তুলিলে। যুদ্ধ আৰম্ভ হ'ল, মন্দোদৰীৰ আপোনজনৰ মৃত্যুৰ খবৰ এটা এটাকৈ লংকাৰ ৰাজপ্ৰসাদত আহিবলৈ ধৰিলে। মন্দোদৰীৰ জীৱনৰ ভেটি বুলি ভবা পৰিয়ালটো যুদ্ধৰ জুইত ছিন্ন-ভিন্ন হ'বলৈ ধৰিলে। মন্দোদাৰীৰ বাবে এইখন কেৱল ৰজা আৰু শত্ৰুৰ মাজত হোৱা যুদ্ধ নাছিল। স্বামী আৰু পৰিয়ালৰ মাজত যুদ্ধ হৈছিল। ভৱিষ্যতে ধ্বংস বৃহৎ ৰূপত দেখা দিছিলে। আৰু তাৰ পিছত সেইদিনটি আহিল যেতিয়া ৰাৱণ নিজেই যুদ্ধক্ষেত্ৰত পৰিল। লংকাৰ শক্তিশালী ৰজা বুলি বিশ্বই চিনি পোৱা ৰাৱণ এতিয়া নিৰ্জীৱ হৈ পৰিল। যেন মন্দোদাৰীৰ আগতেই সমগ্ৰ পৃথিৱীখন শেষ হৈ গ'ল। কিন্তু মন্দোদৰীৰ যন্ত্ৰণা কেৱল স্বামীৰ মৃত্যুতে সীমাবদ্ধ নাছিল। ইতিমধ্যে মন্দোদৰীয়ে সকীয়াই দিয়া ধ্বংসলীলাও মন্দোদৰীয়ে প্ৰত্যক্ষ কৰিছিল। হয়তো কাহিনীটোৰ আটাইতকৈ মৰ্মস্পৰ্শী দিশটো হ'ল, ৰাৱণৰ পত্নী হোৱাৰ পিছতো মন্দোদাৰীয়ে তেওঁৰ প্ৰতিটো কামকে সমৰ্থন কৰা নাছিল। মন্দোদৰীয়ে ৰাৱণক বাধা দিবলৈ, পৰামৰ্শ দিবলৈ আৰু ধাৰ্মিকতাৰ পথ দেখুৱাবলৈ চেষ্টা কৰিছিল। আৰু ৰাৱণে শেষত নিজৰ অহংকাৰ বাছি লৈছিল। গতিকে মন্দোদৰীৰ কাহিনীক কেৱল ৰাৱণৰ পত্নীৰ কাহিনী বুলি গণ্য কৰাটো অসম্পূৰ্ণ হ'ব।

ক্ষমতাৰ মাজত থাকিও যুক্তিৰ কণ্ঠ হৈ থকা এগৰাকী নাৰীৰ কাহিনী। মন্দোদৰীয়ে ৰাজপ্ৰসাদ দেখিছিল যদিও কেতিয়াও সুখ নাপালে আৰু যিয়ে গোটেই জীৱন আনৰ সিদ্ধান্তৰ পৰিণতি ভোগ কৰিছিল। কিন্তু আটাইতকৈ ডাঙৰ প্ৰশ্নটো ৰৈ গৈছে। যদি মন্দোদৰী ইমান বুদ্ধিমান আৰু ভক্তিশীল আছিল, তেন্তে ৰাৱণৰ লগত কিয় থাকিল? কেৱল পত্নীৰ কৰ্তব্য আছিল নে মন্দোদাৰীৰ জীৱনৰ আঁৰত এনেকুৱা এটা ভাগ্য আছিল যিটো মন্দোদৰীয়ে সলনি কৰিব নোৱাৰিলে? এই কাৰণেই নেকি ৰামায়ণৰ শেষত মন্দোদৰীৰ কাহিনী ৰহস্য হৈয়েই আছে? এফালে থিয় হৈ আছিল ধৰ্মৰ মূৰ্তি ৰাম। আনহাতে, জ্ঞান আৰু শক্তিৰ সত্ত্বেও অহংকাৰত নিমগ্ন হৈ থিয় হৈ আছিল ৰাৱণ। সিহঁতৰ মাজত থিয় হৈ আছিল মন্দোদৰী, সিহঁতক বাৰে বাৰে প্ৰলয়ৰ আগতেই সকীয়াই দিছিল। হয়তো এই কাৰণেই মন্দোদৰীৰ কাহিনীয়ে আমাক কয় যে প্ৰজ্ঞা আৰু নিজৰ পথ ল'ব পৰাটো সদায় একে নহয় আৰু হয়তো এই টোৱেই আছিল মন্দোদৰীৰ আটাইতকৈ ডাঙৰ দুখ। মন্দোদাৰীৰ জ্ঞান আছিল যদিও পৰিস্থিতি মন্দোদৰীৰ নিয়ন্ত্ৰণৰ বাহিৰত আছিল। আৰু শেষত মন্দোদৰীয়ে স্বামীক বাৰে বাৰে বচাবলৈ বিচৰা সেইটোৱেই সাক্ষী হৈ পৰিল লংকাৰ ধ্বংস। গতিকে পিছৰবাৰ ৰামায়ণত মন্দোদৰীৰ নাম আহিলে কেৱল ৰাৱণৰ পত্নী বুলি নাচাব। মন্দোদৰীৰ আঁৰত নিহিত হৈ আছে অভিশাপ, তপস্যা, ৰহস্য, বিবাহ, ধাৰ্মিকতা আৰু অধাৰ্মিকতাৰ মাজৰ সংগ্ৰামেৰে ভৰা কাহিনী। আৰু শেষত এগৰাকী নাৰীৰ অপৰিসীম দুখ। আৰু হয়তো এই কাৰণেই মন্দোদাৰীৰ কাহিনীক আজিও ৰামায়ণৰ অন্যতম গভীৰ চৰিত্ৰ হিচাপে গণ্য কৰা হয়।





**ভৱিষ্যতে ধ্বংস বৃহৎ ৰূপত দেখা দিছিল আৰু তাৰ পাছত সেইদিনটো আহিল যেতিয়া ৰাৱণ নিজেই যুদ্ধক্ষেত্ৰত পৰিল। লংকাৰ শক্তিশালী ৰজা বুলি বিশ্বই চিনি পোৱা ৰাৱণ এতিয়া নিৰ্জীৱ হৈ পৰিল। যেন মন্দোদৰীৰ আগতেই সমগ্ৰ পৃথিৱীখন শেষ হৈ গ'ল। কিন্তু মন্দোদৰীৰ যন্ত্ৰণা কেৱল স্বামীৰ মৃত্যুতে সীমাবদ্ধ নাছিল। ইতিমধ্যে মন্দোদৰীয়ে সকীয়াই দিয়া ধ্বংসলীলাও মন্দোদৰীয়ে প্ৰত্যক্ষ কৰিছিল। হয়তো কাহিনীটোৰ আটাইতকৈ মৰ্মস্পৰ্শী দিশটো হ'ল ৰাৱণৰ পত্নী হোৱাৰ পাছতো মন্দোদৰীয়ে তেওঁৰ প্ৰতিটো কামকে সমৰ্থন কৰা নাছিল। মন্দোদৰীয়ে ৰাৱণক বাধা দিবলৈ, পৰামৰ্শ দিবলৈ আৰু ধাৰ্মিকতাৰ পথ দেখুৱাবলৈ চেষ্টা কৰিছিল।**

**সৰভোগৰ বহুমুখী বিদ্যালয়ত অনুষ্ঠিত অভিভাৱক সন্মিলনত অংশগ্ৰহণ ৰণজিৎ দাসৰ**

# নিৰ্মাণ হ'ব লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহ-পুথিভঁৰাল

**বৰ্তমান সময়, বৰপেটা, ২৫ অক্টোবৰ ঃ** বৰপেটা জিলাৰ অন্তৰ্গত বৰপেটাৰোডত নিৰ্মাণৰত লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহ আৰু পুথিভঁৰালৰ নিৰ্মাণকাৰ্য আগুৱাই নিয়াৰ উদ্দেশ্যে সভাপতি ডেভিদ লেজাৰৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে যোৱা বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পটোৰ বাবে আনটাইড ফাণ্ডৰ জৰিয়তে ৫০ লাখ টকা আগবঢ়াইছিল। এই ধনৰাশি সদ্ব্যৱহাৰ কৰি আগন্তুক দিনত নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ লগতে অহা অক্টোবৰ-নৱেম্বৰ মাহৰ ভিতৰত প্ৰেক্ষাগৃহ আৰু পুথিভঁৰালটোৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰাকৈ প্ৰয়োজনীয় অতিৰিক্ত পুঁজিৰ ব্যৱস্থা কৰাৰ বিষয়েও আজিৰ সভাত বিস্তৃতভাৱে আলোচনা কৰা হয়। অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এই সভাত উপস্থিত থাকি কয় যে আমাৰ লক্ষ্য হৈছে বৰপেটাৰোডৰ সাংস্কৃতিক আৰু শৈক্ষিক পৰিৱেশক অধিক সমৃদ্ধ কৰি তুলিব পৰা এই গুৰুত্বপূৰ্ণ প্ৰকল্পটোক অতিশীঘ্ৰেই বাস্তৱ ৰূপ দিয়া। ইপিনে বৰপেটা জিলাৰ অন্তৰ্গত সৰভোগৰ বৰনগৰ জুৰো ৰাম পাঠক উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত আজি অনুষ্ঠিত অভিভাৱক সন্মিলনত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণ, শিক্ষাৰ গুণগত মানৰ উন্নয়ন আৰু বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অধিক সমৃদ্ধ কৰাৰ বিভিন্ন দিশত মত বিনিময় কৰে অসম বিধানসভাৰ অধ্যক্ষ তথা ২১ নং ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে। ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকৰ ভূমিকা অপৰিসীম। দুয়োপক্ষৰ পাৰস্পৰিক সহযোগিতা, দায়বদ্ধতা আৰু সমন্বিত প্ৰচেষ্টাই আমাৰ নৱপ্ৰজন্মক জ্ঞান, মূল্যবোধ আৰু যোগ্যতাৰে সমৃদ্ধ




কৰি এগৰাকী সুদক্ষ আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিব বুলি কয় ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে। ইপিনে জিলা মাষ্টাৰ এথলেটিকচ সন্থা, বজালীৰ উদ্যোগত আৰু মাষ্টাৰ এছ'চিয়েচন, সৰুপেটাৰ সহযোগত বজালীৰ ধেমছা পথাৰৰ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ মিনি ষ্টেডিয়ামত আয়োজিত চজ্জসংখ্যক বজালী জিলা মাষ্টাৰ এথলেটিকছ প্ৰতিযোগিতা-২০২৬ৰ আজি সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি খেলুৱৈসকলক উৎসাহিত কৰে অধ্যক্ষ দাসে। আনহাতে অসমৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অসম বৈভৱ' ২০২৫ ৰ বাবে নিৰ্বাচিত ডাঃ হৰ্ষ ভট্টাচাৰ্যলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে অধ্যক্ষ দাসে। স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত তেখেতৰ অৱদান আৰু মানৱ কল্যাণৰ প্ৰতি সমৰ্পিত মনোভাৱে এই স্বীকৃতিক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। লগতে 'অসম সৌৰভ' আৰু 'অসম গৌৰৱ' সন্মানৰ বাবে নিৰ্বাচিত প্ৰতিগৰাকী কৃতী ব্যক্তিলৈ অধ্যক্ষ দাসে জনাইছে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন। তেওঁ কয় যে আপোনালোকৰ কৃতিত্ব কেৱল ব্যক্তিগত সফলতাৰ স্বীকৃতিয়েই নহয়, বৰঞ্চ অসমৰ গৌৰৱোজ্জ্বল যাত্ৰাৰ একো একোটা উজ্জ্বল অধ্যায়। আপোনালোকৰ সাধনা, কৰ্মনিষ্ঠা আৰু অৱদানৰ আলোকত আলোকিত হওক অসমৰ ভৱিষ্যৎ; অনুপ্ৰাণিত হওক নতুন প্ৰজন্ম, সমৃদ্ধ হওক আমাৰ প্ৰিয় মাতৃভূমি। এইছেগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম চৰকাৰক বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

### পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ ল'লে স্বাস্থ্যমন্ত্ৰী সিংহলে

## শীঘ্ৰেই মুকলি হ'ব বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়

**বৰ্তমান সময়, বিশ্বনাথ, ২৫ অক্টোবৰ ঃ** ৰাজ্যৰ চিকিৎসা শিক্ষা আৰু স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ দিশত আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অতি শীঘ্ৰেই ৰাইজৰ সেৱাত মুকলি হ'ব বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়। নৱনিৰ্মিত চিকিৎসা প্ৰতিষ্ঠানটোৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত আজি প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰি সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয় ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে। এই প্ৰতিষ্ঠানটো আনুষ্ঠানিকভাৱে মুকলি হ'লে ই অসমৰ ১৬সংখ্যক চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় হিচাপে আত্মপ্ৰকাশ কৰিব। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ শৈক্ষিক ভৱন, প্ৰশাসনিক ভৱন, পুথিভঁৰাল, ছাত্ৰ-ছাত্ৰীৰ আৱাস, নাৰ্ছৰ আৱাস, চিকিৎসকৰ আৱাসকে ধৰি বিভিন্ন আন্তঃগাঁথনিমূলক সুবিধা পৰিদৰ্শন কৰে। লগতে চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে গ্ৰহণ কৰা প্ৰস্তুতি আৰু প্ৰতিষ্ঠানটোৰ কাৰ্যকৰীকৰণৰ সৈতে জড়িত বিভিন্ন দিশৰ বিষয়ে পাৱাৰপইণ্ট উপস্থাপনৰ জৰিয়তে বিতংভাৱে বুজ লয়। এইক্ষেত্ৰত প্ৰয়োজনীয় দিহা-পৰামৰ্শও আগবঢ়ায় মন্ত্ৰীগৰাকীয়ে। পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মন্ত্ৰী অশোক সিংহলে কয় যে বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে আৰু অতি কম সময়ৰ ভিতৰতে প্ৰতিষ্ঠানটো ৰাইজৰ সেৱাত মুকলি কৰাৰ বাবে সাজু হৈ উঠিব। এই নতুন চিকিৎসা প্ৰতিষ্ঠানটোৰ আৰম্ভণিয়ে ৰাজ্যৰ চিকিৎসা শিক্ষা আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব। বিশেষকৈ বিশ্বনাথ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজে উন্নত চিকিৎসা সেৱা লাভ কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ৰাজ্যত চিকিৎসা শিক্ষাৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ চৰকাৰী প্ৰচেষ্টাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান ৰাজ্যৰ ১০খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য চলি আছে আৰু আন চাৰিখন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য অতি সোনকালে আৰম্ভ কৰা হ'ব। শেহতীয়াকৈ বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ে ৰাজ্যৰ ১৫সংখ্যক চিকিৎসা মহাবিদ্যালয় হিচাপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ পিছতে বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ো অতি সোনকালে ৰাইজৰ সেৱাত মুকলি কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে নতুন চিকিৎসা মহাবিদ্যালয়সমূহে ৰাজ্যত অধিক চিকিৎসক আৰু দক্ষ মানৱ সম্পদ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ ফলত ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থা অধিক শক্তিশালী হ'ব আৰু অসমৰ প্ৰতিটো চুকে-কোণে থকা স্বাস্থ্য উপকেন্দ্ৰসমূহত একোজনকৈ চিকিৎসক নিযুক্তি দিয়াৰ মুখ্যমন্ত্ৰীৰ লক্ষ্য বাস্তৱায়িত কৰাৰ ক্ষেত্ৰতো সহায়ক হ'ব। চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শনৰ পাছত মন্ত্ৰী অশোক সিংহলে বিশ্বনাথৰ আৱৰ্ত ভৱনত অনুষ্ঠিত জিলা স্বাস্থ্য বিভাগৰ এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। বৈঠকত জিলাখনৰ স্বাস্থ্যসেৱাৰ বিভিন্ন সূচক, মাতৃ স্বাস্থ্য, মাতৃ মৃত্যুৰ হাৰ, শিশু মৃত্যুৰ হাৰ আৰু স্বাস্থ্য খণ্ডৰ সামগ্ৰিক অগ্ৰগতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত স্বাস্থ্য সূচকসমূহৰ বৰ্তমানৰ অৱস্থা, সংশ্লিষ্ট ক্ষেত্ৰসমূহত দেখা দিয়া প্ৰত্যাহ্বান আৰু উন্নয়নৰ সম্ভাৱনাসমূহ পৰ্যালোচনা কৰি নিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণৰ জৰিয়তে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ মাতৃ আৰু শিশু মৃত্যুৰ হাৰ হ্ৰাস কৰা, উচ্চ বিপদাশংকাপূৰ্ণ গৰ্ভধাৰণৰ ঘটনা সময়মতে চিনাক্ত কৰা, গুণগত প্ৰসূতি সেৱা নিশ্চিত কৰা আৰু চিকিৎসালয়ত প্ৰসৱৰ হাৰ বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। স্বাস্থ্যসেৱাৰ মান উন্নত কৰাৰ বাবে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ তথা জিলা প্ৰশাসনে সমন্বয়ৰে কাম কৰি যাব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। চৰকাৰী স্বাস্থ্য আঁচনিসমূহৰ সুফল যাতে প্ৰকৃত হিতাধিকাৰীসকলে লাভ কৰে, তাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক দায়বদ্ধতাৰে কাম কৰিবলৈও তেওঁ আহ্বান জনায়। এই পৰ্যালোচনা বৈঠকত বিশ্বনাথ সমষ্টিৰ বিধায়ক পল্লৱ লোচন দাস, গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ চৌধুৰী, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ যোগেন চন্দ্ৰ বে, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ হিৰণ্য বৰা, বিশ্বনাথ জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ ৰিপন চুতীয়া প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

## গোপাল চন্দ্ৰ একাডেমীৰ প্ৰতিষ্ঠা দিৱস

**বৰ্তমান সময়, নলবাৰী, ২৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বিল্বেশ্বৰস্থিত গোপাল চন্দ্ৰ একাডেমীৰ উদ্যোগত বৃহত্তৰ বেলশৰ অঞ্চলত উলিওৱা এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই ৰাইজক মোহিত কৰি তোলে। শিক্ষানুষ্ঠানখনৰ পৰা প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উলিওৱা বাৰেৰহণীয়া শোভাযাত্ৰাই বিল্বেশ্বৰৰ পৰা দেউৰীপাৰা, বেলশৰ বজাৰ চ'ক হৈ ঐতিহাসিক শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ৰ সন্মুখেৰে গৈ নদীৰপাৰ হৈ পুনৰ গোপাল চন্দ্ৰ একাডেমীৰ বাকৰিত সামৰণি পৰে। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীসকলে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজপাৰ পৰিধান কৰি এক উৎসৱ মুখৰ পৰিবেশৰ মাজেৰে ৰঙালী বিহু, কঙালী বিহু, মহ খেদা, ঝুমুৰ নৃত্য, বেণ্ড পাৰ্টি, বাগৰুম্বা নৃত্য, পানীতোলা, ভগৱান শ্ৰীকৃষ্ণ, মহাদেৱ, মা দুৰ্গাৰ ভিন্ন ৰূপ আদি পৰিৱেশন কৰি সমগ্ৰ পথছোৱা পৰিভ্ৰমন কৰে। শোভাযাত্ৰাত গ্ৰামাঞ্চলৰ সকলো দিশ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰদৰ্শন কৰে। অসমৰ লুপ্তপ্ৰায় সংস্কৃতিৰ ভিন ভিন বিষয়বস্তুৰ সুন্দৰ প্ৰদৰ্শন তথা উপস্থাপনৰ উপৰিও ঢুলীয়া, পেপা, বাঁহী আদি বাদ্য পৰিবেশনেৰে শোভাযাত্ৰাটো আকৰ্ষণীয় কৰি তোলে । বৰ্ণিল দৃষ্টিনন্দন তথা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাটো শিক্ষানুষ্ঠানখনৰ উপাধ্যক্ষ অনু দেৱীৰ তত্ত্বাৱধানত ৰূপায়ণ কৰিব লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলে পৰিচালনা কৰে। ২০১২ চনত প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনৰ চতুৰ্দশ প্ৰতিষ্ঠা দিৱস উপলক্ষে উলিওৱা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ পিছতেই ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

## মধুকুছি কমাৰপাৰাত কাতিমহীয়া নামৰ আয়োজন



**বৰ্তমান সময়, ৰঙিয়া, ২৫ অক্টোবৰ ঃ** ৰঙিয়াৰ মধুকুছিৰ ঐতিহ্যমণ্ডিত কমাৰপাৰা চুবুৰীবাসী ৰাইজৰ যৌথ উদ্যোগত স্থানীয় ৰাজহুৱা নামঘৰ প্ৰাংগণত পৱিত্ৰ কাতি মাহ উপলক্ষে ৪৩ সংখ্যক বাৰ্ষিক কাতিমহীয়া নাম অনুষ্ঠানভাগি বিপুল উৎসাহ-উদ্দীপনাৰে আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি, শনিবাৰে নিশা নামঘৰ প্ৰাংগণত বিশেষ বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত বন্তি প্ৰজ্বলন কাৰ্যসূচীত উপস্থিত থাকে ৰঙিয়া সমষ্টিৰ স্থানীয় বিধায়ক ভৱেশ কলিতা। ধৰ্মীয় আৰু আধ্যাত্মিক পৰিৱেশৰ মাজত বিধায়কগৰাকীয়ে নামঘৰৰ মূল বন্তি প্ৰজ্বলন কৰি স্থানীয় ৰাইজৰ কুশল-মংগল কামনা কৰে।এই পৱিত্ৰ নাম অনুষ্ঠানৰ লগত সংগতি ৰাখি এক বিশেষ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। অসমৰ হিয়াৰ আমঠু সংগীতশিল্পী স্বৰ্গীয় জুবিন গাৰ্গ আৰু নাগাৰা নামৰ 'সূৰ্য পাঠক' ৰূপে খ্যাত স্বৰ্গীয় ৰামচৰণ ভড়ালীদেৱৰ পৱিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নাম অনুষ্ঠানৰ অন্যতম মুখ্য আকৰ্ষণ আছিল নিশাৰ নাগাৰা নাম পৰিৱেশন। অসমৰ আগশাৰীৰ তথা জনপ্ৰিয় নাগাৰা নামৰ পাঠক পাৰ্থপ্ৰতীম দাস আৰু প্ৰণৱজ্যোতি মেধিয়ে নৈশ ভাগত আধ্যাত্মিক সুৰেৰে নাগাৰা নাম পৰিৱেশন কৰি উপস্থিত ভক্তপ্ৰাণ ৰাইজক আপ্লুত কৰে। কমাৰপাৰা চুবুৰীবাসী ৰাইজে সমগ্ৰ অঞ্চলৰ নাগাৰা নামপ্ৰেমী তথা ভক্তপ্ৰাণ ৰাইজক এই ধৰ্মীয় উৎসৱত উপস্থিত থাকি অনুষ্ঠানভাগি সফলেৰে সম্পন্ন কৰাত সহায়-সহযোগিতা কৰাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## বালিকৰিয়াত বৃহৎ পৰিমাণৰ চুৰি ঔষধ জব্দ

**বৰ্তমান সময়, নলবাৰী, ২৫ অক্টোবৰ ঃ** নলবাৰী চহৰৰ বালিকৰিয়াত ১০ কোটি মূল্যৰ বৃহৎ পৰিমাণৰ ঔষধ জব্দ কৰা হৈছে। এটা পৰিত্যক্ত গৃহৰ পৰা স্থানীয় ৰাইজে উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুজন পৰিমাণৰ ঔষধ খিনি। নিবাৰণ বৰ্মন নামৰ ব্যক্তি এজনৰ পৰিত্যক্ত বাসগৃহত উদ্ধাৰ কৰা হয় ঔষধখিনি। ইতিমধ্যে, উক্ত ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে সমগ্ৰ অঞ্চলটোত। মন কৰিবলগীয়া যে, দুৰ্গা পূজাৰ সময়ত কোম্পানীৰ বৃহৎ পৰিমাণৰ ঔষধ চুৰি হৈছিল ঘটনা সন্দৰ্ভত গুৱাহাটী বশিষ্ঠ আৰক্ষী থানাত কোম্পানীৰ তৰফৰ এখন এজাহাৰ দাখিল কৰা হৈছিল । আজি নলবাৰীত উদ্ধাৰ হোৱা ঔষধখিনি চুৰি হোৱা ঔষধ খিনি বুলি সন্দেহ কৰা হৈছে। ইতিমধ্যে চুৰি হোৱা ঔষধৰ ব্যৱসায়ী গৰাকী নলবাৰীৰ ঘটনাস্থলীত উপস্থিত হৈছে। আনহাতে,আৰক্ষীয়ে ঘটনা সন্দৰ্ভত অব্যাহত ৰাখিছে অনুসন্ধান। আৰক্ষীৰ তদন্তৰ পিছতহে সমগ্ৰ ঘটনা পোহৰলৈ আহিব।

## শিৱসাগৰৰ ফুলমাই বৰুৱাৰ দেহাৱসান

**বৰ্তমান সময়, শিৱসাগৰ, ২৫ অক্টোবৰ ঃ** শিৱসাগৰৰ ষ্টেচন চাৰিআলি পিয়লি ফুকন নগৰৰ নিবাসী, সমাজসেৱিকা ফুলমাই বৰুৱা (৭৬)ৰ কালি সন্ধ্যা ৭ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। তেওঁ স্বামী হৰেশ বৰুৱাৰ স্মৃতিত বিগত বহু বছৰ ধৰি অঞ্চলটোৰ উচ্চ আৰু উচ্চ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এককালীন সাহায্য প্ৰদান কৰি আহিছে। তেওঁ মৃত্যুৰ সময়ত তিনি পুত্ৰ-বোৱাৰী, দুই কন্যা, নাতি-নাতিনী, আত্মীয়-স্বজনক এই সংসাৰত এৰি থৈ যায়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱিকা ফুলমাই বৰুৱাৰ মৃত্যুত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ ৰাজ্যিক উপ-সভাপতি ৰাতুল ভৰালীৰ লগতে শিৱসাগৰ কবি চক্ৰৰ লগতে, গভীৰ শোক প্ৰকাশ কৰিছে।

**অৰ্ধনিৰ্মিত অৱস্থাত বৰপেটাৰ ৰামৰায় ষ্টেডিয়াম**

## জয়ন্ত মল্ল বৰুৱা-চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাইজক দিয়া আশ্বাস বুমেৰাং

**বৰ্তমান সময়, বৰপেটা, ২৫ অক্টোবৰ ঃ** আধাৰশিলা স্থাপনৰ ৩৯টা বছৰ হ'ল। ৰামৰায় ষ্টেডিয়াম পূৰ্ণাংগ এখন ষ্টেডিয়াম বৰপেটাবাসীয়ে আজিলৈকে দেখা নাপালে। এটা দীৰ্ঘ দিনীয়া ষ্টেডিয়াম নিৰ্মাণৰ ব্যৱস্থা চলিয়ে থাকিল। বোধকৰোঁ এনে ঘটনা কতো হোৱা নাই যে ষ্টেডিয়াম এখন ৩৯ টা বছৰ পাছতো পূৰ্ণাংগ ৰূপ দেখা নোপোৱাটো। আন এটা প্ৰসংগলৈ আহো, বিগত চৰকাৰৰ মন্ত্ৰীদ্বয় জয়ন্ত মল্ল বৰুৱা আৰু চন্দ্ৰমোহন পাটোৱাৰীয়ে চাৰি বছৰ পূৰ্বে বৰপেটা পৌৰসভা নিৰ্বাচন কেন্দ্ৰীক সভা এখনৰ বাবে দহাটীস্থিত একতা ভৱন প্ৰাংগণলৈ আহিছিল আৰু নিৰ্বাচনী সভাখনত কৈছিল- চামতাৰ ষ্টেডিয়ামখন আপোনালোকে চাই আহক, বৰপেটাবাসীয়ে ট্ৰিপল ইঞ্জিন বনাই দিয়ক আৰু বৰপেটাৰ ষ্টেডিয়াম হৈ যাব, আমি কথা দিছোঁ। মিত্ৰজোঁটৰ দায়িত্বত পৌৰ সভা বৰপেটাবাসীয়ে বনাই দিলে। কিন্তু ৰামৰায় ষ্টেডিয়ামহে নহ'লগৈ। পিছে মন্ত্ৰীদ্বয়ৰ কথাও বুমেৰাং হ'ল। লক্ষণীয়ভাৱে এটা ফালে পকী গেলেৰী, এটা ইনড'ৰ হল নিৰ্মাণ কৰিয়েই ৰাজ্য চৰকাৰে মুখ হাত ধুলে। বাকী কামৰ বাবে আজিলৈকে কোনো অনুদান নিদিলে। তিনিফালে পকী গেলেৰী,এখন উপযুক্ত গ্ৰাউণ্ড, ট্ৰেক, ছুইমিং পুল, বাউণ্ডেৰী ৱাল, পাৰ্কিং ব্যৱস্থা,অহা যোৱা সুচল পথ, লাইটৰ ব্যৱস্থা আদি একোৱেই নহ'ল। অৰ্থাৎ ৩০ শতাংশ কাম শেষ কৰি তেনেকৈয়ে ৰামৰায় ষ্টেডিয়াম পৰি থাকিল। ৰাষ্ট্ৰীয়



পৰ্যায়ৰ খেলুৱৈ জন্ম দিয়া বৰপেটাত এতিয়া ফুটবল খেল চলে বাঁহৰ অস্থায়ী গেলেৰী সাজি। বৰপেটাবাসীৰ ভাষ্য, এতিয়া হাঁহিমেই নে কান্দিমেই। ব্ৰিটিছে গঢ়া পুৰণি চহৰ এখনত আজিও এখন পূৰ্ণাংগ ষ্টেডিয়াম গঢ়ি নুঠিল। এতিয়া আধৰুৱা ষ্টেডিয়ামখন মুখ্যমন্ত্ৰীক পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিব পৰা হ'লে ভাল আছিল। তেওঁ চাওঁক ৩৯ বছৰীয়া অৰ্ধনিৰ্মিত ৰামৰায় ষ্টেডিয়াম। কিয়নো ৩০ শতাংশ কাম সম্পন্ন হোৱা ষ্টেডিয়াম মুখ্যমন্ত্ৰীক দেখুৱাব পাৰিলে হয়তো তেওঁ প্ৰয়োজনীয় অনুদান যোগান ধৰিব বুলি বৰপেটাবাসীৰ মনে ধৰে।

**স্বদেশ নিউজৰ প্ৰথম প্ৰতিষ্ঠা দিৱস**

## ছিপাঝাৰত সংবাদ সূৰ্য-সাহিত্য সূৰ্য-শিল্পী সূৰ্য-সমাজ সূৰ্য বঁটা প্ৰদান



**বৰ্তমান সময়, ছিপাঝাৰ, ২৫ অক্টোবৰ ঃ** সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু সংবাদ সেৱাৰ মঞ্চ 'স্বদেশ নিউজ'ৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ছিপাঝাৰত এক মত বিনিময় আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। স্বদেশ নিউজৰ কাৰ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানত সংবাদ, সাহিত্য, শিল্প আৰু সমাজসেৱাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা বিভিন্ন ব্যক্তিক সন্মান জনোৱা হয় ।অনুষ্ঠানত চাৰিগৰাকী সংবাদকৰ্মীক 'সংবাদ সূৰ্য বঁটা', চাৰিগৰাকী সাহিত্যসেৱীক 'সাহিত্য সূৰ্য বঁটা', চাৰিগৰাকী শিল্পীক 'শিল্পী সূৰ্য বঁটা' আৰু আঠগৰাকী সমাজসেৱীক 'সমাজ সূৰ্য বঁটা' প্ৰদান কৰা হয়। ইয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিক স্বদেশ নিউজৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱা হয়। সংবাদ সূৰ্য বঁটা লাভ কৰা সংবাদকৰ্মীসকল হৈছে দিলোৱাৰ হুছেইন, টংকেশ্বৰ বৰুৱা, গগন কুমাৰ নাথ আৰু বাপন শৰ্মা ।সাহিত্য সূৰ্য বঁটা লাভ কৰে পুনুৰাম কলিতা, ধৰনীধৰ নাথ, হৰিন্দ মোহন নাথ আৰু বিভাৰাণী বণিয়াই। শিল্পী সূৰ্য বঁটা প্ৰদান কৰা হয় ভানু ডেকা চহৰীয়া, নীলিমা চহৰীয়া, দীপাঞ্জলী চহৰীয়া আৰু হলিৰাম ডেকাক ।সমাজ সূৰ্য বঁটা লাভ কৰা ব্যক্তিসকল হৈছে প্ৰতাপ বৰদলৈ, জয়ন্ত কুমাৰ নাথ, সঞ্জয় আগৰৱালা (গুৱাহাটী), বিতোপন ডেকা, সঞ্জয় আগৰৱালা 'মঙলদৈ', মৃত্যুঞ্জয় ডেকা, দীপাংকৰ নাথ আৰু খাইৰুল ইছলাম ।ইয়াৰ লগতে স্বদেশ নিউজৰ বিশেষ সম্বৰ্ধনা লাভ কৰা ব্যক্তিসকলৰ ভিতৰত আছে বিশ্বজিৎ সাহা, ভুৱন বনিয়া, তবিবুল্লা হক, আতিকুৰ ৰহমান, অপূৰ্ব ৰাজবংশী, ধ্ৰুৱজ্যোতি শৰ্মা, ভৱেশ শৰ্মা, চিণ্টু কলিতা, পৰশমণি হাজৰিকা, মীৰ চাহিল ইৰফান, ৰত্নেশ্বৰ চহৰীয়া, অজয় প্ৰকাশ শৰ্মা, ময়ুৰাক্ষী ভট্টাচাৰ্য, ভাৰ্গৱ চলিহা, কৌস্তুভ মণি ডেকা আৰু নিলোৎপল নাথকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি ।পৱন কুমাৰ কলিতাই সভাপতিত্ব কৰা অনুষ্ঠানটো আঁত ধৰে ময়ূৰাক্ষী ভট্টাচাৰ্য আৰু স্বদেশ নিউজৰ মুখ্য সম্পাদক নৱ কুমাৰ শইকীয়াই। বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কমলাকান্ত বৰা, ইন্দ্ৰ কুমাৰ হাজৰিকা আৰু কুলদীপ বৰুৱা। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে পৱন কুমাৰ কলিতা, মনোৰঞ্জন শৰ্মা, চন্দ্ৰ চহৰীয়া, হৰেণ কুমাৰ কলিতা আৰু ধৰি বিভিন্ন ক্ষেত্ৰৰ বহু গণ্য-মান্য ব্যক্তি। স্বদেশ নিউজৰ প্ৰথম প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানৰ জৰিয়তে সংবাদ, সাহিত্য, শিল্প-সংস্কৃতি আৰু সমাজসেৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তিসকলক স্বীকৃতি প্ৰদান কৰাৰ লগতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত পাৰস্পৰিক মত বিনিময়ৰ এক মঞ্চ গঢ়ি তোলা হয়।



## নপ্তিপাৰাত চুৰিৰ ঘটনাক লৈ চাঞ্চল্য

**বৰ্তমান সময়, মুকালমুৱা, ২৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ নপ্তিপাৰাত ধাৰাবাহিক চুৰিৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিভিন্ন সামগ্ৰী চুৰিৰ অভিযোগত স্থানীয় ৰাইজে ২নং নপ্তিপাৰাৰ অনিমেশ বৰ্মন নামৰ এজন লোকক আটক কৰি আৰক্ষীক গতাই দিয়াৰ পাছতে চুৰি সামগ্ৰী ক্ৰয়ৰ অভিযোগত চালখোৱাৰ এখন ডাম্পৰ মালিক আইনুল হককো আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, অঞ্চলটোত দীৰ্ঘদিন ধৰি পানী যোগানৰ মটৰ, ই-ৰিক্সা, চিচি টিভি কেমেৰা, দমকলকে ধৰি বিভিন্ন সামগ্ৰী চুৰি হৈ আহিছে। আনকি স্থানীয় গোপাল থান মন্দিৰৰ পৰাও বিভিন্ন সামগ্ৰীৰ লগতে ঘণ্টা চুৰি হোৱা বুলি অভিযোগ উত্থাপন হৈছে। এনে ঘটনাই অঞ্চলবাসীৰ মাজত নিৰাপত্তাক লৈ উদ্বেগৰ সৃষ্টি কৰিছে স্থানীয় লোকৰ ভাষ্য অনুসৰি, ইয়াৰ পূৰ্বেও অনিমেশ বৰ্মনক কেইবাবাৰো আৰক্ষীৰ হাতত গতাই দিয়া হৈছিল। শেহতীয়াকৈ মন্দিৰত চুৰিৰ ঘটনা সংঘটিত হোৱাৰ পাছতে স্থানীয় ৰাইজে অনুসন্ধান চলাই তেওঁক আটক কৰে। ৰাইজৰ দাবী অনুসৰি, আটক কৰাৰ সময়ত তেওঁ পূৰ্বৰ কেইবাটাও চুৰিৰ ঘটনাৰ সৈতে জড়িত থকাৰ কথা স্বীকাৰ কৰাৰ লগতে চুৰি সামগ্ৰীসমূহ চালখোৱাৰ এখন ভঙা-ছিগা সামগ্ৰী ক্ৰয় কৰা ডাম্পত বিক্ৰী কৰা বুলি প্ৰকাশ কৰে। ইয়াৰ পাছতে চুৰি সামগ্ৰী ক্ৰয়ৰ অভিযোগত ডাম্পৰ মালিক আইনুল হককো আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। আনহাতে, অভিযুক্ত অনিমেশ বৰ্মনক মুকালমুৱা আৰক্ষী থানালৈ লৈ যোৱা হয়। সমগ্ৰ ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে চুৰিৰ ঘটনাসমূহৰ আঁৰত কোনো বৃহৎ চক্ৰ জড়িত আছে নেকি, তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। এতিয়া আৰক্ষীৰ নিৰপেক্ষ তদন্তৰ জৰিয়তে চুৰিৰ ঘটনাসমূহৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটন আৰু চুৰি সামগ্ৰীৰ ক্ৰয়-বিক্ৰয়ৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।

**সুধাকণ্ঠৰ নামত স্বেচ্ছাসেৱী সংগঠন 'প্ৰত্যয়'ৰ উদ্যোগত গছপুলি ৰোপণ**

## তিতকুছিত ড° ভূপেন হাজৰিকাৰ স্মৃতি দিৱস-বঁটা প্ৰদান অনুষ্ঠান

**বৰ্তমান সময়, বাইহাটা চাৰিআলি, ২৫ অক্টোবৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত তিতকুছি হাইস্কুল খেলপথাৰত স্বেচ্ছাসেৱী সংগঠন 'প্ৰত্যয়'ৰ উদ্যোগত অসমী আইৰ সু-সন্তান, বিশ্ববৰেণ্য শিল্পী, সংগীতসূৰ্য ড° ভূপেন হাজৰিকাৰ পঞ্চদশ বাৰ্ষিক মৃত্যু তিথি অহা ৫ আৰু ৮ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। স্বেচ্ছাসেৱী সংগঠনটোৰ সভাপতি কনক কুমাৰ আৰু মুখ্য সম্পাদক শংকৰ কুমাৰে এক প্ৰেছ বিবৃতিত জনোৱা অনুসৰি, এই বৰ্ণাঢ্য অনুষ্ঠানটি সফল কৰি তুলিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী ৫ নৱেম্বৰ সন্ধিয়া ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত শতগছি বন্তি প্ৰজ্বলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। মুখ্য প্ৰজ্বলক হিচাপে উপস্থিত থাকিব সংগঠনটোৰ প্ৰাক্তন সভাপতি পৰেশ চন্দ্ৰ কলিতা। ৮ নৱেম্বৰ দিনজোৰা কাৰ্যসূচীৰে পুৱা সংগঠনটোৰ সভাপতি কনক কুমাৰে প্ৰত্যয় পতাকা উত্তোলনৰে মূল কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পিছতে স্মৃতি তৰ্পণ আৰু বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ১১.৩০ বজাত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। অনুষ্ঠানটো মুকলি কৰিব সাংসদ প্ৰভাৰী খগেশ চন্দ্ৰ ডেকাই। উক্ত অনুষ্ঠানত সুতাৰকুছিৰ প্ৰয়াত দ্বিজেন্দ্ৰ নাথ ডেকাৰ পৰিয়ালবৰ্গ, শিক্ষাবিদ প্ৰয়াত দেৱ কুমাৰৰ পৰিয়ালবৰ্গ, প্ৰয়াত প্ৰতিষ্ঠাপক সভাপতি উগ্ৰমল কলিতাৰ পৰিয়ালবৰ্গ আৰু প্ৰাক্তন সভাপতি প্ৰয়াত টংকেশ্বৰ ডেকাৰ পৰিয়ালবৰ্গই অংশগ্ৰহণ কৰিব। দুপৰীয়া ১২ বজাত অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতা উদ্বোধন কৰিব স্বাস্থ্য বিভাগৰ কৰ্মচাৰী চিণ্টু বৰুৱাই। বঁটাসমূহ প্ৰথম পুৰস্কাৰ ১০,০০০ টকা আৰু মানপত্ৰ। দ্বিতীয় পুৰস্কাৰ ৭,০০০ টকা আৰু মানপত্ৰ। তৃতীয় পুৰস্কাৰ ৫,০০০ টকা আৰু মানপত্ৰ। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ২০০ টকা নিৰ্ধাৰণ কৰা হৈছে।সন্ধিয়া ৫ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন। বন্তি প্ৰজ্বলন কৰিব ডি এইচ অসম কনষ্ট্ৰাকচন লিমিটেডৰ দিলীপ হুজুৰী আৰু বিশিষ্ট অভিনেতা অন্ন চৰণ শৰ্মাই। লগতে কেইবাগৰাকীও শিক্ষয়িত্ৰী, উদ্যমী ব্যৱসায়ী আৰু স্বাস্থ্য কৰ্মচাৰীয়ে বন্তি প্ৰজ্বলন কৰিব ।বিশিষ্ট বঁটা প্ৰদান অনুষ্ঠান সন্ধিয়া সাত বজাত ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। চলিত বৰ্ষত 'প্ৰত্যয়'ৰ তৰফৰ পৰা কেইগৰাকীমান বিশিষ্ট ব্যক্তিক তেওঁলোকৰ আদৰ্শ আৰু অৱদানৰ বাবে বঁটাসমূহ প্ৰদান কৰ হ'ব-শিক্ষাবিদ দ্বীজেন্দ্ৰ নাথ ডেকা সোঁৱৰণী কৃতি শিক্ষক বঁটা শালমাৰা নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰফুল্ল ডেকাক প্ৰদান কৰা হ'ব। প্ৰয়াত শংকৰ দেৱ কুমাৰ সোঁৱৰণী প্ৰত্যয় সমাজসেৱা বঁটা মৰণোত্তৰভাৱে প্ৰয়াত টংকেশ্বৰ ডেকাক প্ৰদান কৰা হ'ব। সব্যাবালা ডেকা সোঁৱৰণী আদৰ্শ মাতৃ বঁটা দৰং জিলাৰ শিঙিমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষয়িত্ৰী সাবিত্ৰী বৰুৱাক প্ৰদান কৰা হ'ব। প্ৰত্যয় বন্ধু বঁটা বিশিষ্ট সমাজ সংগঠক গুৱাহাটীৰ লক্ষ্মীকান্ত গোস্বামী আৰু দৰং জিলাৰ কুকিল নাথক প্ৰদান কৰা হ'ব। ভ্ৰাম্যমাণ নাট প্ৰদৰ্শন নিশা ৮ বজাত অসমৰ জনপ্ৰিয় কাদম্বৰী ভ্ৰাম্যমাণ নাট্যদলৰ আকৰ্ষণীয় নাটক প্ৰদৰ্শন কৰা হ'ব। এই নাট্যানুষ্ঠান উদ্বোধন কৰিব কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। অনুষ্ঠানটি সফল কৰি তুলিবলৈ ক্ষপ্ৰত্যয়ক্ষ স্বেচ্ছাসেৱী সংগঠনৰ পৰিয়ালে কমলপুৰবাসী তথা সমগ্ৰ ৰাইজৰ উপস্থিতি আৰু পূৰ্ণ সহযোগ একান্তভাৱে কামনা কৰিছে।

## বিশ্বৰ শীৰ্ষ ৰেংকিঙৰ অন চে য়ঙৰ বিৰুদ্ধে ফাইনেলত পৰাজয়

# ফ্ৰেন্স অপেনত ৰানাৰ আপতে সন্তুষ্ট পি ভি সিন্ধু




**পেৰিছ, ২৫ অক্টোবৰ ঃ** ফ্ৰান্সৰ পেৰিছত অনুষ্ঠিত বি ব্লিউএফ ফ্ৰেন্স অপেন ছুপাৰ-৭৫০ প্ৰতিযোগিতাত ৰানাৰ-আপেৰে অভিযান সামৰিলে ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুৱে। আজি অনুষ্ঠিত মহিলা ছিংগলছৰ ফাইনেলত দুবাৰকৈ অলিম্পিকৰ পদক বিজয়ী সিন্ধুৱে বিশ্বৰ শীৰ্ষ ৰেংকিঙৰ খেলুৱৈ দক্ষিণ কোৰিয়াৰ অন চে য়ঙৰ হাতত পৰাস্ত হয়। পেৰিছৰ এৰিনা গ্ৰেণ্ডত অনুষ্ঠিত ফাইনেলত ভাৰতীয় তাৰকাগৰাকীয়ে অলিম্পিক ডিফেণ্ডিং চেম্পিয়ন য়ঙৰ বিৰুদ্ধে ২১-১৬, ১১-২১, ১২-২১ ব্যৱধানত পৰাজয়বৰণ কৰে। ইয়াৰ দ্বাৰা ১৯৯৮ চনৰ পিছত ফ্ৰেন্স অপেন খিতাপ দখল কৰা প্ৰথমগৰাকী ভাৰতীয় হোৱাৰ সপোন আধৰুৱা হ'ল সিন্ধুৰ। ১৯৯৮ চনত অপৰ্ণা পোপটে ফ্ৰেন্স অপেন জয় কৰি এক বিৰল অভিলেখ ৰচনা কৰিচিল। মেচখনত সিন্ধুৱে শক্তিশালীভাৱে আৰম্ভ কৰি প্ৰথম গেমটো ২১-১৬ ব্যৱধানত নিজৰ দখললৈ আনিছিল যদিও দক্ষিণ কোৰিয়াৰ খেলুৱৈগৰাকীয়ে পৰৱৰ্তী গেম দুটাত তীব্ৰ প্ৰত্যাহ্বানেৰে মেচখন নিজৰ নিয়ন্ত্ৰণলৈ নিয়ে। ইয়াৰ পূৰ্বে খেলা প্ৰতিখন মেচতে সিন্ধুক পৰাস্ত কৰা অন চে য়ঙে এই জয়েৰে ব্যৱধান ১১-০ লৈ বৃদ্ধি কৰে। বিশ্বৰ ১১ নম্বৰ বাছনি সিন্ধুৱে ছেমিফাইনেলত জাপানৰ হিনা আকেচিক পৰাস্ত কৰি ফ্ৰেন্স অপেনৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ফ্ৰান্সত তেওঁৰ এই যাত্ৰাত প্ৰথম ৰাউণ্ডত থাইলেণ্ডৰ ছুপানিপা কেটেথঙৰ বিৰুদ্ধে এক নাটকীয় জয়েৰে কোৱাৰ্টাৰ ফাইনেলত জাপানৰ ৰিকো গুঞ্জি আৰু ছিউ পিন-চিয়ানক পোনপটীয়া ছেটত পৰাজয় কৰিছিল। আনহাতে, অন চে ইয়ঙে ২০২৬ বৰ্ষত এক চমকপ্ৰদ প্ৰদৰ্শন অব্যাহত ৰাখি ফাইনেলত জয়েৰে বৰ্তমান ৫০ খন মেচৰ অবিৰত বিজয় ধাৰা অক্ষুণ্ণ ৰাখিছে।




## মাৰাথন ৰেচ ৱাক জাপানৰ কাৱানো অষ্ট্ৰেলিয়াৰ হেণ্ডাৰছনৰ বিশ্ব অভিলেখ

**টকিঅ', ২৫ অক্টোবৰ ঃ** জাপানে আয়োজন কৰা অল জাপান ৰেচ ৱাকিং প্ৰতিযোগিতাত ইতিহাস সৃষ্টি কৰিছে জাপানীজ খেলুৱৈ মাচাটোৰা কাৱানো আৰু অষ্ট্ৰেলিয়াৰ মহিলা ৰেচ ৱাকাৰ ৰেবেকা হেণ্ডাৰছনে। টাকাহাটাত অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত দুয়োগৰাকী তাৰকা খেলুৱৈয়ে মাৰাথন ৰেচ ৱাক ইভেণ্টত নতুন বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনত ৩৫ কিলোমিটাৰ ইভেণ্টৰ দুবাৰৰ বিশ্ব চেম্পিয়নশ্বিপ পদক বিজয়ী জাপানিজ তাৰকা মাচাটোৰা কাৱানোৱে পুৰুষৰ মাৰাথন ৰেচ ৱাকত ২ ঘণ্টা ৫৫ মিনিট ১৪ ছেকেণ্ড সময় লৈ প্ৰথমবাৰৰ বাবে এই শাখাত বিশ্ব অভিলেখ গঢ়ে। ইফালে, মহিলাৰ শাখাত অষ্ট্ৰেলিয়াৰ ৰেবেকা হেণ্ডাৰছনে ৩ ঘণ্টা ১৪ মিনিট ৫২ ছেকেণ্ড টাইমিঙেৰে পূৰ্বৰ বিশ্ব অভিলেখ ভংগ কৰি নতুন ইতিহাস ৰচনা কৰে। উল্লেখ্য যে বিশ্ব এথলেটিক্ছৰ নিয়ম অনুসৰি চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰাহে হাফ মাৰাথন আৰু মাৰাথন ৰেচ ৱাকক চৰকাৰী দূৰত্বৰ ইভেণ্ট হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। দুয়োগৰাকী খেলুৱৈৰ এই প্ৰদৰ্শনে নতুন অধ্যায়ৰ সূচনা কৰিছে।

## অন্তিম মুহূৰ্তত পেনাল্টীত ব্যৰ্থ আজাৰে

# ওড়িশা এফ চিৰ বিৰুদ্ধে গলশূন্য ড্ৰ খেলিলে নৰ্থইষ্ট ইউনাইটেডে

**ভুৱনেশ্বৰ, ২৫ অক্টোবৰ ঃ** ইণ্ডিয়ান ছুপাৰ লীগৰ ২০২৬-২৭ ছিজনৰ যোৱা নিশা অনুষ্ঠিত এখন তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলত নৰ্থইষ্ট ইউনাইটেড এফ চিয়ে ওড়িশা এফ চিৰ বিৰুদ্ধে গলশূন্য ড্ৰ খেলে। ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত মেচখনৰ অন্তিম মুহূৰ্তত লাভ কৰা এটা পেনাল্টিৰ সুযোগ সদ্ব্যৱহাৰ কৰিব নোৱৰাৰ বাবে হাইলেণ্ডাৰ্ছসকলে জয়ৰ ধাৰা অব্যাহত ৰখাৰ সোণালী সুযোগৰ পৰা বঞ্চিত হ'বলগীয়া হয়। খেলখনৰ আৰম্ভণিৰে পৰা দুয়োটা দলে আক্ৰমণাত্মক খেল প্ৰদৰ্শন কৰে। খেলৰ ৫ মিনিটতে নৰ্থইষ্টৰ নিকোলা নিনকোভিচে জিন্থিন এম এছৰ সুন্দৰ পাছ লাভ কৰি গল দিয়াৰ সুযোগ পাইছিল যদিও ওড়িশাৰ গলৰক্ষক হৃতিক তিৱাৰীৰ তৎপৰতাৰে ব্যৰ্থ কৰে। তাৰ পিছতে ওড়িশাৰ এভাৰটন নাছিমেণ্টোৰ এটা শ্বট লক্ষ্যভ্ৰষ্ট হয়। প্ৰথমাৰ্ধৰ লগতে দ্বিতীয়াৰ্ধতো দুয়োটা দলে খেলুৱৈ সালসলনি কৰি গল দিবলৈ চেষ্টা চলাইও সফল নহল। নৰ্থইষ্টে পাৰ্থিৱ গগৈ, এথিয়ান গঞ্জালেছ আৰু ৰেডীমক খেলপথাপত নমাই আক্ৰমণ তীব্ৰতৰ কৰি তোলে যদিও কোনো এগৰাকী খেলুৱৈয়ে গল কৰিবলৈ সক্ষম নহ'ল। ইফালে মেচৰ অতিৰিক্ত সময়ত পাৰ্থিৱ গগৈৰ কৰ্নাৰ শ্বটত ওড়িশাৰ ষ্টীফেন এজেৰ হাতত বল লগাত নৰ্থইষ্টে পেনাল্টীৰ সুযোগ পায়। কিন্তু দলটোৰ মৰক্কোন ষ্ট্ৰাইকাৰ আলাউদ্দিন আজাৰে মৰা শ্বট গ'ল পোষ্টত লাগি ব্যৰ্থ হোৱাত মেচখন গ'লশূন্যভাৱে ড্ৰ হয়।



## এদিনীয়া ৰেংকিঙৰ শীৰ্ষ স্থান অক্ষুণ্ণ ভাৰতৰ

# বিশ্ব চেম্পিয়ন ইংলেণ্ডক চেৰ পেলাই সপ্তম স্থানত আফগানিস্তান

**আবুধাবি, ২৫ অক্টোবৰ ঃ** ভাৰতীয় ক্ৰিকেট দলে এদিনীয়া ৰেংকিঙৰ তালিকাত ১১৫ ৰেটিং পইণ্টেৰে শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিছে। ইফালে, জিম্বাবুৱেক পৰাজিত কৰি ত্ৰিদেশীয় শৃংখলা দখল কৰাৰ সুফল লাভ কৰিলে আফগানিস্তানে। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিষ্ঠান আই চি চিৰ শেহতীয়া এদিনীয়া ক্ৰিকেটৰ ৰেংকিঙত বৰ্তমানৰ বিশ্ব চেম্পিয়ন ইংলেণ্ডক চেৰ পেলাই অষ্টম স্থানৰ পৰা সপ্তম স্থানলৈ উন্নীত হৈছে ৰছিদ খান বাহিনী। আনহাতে, পাক-শ্ৰীলংকাৰ হাতত ধাৰাবাহিক পৰাজয়ৰ পাছত ৮ নম্বৰ স্থানলৈ অৱনমিত হৈছে ২০১৯ চনৰ বিশ্বকাপ বিজয়ী ইংলেণ্ড। উল্লেখ্য যে, ২৩ অক্টোবৰ শুক্ৰবাৰে শ্বাৰজাহ অনুষ্ঠিত শৃংখলাৰ চূড়ান্ত খেলখনত অধিনায়ক ৰছিদ খানৰ চমকপ্ৰদ বলিং আৰু ইব্ৰাহিম জৰ্দানৰ অপৰাজিত ৭০ ৰানৰ সহায়ত আফগানিস্তানে অতি সহজে জিম্বাবুৱেক পৰাস্ত কৰে। ১১টা উইকেট দখল কৰা ৰছিদ খান ছিৰিজৰ শ্ৰেষ্ঠ আৰু জৰ্দান মেচৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়।




এই বিজয়ৰ ফলত আফগানিস্তানে ৯৪ ৰেটিং পইণ্ট লাভ কৰাৰ বিপৰীতে ৯৩ পইণ্ট লাভ কৰি অষ্টম স্থানলৈ অৱনমিত হয় ইংলেণ্ড। আই চি চিৰ নতুন তালিকা অনুসৰি, ৩৬খন মেচত ১১৫ পইণ্টেৰে ভাৰত প্ৰথম স্থানত থকাৰ বিপৰীতে ১০৯ পইণ্টেৰে নিউজিলেণ্ড দ্বিতীয়, ১০৪ পইণ্টেৰে দক্ষিণ আফ্ৰিকা তৃতীয়, পাকিস্তান চতুৰ্থ আৰু অষ্ট্ৰেলিয়া পঞ্চম স্থানত আছে। আনহাতে, শ্ৰীলংকাই ষষ্ঠ, আফগানিস্তানে সপ্তম, ইংলেণ্ডে অষ্টম, বাংলাদেশে নৱম আৰু ৱেষ্ট ইণ্ডিজে দশম স্থান দখল কৰিছে।

## ১০৮ দিনৰ মূৰত বৈভৱৰ সুযোগ গম্ভীৰৰ

**ক্ৰাইষ্টচাৰ্চ, ২৫ অক্টোবৰঃ** ঈশান কিষাণৰ আঘাতৰ সুবাদতে অৱশেষত ভাৰতীয় টি-২০ দলত স্থান লাভ কৰিছে ১৫ বছৰীয়া উদীয়মান প্ৰতিভা বৈভৱ সূৰ্যবংশীয়ে। নিউজিলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় টি-২০ মেচত অধিনায়ক শ্ৰেয়াছ আয়াৰৰ কৰা ঘোষণা অনুসৰি দলত দুটা পৰিৱৰ্তন কৰা হৈছে। সেই অনুসৰি আজি বৈভৱৰ লগতে প্ৰিন্স যাদৱেও স্থান লাভ কৰে। চলিত বৰ্ষৰ জুলাই মাহত ইংলেণ্ডৰ বিৰুদ্ধে অভিষেক ঘটোৱা বৈভৱে জিম্বাবুৱে ভ্ৰমণ আৰু এছিয়ান গেমছতো খেলিছিল যদিও তেতিয়া দলৰ প্ৰশিক্ষক আছিল ভিভিএছ লক্ষ্মণ। ইয়াৰ পিছতে গৌতম গম্ভীৰৰ প্ৰশিক্ষণকালত বৈভৱক দলত নিয়মানুৱৰ্তী সুযোগ দিয়া হোৱা নাছিল। অৱশেষত ঈশান কিষাণৰ আঘাতৰ ফলত প্ৰধান প্ৰশিক্ষক গম্ভীৰৰ অধীনত প্ৰায় ১০৮ দিনৰ মূৰত তেওঁ মূল দলত স্থান লাভ কৰিবলৈ সক্ষম হয়।

## মৰিগাঁৱত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

# কমাৰবড়ি জেবি ফুটবল একাদশৰ চেম্পিয়ন খিতাপ অৰ্জন

**বৰ্তমান সময়, মৰিগাঁও, ২৫ অক্টোবৰ·ঃ** মৰিগাঁও জিলাৰ কৰাইগুৰি জনজাতি যুৱক সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত সফলতাৰে সামৰণি পৰে ২৭ সংখ্যক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। স্বৰ্গীয় বাপুচিং বৰদলৈ আৰু স্বৰ্গীয়া পিপিলি বৰদলৈ সোঁৱৰণীত অনুষ্ঠিত এই প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জাগীৰোড সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই। মৰিবুঢ়াগাঁও ফুটবল একাদশ আৰু কমাৰবড়ি জে বি ফুটবল একাদশৰ মাজত অনুষ্ঠিত এই তীব্ৰ প্ৰত্যাহ্বানমূলক খেলখন উপভোগ কৰিবলৈ কেইবা সহস্ৰাধিক ফুটবলপ্ৰেমী ৰাইজৰ সমাগম ঘটে। খেলখনৰ প্ৰথমাৰ্ধত কমাৰবড়ি জে বি ফুটবল একাদশে ৩-১ গঅলৰ অগ্ৰগতি লাভ কৰে। পৰৱৰ্তী সময়ত, খেলৰ শেষাৰ্ধত মৰিবুঢ়াগাঁও ফুটবল একাদশে পুনৰ ১টা গ'ল পৰিশোধ কৰি খেলখনলৈ ঘূৰি অহাৰ চেষ্টা চলায়। কিন্তু কমাৰবড়ি জে বি ফুটবল একাদশে আকৌ এটা আকৰ্ষণীয় গঅল দি নিজৰ আধিপত্য বজাই ৰাখে।

## বৰপেটাত বাঁহৰ অস্থায়ী গেলেৰী সাজি খেল উপভোগ

**বৰ্তমান সময়, বৰপেটা, ২৫ অক্টোবৰঃ** বৰপেটা চহৰৰ আৰু নলবাৰী জিলাৰ মুকালমুৱাৰ আলোকচিত্ৰ একে ধৰণৰ। এয়া হৈছে খেলপথাৰত সাজি উলিওৱা অস্থায়ী বাঁহৰ গেলেৰী। অলপতে দুয়োখন স্থানত দুখনকৈ ৰাজ্যিক ভিত্তিত সম্পন্ন হৈছে ফুটবল প্ৰতিযোগিতা। ইপিনে মুকালমুৱাত পুনৰ আন এখন ফুটবল প্ৰতিযোগিতা আহি আছে। আধুনিক পৰ্যায়ৰ ষ্টেডিয়াম নথকাৰ বাবে খেলপথাৰত আয়োজকৰ ফালৰ পৰা বাঁহেৰে অস্থায়ী গেলেৰী সাজি দৰ্শকক ফুটবল খেল চোৱাৰ সুবিধা প্ৰদান কৰা হয়। ফুটবলৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা থকা ঠাই মুকালমুৱা আৰু বৰপেটা চহৰ। ফুটবল প্ৰতিযোগিতাৰ সময়ত প্ৰতি বছৰে বাঁহৰ অস্থায়ী গেলেৰী নিৰ্মাণ কৰি খেল বহি চোৱাৰ সুবিধা কৰি আহিছে আয়োজক সকলে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইবোৰ একো নেদেখে। লক্ষণীয়ভাৱে মুকালমুৱা আৰু বৰপেটা চহৰত আজিলৈকে এখন আধুনিক পৰ্যায়ৰ ষ্টেডিয়ামৰ আন্তঃগাঁথনি নিৰ্মাণ হৈ উঠা নাই। অইন কথা ক'বলৈ নাযাও, বৰপেটাত ১৯৮৭ চনতে আধাৰশিলা স্থাপিত ষ্টেডিয়াম আজিলৈকে নিৰ্মাণ সম্পূৰ্ণ নোহোৱাতো চৰম লজ্জাৰ বিষয়। বিষয়টো জনপ্ৰিয় মুখ্যমন্ত্ৰীগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰিছে বৰপেটাবাসীয়ে।



# মানচেষ্টাৰ চিটীৰ বিজয়ৰ ৰথ ৰোধ কৰিলে এষ্টন ভিলাই

**লণ্ডন, ২৫ অক্টোবৰ ঃ** ইংলিছ প্ৰিমিয়াৰ লীগৰ চলিত ছিজনত অব্যাহত থকা মানচেষ্টাৰ চিটীৰ বিজয়ৰ ৰথ ৰুধিলে এষ্টন ভিলাই। যোৱা নিশা ভিৰা পাৰ্কত অনুষ্ঠিত এখন হাই-ভল্টেজ মেচত ছেনেগালৰ আক্ৰমণাত্মক খেলুৱৈ নিকোলাছ জেকছনৰ দ্বৈত গ'লৰ সহায়ত এষ্টন ভিলাই ২-১ গ'লৰ ব্যৱধানত মানচেষ্টাৰ চিটীক পৰাজিত কৰে। খেলৰ আৰম্ভণিৰে পৰাই দুয়োটা দলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা দেখিবলৈ পোৱা যায়। মেচৰ ৬ মিনিটতে মানচেষ্টাৰ চিটীৰ ৰক্ষণবিভাগৰ ভুলৰ সুযোগ গ্ৰহণ কৰি কেপ্টেইন জন মেকগিনৰ পৰা লাভ কৰা পাছ জেকছনে সুন্দৰ গ'লেৰে এষ্টন ভিলাক ১-০ৰ অগ্ৰগতি প্ৰদান কৰে। দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে আৰ্লিং হালেণ্ডে এক সুন্দৰ হেডাৰেৰে মানচেষ্টাৰ চিটীৰ হৈ সমতা স্থাপন কৰে। অৱশ্যে ৬০ মিনিটত ইব্ৰাহিম এমবায়াৰ সহায়ত জেকছনে নিজৰ দ্বিতীয়টো গ'ল দি এষ্টন ভিলাৰ জয় নিশ্চিত কৰে। মেচৰ অন্তিম মুহূৰ্তত মানচেষ্টাৰ চিটীয়ে গ'ল পৰিশোধৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল যদিও ভিলাৰ গ'লৰক্ষক জাইয়ন সুজুকিৰ প্ৰদৰ্শনৰ বাবে সফল হ'ব নোৱাৰিলে। চলিত ছিজনত নিজৰ ঘৰুৱা খেলপথাৰত এষ্টন ভিলাৰ এয়া প্ৰথমটো জয়।

## ২২ নৱেম্বৰৰ পৰা নলবাৰীত শ্বহীদ স্মৃতি ক্ৰিকেট

**বৰ্তমান সময়, নলবাৰী, ২৫ অক্টোবৰঃ** নৱাৰুণ ক্লাব, নলবাৰীৰ উদ্যোগত অনুষ্ঠিত শ্বহীদ স্মৃতি প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ ৪০তম সংস্কৰণ ২২ নৱেম্বৰ,২০২৬ চনৰ পৰা নলবাৰী মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। প্ৰতিযোগিতাখনৰ চেম্পিয়ন ট্ৰফী নলবাৰীৰ এগৰাকী প্ৰসিদ্ধ ব্যক্তি প্ৰয়াত সতীশ চন্দ্ৰ তামুলীৰ নামত প্ৰদান কৰা হ'ব। ইতিমধ্যেই বিপুল কুমাৰ বৰুৱাক সভাপতি লগতে অনুপম হাজৰিকা আৰু দীপাংকৰ বৰুৱাক সম্পাদক হিচাপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰা হৈছে। ইচ্ছুক দলসমূহক প্ৰতিযোগিতাখনত যোগদানৰ কাৰণে ৭০০২৩-৮১৬৭০, ৯৮৬৪৩-৬৯৬৯৬, ৯১৭০৭-৮৬৭০২, ৮৬৩৮০-১৩৫০০ ফোন নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।



## লোহাৰকাঠাত নৈশ ফুটবল

# উদ্বোধনী খেলত টিডি এফচি মনাহকুছিৰ জয়

**বৰ্তমান সময়, মুকালমুৱা, ২৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ নৱগঠিত টিহু সমষ্টিৰ অন্তৰ্গত লোহাৰকাঠাত আৰম্ভ হৈছে পঞ্চম বাৰ্ষিক বকত হাজী সোঁৱৰণি প্ৰাইজমানি নৈশ ফুটবল প্ৰতিযোগিতা। লোহাৰকাঠা যুৱক সংঘৰ উদ্যোগত আৰু লোহাৰকাঠা ফুটবল একাডেমীৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাখন বিজেপি নেতা ইলিয়াছ আলীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলখনত গলদীঘলা এফ চি আৰু টি ডি এফ চি মনাহকুছি মুখামুখি হয়। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনত টি ডি এফ চি মনাহকুছিয়ে ৪-২ গ'লৰ ব্যৱধানত গলদীঘলা এফ চিক পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি লাভ কৰে। ৰোমাঞ্চকৰ খেলখন উপভোগ কৰিবলৈ খেলপথাৰত হাজাৰ হাজাৰ দৰ্শকৰ সমাগম ঘটে। উল্লেখ্য যে, এইবাৰৰ প্ৰতিযোগিতাখনত ৰাজ্যৰ কেইবাটাও আগশাৰীৰ ফুটবল দলকে ধৰি মুঠ ১১টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখনক কেন্দ্ৰ কৰি লোহাৰকাঠা আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ ক্ৰীড়াপ্ৰেমীসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। আয়োজকসকলে প্ৰতিযোগিতাখন সফল কৰি তুলিবলৈ সকলো ক্ৰীড়াপ্ৰেমীৰ সহায়-সহযোগিতা কামনা কৰিছে।

## এভাৰটনক পৰাজিত কৰি লীগৰ শীৰ্ষত আৰ্চেনেল



**লণ্ডন, ২৫ অক্টোবৰ ঃ** ইংলিছ প্ৰিমিয়াৰ লীগৰ এখন গুৰুত্বপূৰ্ণ মেচত এভাৰটনক ২-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি মানচেষ্টাৰ চিটিৰ সৈতে যৌথভাৱে তালিকাৰ শীৰ্ষ স্থান দখল কৰিছে আৰ্চেনেলে। ঘৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত ধাৰাসাৰ বৰষুণৰ মাজতে আৰ্চেনেলে আক্ৰমণাত্মক প্ৰদৰ্শনেৰে দলটোৱে সফলতা লাভ কৰে। খেলৰ ৭ মিনিটতে কৰ্নাৰৰ পৰা লাভ কৰা সুযোগৰ সদ্ব্যৱহাৰ কৰি এজৰি কনছাই আৰ্চেনেলৰ হৈ প্ৰথমটো গল স্ক'ৰ কৰে। ইপালে দ্বিতীয়াৰ্ধৰ ৬৮ মিনিটত বেন ৱাইটৰ সুন্দৰ ক্ৰছত গেব্ৰিয়েলে উৎকৃষ্ট হেডেৰেৰে দলৰ হৈ দ্বিতীয়টো গল দি জয় নিশ্চিত কৰে। ইফালে, লীগৰ আন এখন মেচত ফুলহামে ১-০ গ'লত কোৱেনট্ৰী চিটিক পৰাজিত কৰে। মেচৰ ৮০ মিনিটত অস্কাৰ বব সুন্দৰ গলেৰে ফুলহামে চলিত ছিজনৰ দ্বিতীয়টো লীগ জয় সাব্যস্ত কৰে। আনহাতে, টটেনহাম হটস্পাৰে ৩৬ বছৰৰ পাছত নিজৰ দ্বিতীয়টো ঐতিহাসিক বিজয় সাব্যস্ত কৰি চেলছিক ২-০ গ'লত পৰাজিত কৰে।

## জাপানত অনুষ্ঠিত এছিয়ান পেৰা গেমছত ভাৰতৰ ঐতিহাসিক সাফল্য

# ১১৪টা পদক অৰ্জন কৰা খেলুৱৈক অভিনন্দন প্ৰধানমন্ত্ৰীৰ

**নতুন দিল্লী, ২৫ অক্টোবৰ ঃ** জাপানৰ আইচি-নাগোয়াত সদ্যসমাপ্ত এছিয়ান পেৰা গেম্ছত ভাৰতে নিজৰ ক্ৰীড়া ইতিহাসৰ শ্ৰেষ্ঠ প্ৰদৰ্শন দাঙি ধৰি মুঠ ১১৪টা পদক লাভ কৰিবলৈ সক্ষম হৈছে। ৩০টা সোণ, ৩৫টা ৰূপ আৰু ৪৯টা ব্ৰঞ্জৰ পদকেৰে ভাৰতে পদক তালিকাৰ চতুৰ্থ স্থান দখল কৰে। ২০২৩ চনৰ হাংঝৌ সংস্কৰণত লাভ কৰা ১০৮টা পদকৰ অভিলেখ ভংগ কৰি দলটোৱে এই নতুন কৃতিত্ব অৰ্জন কৰে ভাৰতীয় খেলুৱৈয়ে। ভাৰতীয় ক্ৰীড়াবিদৰ এই অসাধাৰণ সফলতাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ ক্ৰীড়াদলটোক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰীয়ে লিখে, এছিয়ান পেৰা গেমছত আমাৰ ক্ৰীড়াবিদসকলৰ এয়া এক অনন্য সাফল্য! ১১৪টা পদকেৰে ভাৰতে শ্ৰেষ্ঠ প্ৰদৰ্শন দাঙি ধৰি সমগ্ৰ দেশবাসীলৈ অপৰিসীম গৌৰৱ আৰু আনন্দ কঢ়িয়াই আনিছে। প্ৰতিযোগিতাখনিত পেৰা-এথলেটিকছত ভাৰতে সৰ্বাধিক ৬৫টা পদক (২২ টা সোণ, ১৯ টা ৰূপ আৰু ২৪ টা ব্ৰঞ্জ) লাভ কৰে। জেভলিন থ্ৰ'ৱাৰ সুমিত আন্তিলে পুৰুষৰ এফ৪২-এফ৪৪/এফ৬১-এফ৬৪ শাখাত নিজৰ সোণৰ পদক অক্ষুণ্ণ ৰখাৰ লগতে ভাৰতে পডিয়ামৰ তিনিওটা স্থান দখল কৰে। ইফালে, দ্ৰুত মানৱী চিমৰন শৰ্মাই মহিলাৰ ১০০ মিটাৰ আৰু ২০০ মিটাৰ টি১২ ইভেণ্টত গেমছ ৰেকৰ্ডসহ দুটাকৈ সোণৰ পদক জয় কৰে। পেৰা-বেডমিণ্টনত ১৬টা, পেৰা-সন্তৰণত ১১টা আৰু পেৰা-আৰ্চাৰীত ৬টা পদক অৰ্জন কৰে ভাৰতে। শ্বুটিঙত মনা আগৰৱালে মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী পজিশ্বন এছএইচ১-ত অভিলেখ সহ সোণৰ পদক লাভ কৰাৰ লগতে ভাৰতে ২০২৮ চনৰ লছ এঞ্জেলছ পেৰালিম্পিকৰ বাবে দুটা কোটা সুনিশ্চিত কৰে। আনহাতে, ৫০ বছৰীয়া জেহান দৰাব মাদানে পেৰা-টেবুল টেনিছত ব্ৰঞ্জৰ পদক জয় কৰি প্ৰতিযোগিতাখনত ভাৰতৰ সৰ্বজ্যেষ্ঠ পদক বিজয়ী খেলুৱৈ হিচাপে পৰিগণিত হয়।



তৃতীয় পৃষ্ঠাৰ পৰা

## বিধায়ক-লোকনিৰ্মাণৰ বিৰুদ্ধে

বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰে বিশেষকৈ ৰাইজৰ জীৱন জীৱিকাৰ সৈতে জড়িত সৰুপেটাৰ মাজেৰে যোৱা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথৰ ওপৰৰ অৰ্ধনিৰ্মিত ৰে'ল উৰণ সেতুখনৰ লগতে সম্প্ৰতি বিপজ্জনক হৈ উঠা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথৰ মেৰামতিৰ কাম শীঘ্ৰেই আৰম্ভ কৰাৰ দাবী উত্থাপন কৰে। সভাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়নে তেওঁৰ ভাষণত কয়— ৰাজপথৰ আন্দোলনক আমি গণতন্ত্ৰৰ আত্মা হিচাপে গণ্য কৰোঁ। সৰুপেটাত অৰ্ধনিৰ্মিত ৰে'ল উৰণ সেতুখনৰ লগতে ভয়ানকভাৱে বিপজ্জনক হৈ উঠা ভৱানীপুৰ-মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথৰ দুৰৱস্থা দেখিও প্ৰশাসন তথা লোক নিৰ্মাণ বিভাগে চকুমুদা কুলিৰ ভাও ধৰিছে। ইয়াৰ দ্বাৰাই অঞ্চলটোৰ ৰাইজৰ জীৱন-জীৱিকাক লৈ তেওঁলোকে খেল খেলি অহা বুলি আমি গণ্য কৰিছোঁ। বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে অলপতে শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথৰ মেৰামতিৰ কাম শীঘ্ৰেই আৰম্ভ হ'ব বুলি কৈ অঞ্চলটোৰ ৰাইজক আশ্বস্ত কৰাৰ চেষ্টা কৰিছে। কিন্তু পথছোৱাৰ কোনো কামেই আৰম্ভ হোৱা এতিয়ালৈকে পৰিলক্ষিত হোৱা নাই। আমি তেওঁলোকক 'টুপী পিন্ধোৱা' ৰাজনীতি পৰিহাৰ কৰিবলৈ আহ্বান জনাইছোঁ। আনহাতে সৰুপেটাত অৰ্ধনিৰ্মিত ৰে'ল উৰণ সেতুখনৰ অঞ্চলটোৰ ৰাইজলৈ আনি দিয়া দুৰৱস্থা প্ৰত্যক্ষ কৰিও আজিলৈকে কোনোধৰণৰ শব্দ এটাও ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়কগৰাকীয়ে উচ্চাৰণ নকৰাটো আমি প্ৰত্যক্ষ কৰি আহিছোঁ। এইক্ষেত্ৰত স্থানীয় একাংশ ন্যস্তস্বাৰ্থ জড়িত লোকেও নিজৰ অভীষ্ট সিদ্ধিৰ উদ্দেশ্যে অঞ্চলটোৰ উন্নয়নত বাধা আৰোপ কৰি আহিছে।ফলত ৰে'ল উৰণ সেতু নিৰ্মাণ সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত অধিগৃহীত মাটিৰ গৰাকীসকলক ক্ষতিপূৰণ আদায় দিয়াত বৈষম্যৰ কথাটোও আহি পৰিছে। কিন্তু আমি দৃঢ়তাৰে কওঁ, সমষ্টিটোৰ প্ৰাক্তন জনপ্ৰতিনিধিগৰাকীৰ নেতিবাচক ভূমিকাই হওক অথবা অঞ্চলটোৰ একাংশ লোকৰ কু-অভিসন্ধি আৰু লোকনিৰ্মাণ (গৃহ) বিভাগৰ ক্ষতিপূৰণ আদায়ৰ বৈষম্যমূলক নীতিৰ কুফল বৃহত্তৰ অঞ্চলটোৰ ৰাইজে ভুগিব নোৱাৰে। সেয়ে ৰাইজৰ অতিকে আপোন যুৱ-ছাত্ৰ পৰিষদ সদায়েই ৰাইজৰ সৈতে থাকিব আৰু ৰাইজৰ সৈতেই মিলি কাম কৰি আগুৱাই যাব। সভাত অংশগ্ৰহণ কৰি অঞ্চলটোৰ বৰ্ষীয়ান বাঁওপন্থী নেতা অক্ষয় কুমাৰ ডেকাই দুয়োটা বিষয় লৈ ৰাজহুৱা সভা আহ্বানৰ পৰামৰ্শ আগবঢ়ায়। তদুপৰি সুচল যাতায়তৰ অধিকাৰ হৰণ কৰা ৰে'ল উৰণ সেতু নিৰ্মাণ আৰু 'শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথ' নিৰ্মাণকাৰী সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে আইনী গোচৰ দিয়াৰো তেওঁ পৰামৰ্শ আগবঢ়ায়। ভৱানীপুৰৰ বাসিন্দা তথা যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাজীৱ বায়নে তেওঁৰ ভাষণত কয়— সৰ্বোচ্চ ১১ টন পৰ্যন্ত ভৰ বহনকাৰী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথত এতিয়া আৰক্ষীৰ সন্মুখতে দিনে-নিশাই নিৰ্বিঘ্নে ৫৫-৬০ টনলৈকে ভৰ বহনকাৰী ডাম্পাৰৰ দৌৰাত্ম্য চলিছে। অসমৰ ৰাজনৈতিক মানচিত্ৰত গুৰুত্বপূৰ্ণ অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদৰ নামেৰে নামকৰণ কৰা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথৰ এনে দুৰৱস্থা সমগ্ৰ ভৱানীপুৰবাসীৰ লগতে অসমবাসীৰ বাবেই দুৰ্ভাগ্যজনক। বৰ্তমান এইখন চৰকাৰৰ দিনত জনতাৰ কণ্ঠৰোধৰ নীতি চলিছে। গণতান্ত্ৰিক আন্দোলন মচিমূৰ কৰাৰ চেষ্টা চলিছে।ফলত ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈ আহিছে।সভাত যুৱ-ছাত্ৰ পৰিষদৰ আন এগৰাকী নেতা নিপল ডেকাৰ লগতে অঞ্চলটোৰ সচেতন নাগৰিক ৰামকৃষ্ণ তালুকদাৰ, নিবাৰণ দাস, গপেশ চন্দ্ৰ দাস, উপেন তালুকদাৰ আৰু প্ৰসেনজিত মেধিৰ লগতে কেইবাগৰাকী লোকে ভাষণ প্ৰদান কৰে। সভাত অচিৰেই দুয়োটা বিষয় লৈ বজালী জিলা আয়ুক্তক লগ ধৰাৰ লগতে অধিকাৰ আদায় অবিহনে গণতান্ত্ৰিক আন্দোলন সংগঠিত কৰাৰ পোষকতা কৰা হয়।

## মাকুম আৰক্ষীক বিধায়ক সঞ্জয়

জনতাই পৰিয়াল-পৰিজনৰ সৈতে আনন্দ-উল্লাসেৰে সময় অতিবাহিত কৰাৰ বিপৰীতে আৰক্ষী বাহিনীৰ বিষয়া-জোৱানসকলে নিজৰ ব্যক্তিগত সময় আৰু স্বাচ্ছন্দ্যক আওকাণ কৰি জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে কৰ্তব্যত নিয়োজিত হৈ থাকিবলগীয়া হয়। আৰক্ষীৰ এই ত্যাগ আৰু দায়িত্ববোধৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে বিধায়কগৰাকীয়ে এই পদক্ষেপ গ্ৰহণ কৰে। উল্লেখযোগ্য যে দুৰ্গাপূজা হৈছে অসমৰ অন্যতম বৃহৎ ধৰ্মীয় আৰু সামাজিক উৎসৱ। পূজাৰ কেইদিনত মাকুমৰ বিভিন্ন পূজামণ্ডপত ভক্ত, দৰ্শনাৰ্থী আৰু সাধাৰণ ৰাইজৰ ব্যাপক সমাগম ঘটে। পূজাৰ পৰা নিশালৈকে পূজামণ্ডপসমূহত ভিৰ বৃদ্ধি পোৱাৰ লগতে পথসমূহতো যান-বাহনৰ চলাচল বৃদ্ধি পায়। এনে পৰিস্থিতিত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নোহোৱাকৈ উৎসৱৰ পৰিৱেশ শান্তিপূৰ্ণ কৰি ৰখাটো আৰক্ষী প্ৰশাসনৰ বাবে এক গুৰুত্বপূৰ্ণ দায়িত্ব হৈ পৰে। এই সময়ছোৱাত মাকুম আৰক্ষী আৰু যান-বাহন শাখাৰ জোৱানসকলে বিভিন্ন পূজা মণ্ডপৰ সমীপত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে জনসমাগম নিয়ন্ত্ৰণ, যান-জঁটৰ সমস্যা হ্ৰাস আৰু পথত যাতায়াত সুচল কৰি ৰখাৰ বাবে নিৰলসভাৱে কৰ্তব্য পালন কৰে। ভক্ত আৰু দৰ্শনাৰ্থীসকলে যাতে নিৰাপদে পূজামণ্ডপলৈ অহা-যোৱা কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষীয়ে বিশেষ সতৰ্কতা অৱলম্বন কৰে। দুৰ্গোৎসৱৰ দৰে বৃহৎ জনসমাগম হোৱা অনুষ্ঠানত আৰক্ষীৰ তৎপৰতা আৰু দায়িত্বশীল ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়।মাকুম সদৰ আৰক্ষী থানাত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত বিধায়ক সঞ্জয় কিষাণে আৰক্ষী বাহিনীৰ সেৱাক স্বীকৃতি জনাই তেওঁলোকৰ মনোবল বৃদ্ধি কৰাৰ প্ৰয়াস কৰে। আৰক্ষী বাহিনী কেৱল আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতে নহয়, জনসাধাৰণৰ জীৱন-সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰা আৰু সমাজত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ উৎসৱৰ সময়ছোৱাত আৰক্ষীৰ তৎপৰতা আৰু সতৰ্কতাই সাধাৰণ ৰাইজৰ মাজত নিৰাপত্তাৰ বিশ্বাস দৃঢ় কৰাত সহায় কৰে। অনুষ্ঠানত মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া দত্ত, হাপজান পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ, ৱাৰ্ড কমিচনাৰসকলৰ লগতে মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত পৰিদৰ্শক পুলক কুমাৰ, উপ-পৰিদৰ্শক প্ৰিয়ংকা বৰা, সোণাৰাম গগৈ আৰু কেইবাগৰাকীও আৰক্ষী বিষয়া তথা কৰ্মচাৰী উপস্থিত থাকে। দুৰ্গাপূজাৰ সময়ছোৱাত আৰক্ষী বাহিনীয়ে পালন কৰা দায়িত্ব আৰু আগবঢ়োৱা সেৱাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি বিধায়ক সঞ্জয় কিষাণে আগবঢ়োৱা এই সম্বৰ্ধনাই আৰক্ষী আৰু জনপ্ৰতিনিধিৰ মাজত সহযোগিতাৰ এক ইতিবাচক বাৰ্তা বহন কৰিছে। জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ অৱদানক যথোচিত সন্মান জনোৱাৰ লগতে এনে স্বীকৃতিয়ে ভৱিষ্যতেও আৰক্ষীক অধিক উৎসাহ আৰু দায়বদ্ধতাৰে সেৱা আগবঢ়াবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে বিধায়ক সঞ্জয় কিষাণে।

## বিলাসীপাৰাত আমছুৰ প্ৰতিবাদী

'ডি' ভোটাৰ সমস্যাৰ স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ, এছ আৰ প্ৰক্ৰিয়াৰ বিসংগতি দূৰ কৰি নিৰপেক্ষতা আৰু স্বচ্ছতা সুনিশ্চিত কৰা, ভোটাৰ তালিকা সংশোধনৰ নামত নিৰ্দোষী নাগৰিকৰ হাৰাশাস্তি কৰা বন্ধ কৰাৰ দাবী জনায়। ইয়াৰ লগতে সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ বিসংগতি দূৰ কৰি ভৌগোলিক আয়তন আৰু ভোটাৰৰ সংখ্যাৰ মাজত যুক্তিসংগত সামঞ্জস্য স্থাপন কৰা, ভোটাধিকাৰ আৰু সাংবিধানিক অধিকাৰ খৰ্ব কৰা যিকোনো অন্যায়মূলক ব্যৱস্থা বন্ধ কৰা তথা সকলো নাগৰিকৰ সমান অধিকাৰ আৰু গণতান্ত্ৰিক মৰ্যাদা সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। আমছুৰ বিলাসীপাৰা জিলা সমিতিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবীসমূহৰ প্ৰতি গুৰুত্ব আৰোপ কৰি শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## ৰাষ্ট্ৰীয় ঘাইপথত তেলভৰ্তি

অভিমুখী এনএল-০১ এল-৬৮৭৫ নম্বৰৰ এখন পেট্ৰ'লভৰ্তি টেংকাৰে ৰাষ্ট্ৰীয় পথৰ ডিভাইডাৰ আৰু বিদ্যুতৰ খুঁটা ভাঙি দুৰ্ঘটনাত পতিত হয়।দুৰ্ঘটনাত পথৰ কাষৰ উমা ভূঞাৰ শাক-পাছলিৰ দোকান ভাঙি লণ্ডভণ্ড হয়। পেট্ৰ'লৰ টেংকাৰখন বাগৰি পৰাত তেল নিৰ্গমন হয়।পাছত অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত অগ্নি নিৰ্বাপন বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণ বিভাগৰ দুৰন্ত গাফিলতি আৰু দুৰ্নীতিৰে আধৰুৱাকৈ অবিজ্ঞানসন্মত নিৰ্মাণ কাৰ্যৰ বাবেই এই এলেকাত পঞ্চাশটাৰো অধিক পথ দুৰ্ঘটনাত প্ৰায় বিশজনৰো অধিক লোকে প্ৰাণ হেৰুৱাৰ লগতে বহু লোক আহত হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইফালে, বিদ্যুতৰ খুঁটা কে'বাবাৰো ভগাৰ লগতে ডিভাইদাৰ ভাঙি টুকুৰা-টুকুৰ হৈ পৰিছে। মানুহৰ প্ৰাণ যোৱাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ষতিসাধন হৈ আছে যদিও পথ নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰৰ কাণসাৰ নোহোৱাত আৰু যান-বাহন নিয়ন্ত্ৰণৰ বাস্তৱ ব্যৱস্থা, সতৰ্কৰণৰ চাইনবৰ্ড, হালধীয়া লাইট, ৪০ কিঃমিঃ গতিবেগৰ নিৰ্দেশনা আদি নোহোৱাৰ কাৰ্যত তীব্ৰ গৰিহণা দিছে স্থানীয় সচেতন নাগৰিকে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথৰ পুৰণিগুদামৰ কেঁকুৰিত কিছুদিন পূৰ্বে সংঘটিত দুৰ্ঘটনাত বিলাসী গাড়ী জ্বলি গাড়ীৰ ভিতৰতে দুগৰাকী মহিলা জ্বলি গৈছিল। এইবাৰ আজি পুৱতি নিশাৰ দুৰ্ঘটনাত বৃহত্তৰ অঞ্চলটোৰ পেট্ৰ'ল টেংকাৰখন জুইত জাহ যোৱাৰ পৰা বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ ৰাইজ ৰক্ষা পৰিল। তেলভৰ্তি টেংকাৰখন সৌভাগ্যবশতঃ নজ্বলিল যদিও সমগ্ৰ অঞ্চলটো তেলেৰে ওপঙাই পেলায়। উক্ত দুৰ্ঘটনাত টেংকাৰখনৰ চালক, হেণ্ডিমেন আঘাতপ্ৰাপ্ত হয় বুলি জানিব পৰা গৈছে।

## লণ্ডনত মহা সমাৰোহেৰে

ভক্তৰ মাজৰ সম্পৰ্ক তথা ভক্তসকলৰ মাজত থকা অনুৰাগ আৰু নিঃস্বাৰ্থ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে। ষোড়শ শতিকাতে গুৰুজনাই বৰগীতৰ মাধ্যমেৰে ভগৱানৰ সৈতে কেনেদৰে আত্মিক সম্পৰ্ক স্থাপন কৰিব পাৰি, সেই শিক্ষা প্ৰদান কৰিছিল বুলিও তেওঁ উল্লেখ কৰে। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান গীতুৎপল্লা বৰদলৈৰ শ্লোকপাঠ আৰু সমৱেত সংগীতেৰে আৰম্ভ হয়। অনুষ্ঠানৰ প্ৰধান আকৰ্ষণ আছিল 'লৰণু চোৰ' নৃত্য-নাটিকা। দ্বিতীয় প্ৰজন্মৰ প্ৰিতিশা লহকৰ আৰু তৃতীয় প্ৰজন্মৰ সাত বছৰীয়া জেইমছ কাকতি তথা যশোৱা শিকদাৰে নৃত্য পৰিৱেশন কৰি দৰ্শকৰ প্ৰশংসা বুটলে। ভানুশ্ৰী মেধিয়ে নৃত্য-নাটিকাখন পৰিচালনা কৰে।ইয়াৰ উপৰি বিস্তীৰ্ণা আৰু গৌৰী গোস্বামীয়ে সত্ৰীয়া আৰু দশাৱতাৰ নৃত্য পৰিৱেশন কৰে। মনালিছা দাস তালুকদাৰ আৰু ছন্দমিতা শৰ্মাই বৰগীত পৰিৱেশন কৰাৰ লগতে ঋষি চৌধুৰীৰ খোল বাদনৰ সহযোগত ৰশ্মি ভৰালীয়েও এটি বৰগীত পৰিৱেশন কৰে। নিৰলা বৰুৱাই গুৰুজনাৰ 'কৰতল কমল' পদৰ প্ৰসংগৰে নিজৰ ৰচিত 'শৰতৰ পৰশ' কবিতাটো আবৃত্তি কৰে। আমন্ত্ৰিত অতিথি জীনা ৰাজকুমাৰীয়েও দিহানাম, বৰগীত আৰু লোকগীত পৰিৱেশন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে। জাহ্নৱী গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত অনুষ্ঠানৰ সামৰণি পৰে। শেষত আয়োজিত জয়ন্তী ভোজনেৰে দিনজোৰা কাৰ্যসূচীৰ সমাপ্তি ঘটে। প্ৰবাসৰ মাটিত গুৰুজনাৰ আদৰ্শ, অসমীয়া ভাষা-সংস্কৃতি আৰু সত্ৰীয়া পৰম্পৰা নতুন প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যুক্তৰাজ্য অসম সাহিত্য সভাৰ এই উদ্যোগে বিশেষ তাৎপৰ্য বহন কৰিছে।

## ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক

ইমাম, বিশিষ্ট আলিম মৌলানা মোছাদ্দিক হুছেইন। সভাখন সঞ্চালনা কৰে বিশিষ্ট সাংবাদিক তথা অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ইকবাল আহমদে। বৰ্তমানৰ ব্যস্ততাপূৰ্ণ শিক্ষা ব্যৱস্থাৰ মাজত শিশুসকলক কেনেদৰে দ্বীনি অৰ্থাৎ ধৰ্মীয় শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰি তাৰ বাবে মোক্তবসমূহৰ গুৰুত্ব অপৰিসীম আৰু এই ক্ষেত্ৰত অভিভাৱক, ইমাম তথা পৰিচালনা সমিতিসমূহে কেনেদৰে সমন্বিতভাৱে এই বিষয়ত আগবাঢ়ি যাব পাৰে, সেই বিষয়সমূহ আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে আৰম্ভণিতে দোৱা কৰি অনুষ্ঠানৰ সূচনা কৰে জোনাব চমিৰুদ্দিন ছমৰে। অনুষ্ঠানটিৰ পাতনি মেলি চমু ভাষণেৰে উপস্থিত সকলোকে আদৰণি জনায় চেণ্টাৰৰ সভাপতি চেহিৰ আহমেদে লগতে তেওঁ চেণ্টাৰৰ সুদীৰ্ঘ ২৭ বছৰীয়া পৰিক্ৰমাৰ এক চমু খতিয়ান দাঙি ধৰে। প্ৰস্তাৱনা আগবঢ়ায় চেণ্টাৰৰ উপ-সভাপতি আব্দুল খালেকে। শিশুসকলক আধুনিক শিক্ষাৰ লগতে সুস্থ ধৰ্মীয় মূল্যবোধ আৰু নৈতিক শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত এক ফলপ্ৰসূ কৰ্মপন্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য আগবঢ়ায় অনুষ্ঠানৰ মুখ্য আলোচকে। তেখেতে ভাষণ প্ৰসংগত আৰু কয় যে শিশুসকলক যদি দ্বীনি (ধৰ্মীয়) শিক্ষা সৰুৰে পৰা দিয়া নহয়, ডাঙৰ হ'লে শিশুটি আদৰ্শহীন হৈ কাকো নমনা হয় আৰু বিভিন্ন অসামাজিক কাৰ্যকলাপত লিপ্ত হয়। সেয়েহে ল'ৰা-ছোৱালীক সৰুৰে পৰা সুশিক্ষাৰে শিক্ষিত কৰি আদৰ্শৱান ব্যক্তি হিচাপে সমাজত প্ৰতিষ্ঠা কৰিব লাগে। সঞ্চালকৰ ভাষণত বিশিষ্ট সাংবাদিক ইকবাল আহমেদে বিজ্ঞানৰ লগত পৱিত্ৰ কোৰান শ্বৰীফৰ সম্পৰ্কৰ কথা উদাহৰণ সহকাৰে বুজাই দিয়াৰ লগতে বিজ্ঞানভিত্তিক ধৰ্মীয় কথাবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত উপস্থিত থাকে চেণ্টাৰৰ জ্যেষ্ঠতম তথা প্ৰতিষ্ঠাপক সদস্য আব্দুল হকে। অনুষ্ঠানত কেইবাগৰাকী বক্তা তথা বিভিন্ন জামাতৰ পৰা অহা ব্যক্তিয়ে বক্তব্য প্ৰদান কৰে আৰু তেওঁলোকে বিষয়বস্তুৰ ওপৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়, সেইসকলৰ ভিতৰত ড° মুহিবুল ইছলাম, মুহিবুল আহমেদ, ইমৰান হুছেইন, ইজাজুৰ ৰহমান, চৌকত আলী, মতি বিশ্বাস, মুহিবুল হুছেইন আদিয়ে। চেণ্টাৰৰ সম্পাদক এম হাছিম আলীয়ে সুপৰামৰ্শৰে প্ৰশ্ন উত্থাপন কৰে। অনুষ্ঠানৰ শেষত সদ্যপ্ৰয়াত ডিব্ৰুগড় ঈদগাহ কমিটী আৰু নালিয়াপুল কবৰস্থান কমিটীৰ সভাপতি আলহজ আমানুল্লা আনছাৰি (ভানু)ৰ বিয়োগত সভাই গভীৰ শোক প্ৰকাশ কৰে লগতে তেওঁৰ বাবে দোৱা কৰাৰ লগতে আৰু বিশ্ব শান্তিৰ বাবে দোৱা-প্ৰাৰ্থনা কৰে মৌলানা মোছাদ্দিক হুছেইনে। অনুষ্ঠাটিৰ আঁত ধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় আব্দুল ছাজিদ আৰু ইমৰান হুছেইনে।

## তামুলপুৰত চাৰিদিনীয়া বৰ্ণাঢ্য

বিশিষ্ট সাহিত্যিক গোপাল জালানকে ধৰি অঞ্চলটোৰ পুৰুষ-মহিলা, যুৱক-যুৱতী আৰু ভক্তপ্ৰাণ ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। ভাগৱত শোভাযাত্ৰাত ভক্তসকলে হৰি নাম-সংকীৰ্তন কৰি আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ আদৰ্শ আৰু নৱবৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ বাণী জনসাধাৰণৰ মাজত বিলাই দিয়ে। শংখ, খোল, তাল আৰু হৰিনামৰ ধ্বনিৰে সমগ্ৰ কালাকুছি অঞ্চল মুখৰ হৈ পৰে। বৰ্ণাঢ্য শোভাযাত্ৰাই কালাকুছিৰ ৰাজপথত সৃষ্টি কৰে এক উৎসৱমুখৰ আৰু আধ্যাত্মিক পৰিৱেশ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নামধৰ্ম, ভক্তি, সাম্য, সম্প্ৰীতি আৰু মানৱতাৰ আদৰ্শক সোঁৱৰণ কৰি আয়োজন কৰা এই জন্ম উৎসৱত সকলো শ্ৰেণীৰ লোকৰ ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হয়। বিশেষকৈ পুৰুষ-মহিলা, যুৱক-যুৱতী আৰু শিশুৰ উৎসাহজনক উপস্থিতিয়ে অনুষ্ঠানটোক অধিক সজীৱ কৰি তোলে। ভক্তিৰসত উবুৰি খোৱা ভাগৱত শোভাযাত্ৰাৰ সময়ছোৱাত 'হৰি নাম'ৰ ধ্বনিৰে মুখৰিত হৈ পৰা কালাকুছিৰ পৰিৱেশে যেন সৃষ্টি কৰে এক আধ্যাত্মিক আবহ। ভক্তপ্ৰাণ ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে কালাকুছিক ক্ষণিকৰ বাবে যেন দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত কৰে। উল্লেখ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী উপলক্ষে কালাকুছিত আয়োজিত চাৰিদিনীয়া কাৰ্যসূচীত নাম-প্ৰসংগ, ধৰ্মীয় অনুষ্ঠান, সাংস্কৃতিক কাৰ্যসূচীকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

**১০ নৱেম্বৰত গঠন হ'ব স্বগোষ্ঠীয় আঞ্চলিক ৰাজনৈতিক দল**

# মৰিগাঁৱত ৫টা তিৱা জাতীয় সংগঠনৰ উদ্যোগত জাতীয় অভিৱৰ্তন




**বৰ্তমান সময়, মৰিগাঁও, ২৫ অক্টোবৰ ঃ** মধ্য অসমৰ তিৱা জনগোষ্ঠীটোক দীৰ্ঘদিন ধৰি শাসক-বিৰোধী উভয় ৰাজনৈতিক দল আৰু নেতৃত্বাধীন চৰকাৰসমূহে কৰি অহা বঞ্চনাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে জনজাতীয় জনগোষ্ঠীটো। ইয়াৰে বহিৰ্প্ৰকাশ ঘটাই আজি মৰিগাঁৱত অনুষ্ঠিত কৰা এক বিশাল জাতীয় অভিৱৰ্তনত আগন্তুক ১০ নৱেম্বৰত এটা নতুন আঞ্চলিক ৰাজনৈতিক দল গঠনৰ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ১০ নৱেম্বৰত এখন ৰাজনৈতিক অভিৱৰ্তন অনুষ্ঠিত কৰি আনুষ্ঠানিকভাৱে নতুন আঞ্চলিক ৰাজনৈতিক দলটো গঠন কৰাৰ পিছতে তিৱা স্বায়ত্ত পৰিষদৰ আগন্তুক নিৰ্বাচনত ৰাষ্ট্ৰীয় আৰু অন্যান্য আঞ্চলিক দলসমূহক উপেক্ষা কৰি উক্ত স্বগোষ্ঠীয় আঞ্চলিক ৰাজনৈতিক দলটোৰ নিজা প্ৰতীক চিহ্নত নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ এক কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে তিৱা জাতীয় সংগঠনকেইটাই। ইয়াৰ উপৰি ৰাজনৈতিক অভিৱৰ্তনখনত আগন্তুক দিনত জনগোষ্ঠীটোৰ ন্যায্যপ্ৰাপ্তিৰ বাবে লক্ষ্য-উদ্দেশ্য আৰু কৰ্মপন্থা নিৰ্ধাৰণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আজি মৰিগাঁও চহৰৰ গান্ধী ভৱন প্ৰেক্ষাগৃহত সদৌ তিৱা ছাত্ৰ সন্থা (এটছু), সদৌ তিৱা মহিলা সন্থা (এটুৱা), তিৱা যুৱ-ছাত্ৰ পৰিষদ, তিৱা সাংস্কৃতিক সমাজ আৰু সন্মিলিত গণ মঞ্চ, অসম'ৰ যৌথ উদ্যোগত অনুষ্ঠিত তিৱা জাতীয় অভিৱৰ্তনখনত পাঁচটাকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এইসমূহৰ ভিতৰত ঘাইকৈ ১১৩খন তিৱা ৰাজহ গাঁৱক সামৰি আগন্তুক স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বাবে এখন নিখুঁত ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ চৰকাৰক দাবী জনোৱা, জনগোষ্ঠীটোৰ উত্তৰণৰ স্বাৰ্থত বিভাজিত গোটসমূহক একত্ৰিত হ'বলৈ আহ্বান জনোৱাৰ উপৰি তিৱা, ৰাভা আৰু মিচিং জনগোষ্ঠীক ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ ক্ষেত্ৰত অৱসৰপ্ৰাপ্ত আই পি এছ বিষয়া ড° লজ্জা ৰাম বিষয়ক মধ্যস্থতাকাৰী নিয়োগ কৰাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰা হয়। সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি প্ৰশান্ত মছৰং, তিৱা যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি কৃষ্ণ কোঁৱৰ আৰু সদৌ তিৱা মহিলা সন্থাৰ উপ-সভানেত্ৰী অৰ্চনা কোঁৱৰৰ সঞ্চালনাত অনুষ্ঠিত অভিৱৰ্তনখনত তিৱা স্বায়ত্ত পৰিষদৰ প্ৰতিষ্ঠাপক মুখ্য কাৰ্যবাহী সদস্য, তিৱা সংগ্ৰামী নেতা নাৰায়ণ কুমাৰ ৰাডুকাকতি, মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা, অধ্যক্ষ মদন চন্দ্ৰ বৰদলৈ, উপাধ্যক্ষ অংকুৰ দেউৰী, এটছুৰ প্ৰাক্তন সভাপতি ক্ৰমে প্ৰণৱজ্যোতি মছৰং, প্ৰহ্লাদ মছৰং, উপদেষ্টা অনিৰুদ্ধ মিথি, এটোৱাৰ সভানেত্ৰী জোনালী মিথি প্ৰমুখ্যে জনগোষ্ঠীটোৰ বহুকেইজন শীৰ্ষ নেতা আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অভিৱৰ্তনখনত ভাষণ প্ৰদান কৰি তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰকে ধৰি জনগোষ্ঠীটোৰ কেইবাগৰাকী নেতাই তিৱা স্বায়ত্ত পৰিষদখনক চৰকাৰে হাতৰ পুতলাৰ লেখীয়া আচৰণ কৰি অহা বুলি অভিযোগ কৰি এনে কাৰ্যত গভীৰ ক্ষোভ প্ৰকাশ কৰে। বিজেপি নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনত এগৰাকী স্বগোষ্ঠীয় বিধায়ক থকাৰ পাছতো স্বায়ত্ত পৰিষদখনৰ উত্তৰণ নঘটাটো অতি দুৰ্ভাগ্যজনক বুলিও বক্তাসকলে মন্তব্য কৰে। অভিৱৰ্তনখনৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যাৰ লগতে কাৰ্যসূচীৰ আঁত ধৰে সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপক আমছঙে আৰু উদ্বোধনী ভাষণ প্ৰদান কৰে মুখ্য উপদেষ্টা ৰিমল আমছিয়ে। অভিৱৰ্তনত তিৱা স্বায়ত্ত পৰিষদৰ ৩৬টা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বিভিন্নজন বিশিষ্ট ব্যক্তি আৰু দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইপিনে অভিৱৰ্তনৰ পুৱাৰ ভাগত এটছুকে ধৰি তিনিটা জাতীয় সংগঠনৰ পতাকা উত্তোলনৰ পাছতে তিৱা জনগোষ্ঠীৰ পিতৃপুৰুষ ইন্দ্ৰচিং দেউৰী আৰু তিৱা জাতীৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক, বীৰ পুৰুষ জোঙাল বলহুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ক্ৰমে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰতিষ্ঠাপক মুখ্য কাৰ্যবাহী সদস্য নাৰায়ণ কুমাৰ ৰাডুকাকতি আৰু তিৱা সাংস্কৃতিক সমাজৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক সুভেন চন্দ্ৰ বৰদলৈয়ে।

# জোনবিল মেলাত ৫ হাজাৰ শিল্পীৰ তিৱা লোকনৃত্য পৰিৱেশন

**বৰ্তমান সময়, জাগীৰোড, ২৫ অক্টোবৰ ঃ** ৰাজ্যত পুনৰ আৰম্ভ হ'বলগীয়া লোকগণনাৰ বাবে ভূমিপুত্ৰ তিৱাসকল অধিক তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে । বিশেষকৈ লোকগণনাত তিৱাসকলে কিদৰে নিজৰ সঠিক তথ্য সন্নিৱিষ্ট কৰিব তাক লৈ শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এক বৈঠকত মিলিত হয় সদৌ তিৱা পিনুং আগুৱাই চ্যমতৰ এটা সঁজাতী দল । বৈঠকত তিৱা অৰ্থাৎ লালুং জনগোষ্ঠীৰ লোকসকলে নিজৰ জাতি হিচাপে তিৱা লালুং, ভাষা হিচাপেও তিৱা লালুং আৰু ধৰ্ম হিচাপে পিনুং ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে তিৱাসকলৰ বাবে লোকগণনা প্ৰক্ৰিয়াত এই বিশেষ সুবিধা উপলব্ধ থাকিব বুলি লোকগণনা সঞ্চালকেও নিশ্চিতি প্ৰদান কৰে। সেয়ে তিৱা জাতিসত্তা ৰক্ষাৰ স্বাৰ্থত এনে লোকগণনাত তথ্য সন্নিৱিষ্ট কৰিবলৈ সকলোকে আহ্বান জনায় সদৌ তিৱা পিনুং আগুৱাই চ্যমতে। ইফালে আগন্তুক বৰ্ষৰ ২১ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ঐতিহাসিক জোনবিল মেলাত পাঁচ হাজাৰ তিৱা নৃত্য শিল্পীৰ দ্বাৰা এটা তিৱা লোকনৃত্য পৰিৱেশন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে । উক্ত লোকনৃত্য উপভোগ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব বুলি তিৱা সংগঠনটোৰ নেতৃত্বই জানিবলৈ দিয়ে । জানিব পৰা মতে অহা ৩১ অক্টোবৰত পশ্চিম কাৰ্বি আংলঙৰ উলুখুঞ্জিত অনুষ্ঠিত হ'বলগীয়া তিৱাসকলৰ পৰম্পৰাগত লাংখন পূজাতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। সেয়ে সেইদিনা সকলোকে উপস্থিত থাকিবলৈ আহ্বান জনায় সংগঠনটোৱে।

তৃতীয় পৃষ্ঠাৰ পৰা

## হাউলীত ব্লক কংগ্ৰেছৰ জনজাগৰণ

উপস্থিত থকা পদযাত্ৰা কাৰ্যসূচীত ভোট চুৰি বন্ধ কৰক, ভোট চোৰ গাদী চোৰ, জ্ঞানেশ কুমাৰ পদত্যাগ কৰক, গৃহমন্ত্ৰী অমিত শ্বাহ মুৰ্দাবাদ, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, বিজেপি হাটাও দেশ বাচাওক, বিজেপি চৰকাৰ হায় হায়, কংগ্ৰেছ জিন্দাবাদ, ৰাহুল গান্ধী জিন্দাবাদ আদি শ্লোগানেৰে জয়পুৰ বজাৰ উত্তাল কৰি তোলে দলীকাৰ্যকৰ্তাসকলে। উক্ত কাৰ্যসূচীত ব্লক কংগ্ৰেছৰ সভাপতি ৰফিকুল ইছলাম তালুকদাৰসহ তিনি শতাধিক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে। ইয়াৰ পাছত ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

## মোৰাঝাৰত প্ৰৱঞ্চক দিলৱাৰ হুছেইনক গ্ৰেপ্তাৰ

হুছেইনক গ্ৰেপ্তাৰ কৰা হয়। অভিযুক্তজনে লামডিঙকে আদি কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভুৱা লটাৰীৰ টিকট বিক্ৰী কৰি লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হৈছে। মোৰাঝাৰৰ হাতীশালীৰ আজমা নগৰত থকা তেওঁৰ বাসগৃহত চলোৱা তালাচীত আৰক্ষীয়ে বিভিন্ন সামগ্ৰী জব্দ কৰাৰ লগতে লটাৰী জালিয়াতিৰ আঁৰত আন কোনো লোক বা বৃহৎ চক্ৰ জড়িত আছে নেকি, সেই সন্দৰ্ভতো তদন্ত অব্যাহত ৰাখিছে। কিন্তু প্ৰশ্নটো কেৱল দিলৱাৰ হুছেইনক লৈয়ে সীমাবদ্ধ নহয়। অভিযোগ অনুসৰি, ইয়াৰ পূৰ্বেও হোজাই জিলাৰ বিভিন্ন স্থানত লটাৰীৰ প্ৰলোভন দেখুৱাই সাধাৰণ ৰাইজৰ পৰা কোটি কোটি টকা সংগ্ৰহ কৰাৰ অভিযোগ আছে। সহজে অধিক ধন লাভৰ আশাত একাংশ লোকে নিজৰ কষ্টোপাৰ্জিত ধন হেৰুৱাই ক্ষতিগ্ৰস্ত হোৱাৰ অভিযোগো উঠিছে। এই অভিযোগসমূহ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন মহলে দাবী জনাইছে। এতিয়া প্ৰশ্ন হয়, এই অভিযান কেৱল এজন অভিযুক্ততে সীমাবদ্ধ থাকিব নে জিলাখনত লটাৰীৰ নামত প্ৰৱঞ্চনাৰ অভিযোগৰ আঁৰত থকা আন লোকসকলৰ বিষয়েও আৰক্ষীয়ে তদন্ত আগবঢ়াব ? ৰাইজৰ কষ্টোপাৰ্জিত ধনৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ কঠোৰ পদক্ষেপ এতিয়া সময়ৰ দাবী।

## মৰিগাঁৱত বিজ্ঞান সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান

সচিব মৃণাল হাজৰিকাই। শৈক্ষিক সমন্বয়ক ড° ইমদাদ আলীয়ে আঁত ধৰা অনুষ্ঠানত সমিতিৰ সম্পাদক নিৰোদ বৰা, জিলা সমন্বয়ক লক্ষ্যজ্যোতি শইকীয়া উপস্থিত থাকে । এইবাৰৰ শিশু বিজ্ঞান সমাৰোহৰ মূল বিষয়বস্তু আছিল 'স্থিতিশীলতাৰ বাবে বিজ্ঞান আৰু উদ্ভাৱন' এই মূল বিষয়ৰ আধাৰত নিৰ্ধাৰিত ৫টা উপ-বিষয়ক কেন্দ্ৰ কৰি জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ উচ্চ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকল্প উপস্থাপন কৰে। সমাৰোহত মুঠ ৫৮টা প্ৰকল্প পঞ্জীয়ন হয়। দুটা সুকীয়া প্ৰেক্ষাগৃহত ৬গৰাকী অভিজ্ঞ বিচাৰকৰ সন্মুখত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ বৈজ্ঞানিক উদ্ভাৱন আৰু সমীক্ষামূলক প্ৰকল্পসমূহ দাঙি ধৰে। ১৯৯৩ চনৰ পৰাই মৰিগাঁৱত ধাৰাবাহিকভাৱে এই সমাৰোহ অনুষ্ঠিত হৈ আহিছে। জিলা পৰ্যায়ত সফলতা লাভ কৰা নিৰ্বাচিত প্ৰকল্পসমূহ পৰৱৰ্তী সময়ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়লৈ প্ৰেৰণ কৰা হ'ব। উঠি অহা নৱপ্ৰজন্মৰ মাজত বৈজ্ঞানিক মানসিকতা, যুক্তিবাদী চিন্তাধাৰা আৰু পদ্ধতিগত গৱেষণাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাই এই সমাৰোহৰ মূল লক্ষ্য বুলি আয়োজকে জানিবলৈ দিয়ে।

## 'মেনেজ ইয়'ৰ কেৰিয়াৰ' শীৰ্ষক

শীৰ্ষক উক্ত গ্ৰন্থখনত ৰাইট ইনফৰ্মেচন ওপৰত গুৰুত্ব দি এইপিএছচি, ইউ পি এছ চি, এছ এছ চি, ৰে'লৱে আদিৰ বাবে প্ৰস্তুতি আৰু কৌশল সন্নিৱিষ্টৰে ২০০ ৰো অধিক কেৰিয়াৰৰ বিতং আলোচনা কৰা হৈছে। গ্ৰন্থখনৰ বিশেষত্ব অনুসৰি প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সম্পূৰ্ণ গাইড,উচ্চ শিক্ষাৰ বিভিন্ন শাখাৰ তথ্য, অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে সমানে উপযোগী হোৱাকৈ প্ৰতিটো কেৰিয়াৰৰ বাবে যোগ্যতা, প্ৰস্তুতি প্ৰক্ৰিয়া আৰু ভৱিষ্যৎ সম্ভাৱনাৰ বিশ্লেষণ কৰা হৈছে। গ্ৰন্থখনৰ লেখক আব্দুল ওৱাকিল এজন অভিজ্ঞ কেৰিয়াৰ কাউঞ্চেলৰ। ভাৰতীয় নৌসেনাত ১৫ বছৰ সেৱা আগবঢ়োৱাৰ লগতে অসম আৰক্ষীৰ সীমান্ত সংগঠনত ৭ বছৰ পৰিদৰ্শক হিচাপে কাৰ্যনিৰ্বাহ কৰা আব্দুল ওৱাকিলে এ পি এছ চি উত্তীৰ্ণ হৈছে দুবাৰকৈ Gazetted Officer আব্দুল ওৱাকিলৰ উপযুক্ত দিশ-দৰ্শনৰে কেৰিয়াৰ গঢ়িব বিচৰা প্ৰত্যেকগৰাকী ব্যক্তিৰ বাবে এই গ্ৰন্থখনে এজন সচেতন ব্যক্তি হিচাপে নিজৰ কেৰিয়াৰ নিজে পৰিচালনা কৰাত সহায় কৰাৰ লগতে ভুল তথ্যৰ বাবে যাতে কোনো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ নষ্ট নহয়, তাৰ বাবেই এই প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইতিমধ্যে শৈক্ষিক মহলত গ্ৰন্থখনে যথেষ্ট সমাদৰ লাভ কৰিছে আৰু অনাগত দিনতো মেধা সম্পন্ন ছাত্ৰ -ছাত্ৰী তথা সচেতন অভিভাৱকে আঁকোৱালি ল'ব বুলি আশা কৰিছে ইয়াৰ উপৰি, গ্ৰন্থখনত কেৰিয়াৰ অনুসৰি প্ৰয়োজনীয় অৰ্হতা, বিশেষ দক্ষতা আৰু ভৱিষ্যতৰ সম্ভাৱনাসমূহ বৰ্ণনা কৰা হৈছে। বিশেষকৈ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী, স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱক আৰু কেৰিয়াৰ কাউঞ্চেলৰসকলৰ বাবেও এই গ্ৰন্থখন অত্যন্ত ফলপ্ৰসূ হ'ব এই গ্ৰন্থখন বৰপেটাৰ কালু খান মাৰ্কেটত আড্ডা মাই শ্বপ, হাউলীৰ আছাদী ষ্টোৰ্চ আৰু শুকমানাস্থিত পল্লাৰপাৰ বজাৰ আমিন ভেৰাইটিচত পোৱা যাব বুলি বিত্তীয় আৰু হিচাপ বিষয়া আব্দুল ওৱাকিলে জানিবলৈ দিয়ে।

## নম্বৰ প্লেটবিহীন বাইকসহ

দিব্যজ্যোতি দাস আৰু মানস প্ৰতীম গগৈ নামৰ দুজন ব্যক্তিৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি নাগালেণ্ডৰ দিশৰ পৰা ড্ৰাগছ সৰবৰাহ চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বনাঞ্চল বা আন্তঃৰাজ্যিক সীমান্তৰ কাষৰীয়া অঞ্চলটোত নম্বৰ প্লেটবিহীন বাইক ব্যৱহাৰ কৰি চলি অহা এই অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ এই সফল অভিযানে অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৰ্তমান ঘটনা সন্দৰ্ভত বিহুবৰ আৰক্ষীয়ে অধিক তথ্য প্ৰকাশৰ বাবে আৰু সৰবৰাহ চক্ৰটোৰ মূল মূল অভিযুক্তক আটক কৰিবলৈ তীব্ৰ তদন্ত অব্যাহত ৰাখিছে।

## জ্ঞানেশ কুমাৰক তীব্ৰ

অংশগ্ৰহণ কৰিব। লগতে সংবাদমেলত ৰাহুল বলে অভিযোগ কৰে যে বৰ্তমান নিৰ্বাচনী ব্যৱস্থা আৰু গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে বিৰোধী ঐক্যবদ্ধ হৈছে। জ্ঞানেশ কুমাৰৰ পদত্যাগ আৰু বিজেপিৰ ভোট চুৰিৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে 'চিজেপি আৰু ছাত্ৰ সমাজ ৰাজপথলৈ ওলাই আহিছে। অহা ১ নৱেম্বৰৰ এই ঐতিহাসিক প্ৰতিবাদী সভাত দেশৰ প্ৰতিজন সচেতন নাগৰিক তথা বিৰোধী শক্তিক অংশগ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। ইফালে, অৰুণাচল প্ৰদেশৰ সীমান্তত চীনা সৈন্যৰ অনুপ্ৰৱেশৰ খবৰক লৈও সংবাদমেলত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে ৰাহুল বলে। দেশৰ ভৌগোলিক অখণ্ডতা আৰু সুৰক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ভূমিকাক লৈ উদ্বেগ প্ৰকাশ কৰি তেওঁ কয় যে সীমান্তৰ এই স্পৰ্শকাতৰ ঘটনাক লৈ চৰকাৰে তৎকালীনভাৱে স্পষ্ট স্থিতি গ্ৰহণ কৰা উচিত।

# বৃহৎ ছাইবাৰ প্ৰৱঞ্চনা ঃ তদন্তৰ মাজতে নতুন দিল্লীত গ্ৰেপ্তাৰ অধিবক্তাক

**নিউজ ডেস্ক, ২৫ অক্টোবৰ ঃ** দেশজুৰি বিয়পি পৰা ছাইবাৰ প্ৰৱঞ্চনা আৰু ধন সৰবৰাহৰ অভিযোগৰ তদন্তৰ মাজতে অধিবক্তা ৰশেশ উপাধ্যায় ওৰফে ৰশেশ শ্বাহক গ্ৰেপ্তাৰ কৰিছে ইডি য়ে ।প্ৰায় ২৮,০০০ কোটি টকাৰ বেংকিং লেনদেনৰ সৈতে জড়িত বুলি সন্দেহ কৰা এই প্ৰৱঞ্চনা চক্ৰৰ তদন্তত এতিয়ালৈকে ৭জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। তদন্তকাৰী সংস্থাৰ মতে, এই চক্ৰৰ জৰিয়তে প্ৰায় ২,৯০০ কোটি টকা নগদ ধন জমা কৰা হৈছিল। শনিবাৰে মুম্বাইৰ ছত্ৰপতি শিৱাজী মহাৰাজ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত দিল্লীলৈ যোৱাৰ প্ৰস্তুতি চলাই থকাৰ সময়তে উপাধ্যায়ক আটক কৰে ইডিয়ে। ইডিৰ এটা দলে শুল্ক বিভাগ আৰু কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ সহযোগত বিমানবন্দৰত তেওঁক আটক কৰে। পাছত তেওঁক গোৱালৈ লৈ যোৱা হয় আৰু ধন সৰবৰাহ প্ৰতিৰোধ আইনৰ অধীনত গঠিত বিশেষ আদালতে ২৯ অক্টোবৰৰ পৰ্যন্ত ইডিৰ জিম্মালৈ তেওঁক প্ৰেৰণ কৰে। গোৱাত এগৰাকী মহিলাই তথাকথিত ডিজিটেল এৰেষ্ট প্ৰৱঞ্চনাৰ বলি হৈ ২.৬০ কোটি টকা হেৰুওৱাৰ অভিযোগৰ পিছতে এই তদন্ত আৰম্ভ হৈছিল। অভিযোগ অনুসৰি, ২০২৫ চনৰ ২১ মে'ৰ পৰা ২ জুনলৈকে অপৰাধীয়ে চৰকাৰী বিষয়া আৰু আইন-শৃংখলা বাহিনীৰ সদস্যৰ পৰিচয় দি মহিলাগৰাকীক ফোন আৰু ভিডিঅ' কল যোগে ভাবুকি প্ৰদান কৰিছিল। এই ঘটনাৰ পাছতে ২০২৫ চনৰ ৯ জুনত গোৱা আৰক্ষীয়ে এখন এজাহাৰ কৰিছিল দাখিল। উল্লেখযোগ্য যে, ডিজিটেল এৰেষ্ট হৈছে ছাইবাৰ অপৰাধীৰ এক প্ৰৱঞ্চনামূলক কৌশল। ইয়াত অপৰাধীয়ে আৰক্ষী, চিবি আই বা আন চৰকাৰী সংস্থাৰ বিষয়া বুলি পৰিচয় দি ভুক্তভোগীক ভয়-ভাবুকি দিয়ে। গ্ৰেপ্তাৰৰ ভাবুকি দি ধন আদায় কৰে। ইফালে, ইডিৰ তদন্ত অনুসৰি-গোৱাত প্ৰৱঞ্চনাৰ বলি হোৱা মহিলাগৰাকীৰ পৰা সংগ্ৰহ কৰা ধন প্ৰায় ৪০০টা মিউল একাউণ্টলৈ স্থানান্তৰ কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। এই একাউণ্টসমূহ পণ্য ব্যৱসায়, ভ্ৰমণ আৰু বৈদেশিক মুদ্ৰা বিনিময়ৰ সৈতে জড়িত প্ৰতিষ্ঠানৰ আছিল বুলি অভিযোগ উত্থাপন হৈছে। এই প্ৰতিষ্ঠানসমূহ ভুৱা পৰিচালকসকলৰ জৰিয়তে চলোৱা হৈছিল বুলিও সন্দেহ কৰিছে তদন্তকাৰী সংস্থাই। ইডিৰ মতে, বেংক একাউণ্টসমূহৰ জৰিয়তে ধন স্থানান্তৰ কৰাৰ পাছত সেই ধন উলিয়াই অনা হৈছিল আৰু অনুজ্ঞাপত্ৰপ্ৰাপ্ত ধন বিনিময়কাৰীৰ সহায়ত বিদেশী মুদ্ৰালৈ ৰূপান্তৰ কৰা হৈছিল। এনে জটিল লেনদেনৰ ফলত প্ৰকৃত ধন লাভ কৰা লোকসকলক চিনাক্ত কৰাটো তদন্তকাৰী সংস্থাৰ বাবেও কঠিন হৈ পৰিছে। আনহাতে, ইডিৰ মতে- ৰমেশ উপাধ্যায় এই প্ৰৱঞ্চনা চক্ৰৰ অন্যতম গুৰুত্বপূৰ্ণ ব্যক্তি। আৰক্ষীৰ অভিযোগৰ পিছত জব্দ কৰা বেংক একাউণ্টসমূহ পুনৰ মুকলি কৰাত তেওঁ সহায় কৰা বুলি অভিযোগ উত্থাপন হৈছে। তদন্তকাৰীসকলৰ




অভিযোগ অনুসৰি, আংগাড়িয়া নামেৰে পৰিচিত মধ্যস্থতাকাৰীৰ জৰিয়তে সংশ্লিষ্ট বিষয়াসকলক উৎকোচ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। আংগাড়িয়া হৈছে নগদ ধন স্থানান্তৰৰ এক ব্যক্তিগত ব্যৱস্থা। ইডিৰ তথ্য অনুসৰি, এই প্ৰৱঞ্চনা চক্ৰৰ সৈতে জড়িত বেংক একাউণ্টসমূহৰ বিৰুদ্ধে ৩০০ৰো অধিক ভুক্তভোগীয়ে অভিযোগ দাখিল কৰিছে। এই ঘটনাসমূহৰ ভিত্তিত দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১৬০ৰো অধিক এজাহাৰ দাখিল কৰা হৈছে। এই প্ৰৱঞ্চনাৰ ফলত ৪০০ কোটি টকাৰো অধিক লোকচান হোৱাৰ তথ্য পোহৰলৈ আহিছে। অৱশ্যে, সমগ্ৰ নেটৱৰ্কটোৱে প্ৰায় ২৮,০০০ কোটি টকাৰ বেংকিং লেনদেন চলাইছিল বুলি সন্দেহ কৰা হৈছে। এই বিপুল পৰিমাণৰ ধনৰ প্ৰকৃত উৎস আৰু লাভৱান হোৱা লোকসকলক চিনাক্ত কৰিবলৈ তদন্ত অব্যাহত ৰাখিছে ইডিয়ে।

# চলিত বৰ্ষত মুক্তি নাপায় হিমাংশু প্ৰসাদ দাসৰ 'এক্স ৱাই জেড'

**বৰ্তমান সময়, গুৱাহাটী, ২৫ অক্টোবৰ ঃ** উজনি অসমৰ প্ৰলয়ংকৰী বানৰ ফলত এইটো বৰ্ষতে মুক্তিলাভ কৰিবলগীয়া বহুকেইখনৰ ছবিৰ মুক্তিৰ দিন বাতিল কৰা হৈছিল ।লাহে লাহে পৰিস্থিতি স্বাভাৱিক হোৱাৰে পৰা বৰ্তমান এখন এখনকৈ বহুকেইখন ছবিয়ে মুক্তি লাভ কৰিছে। চলিত বৰ্ষৰ ২৪ জুলাইত মুক্তিলাভ কৰিবলগীয়া এখন ছবিৰ মুক্তিৰ প্ৰায় দুদিন আগত স্থগিত কৰা হৈছে বুলি ঘোষণা কৰা হৈছিল। বহু চৰ্চিত এই ছবিখন হৈছে 'এক্স ৱাই জেড'। চলিত বৰ্ষৰ জুলাইত ছবিখন ছবিগৃহলৈ অহাৰ কথা আছিল ।কিন্তু উজনি অসমৰ প্ৰলয়ংকৰী বান পৰিস্থিতিৰ বাবে নিৰ্মাতাগোষ্ঠী ছবিখনৰ মুক্তি স্থগিত কৰিছিল। ৰাজনৈতিক কমেডি ছবি হিচাপে নিৰ্মাণ কৰা ছবিখন ছবিগৃহলৈ কেতিয়াকৈ আহিব তাৰ বাবে নিৰ্মাতাগোষ্ঠী তথা কলা-কুশলী প্ৰশ্নৰ মুখামুখি হৈ আহিছিল। অৱশেষত সকলো কল্পনা-জল্পনাৰ অন্ত পেলাই ২১ অক্টোবৰত ছবিখনৰ পৰিচালক হিমাংশু প্ৰসাদ দাসে মুক্তিৰ দিন ঘোষণা কৰে। ২০২৭ চনৰ ৭ মে'ত বহুপ্ৰত্যাশিত এই ছবিখনে মুক্তিলাভ কৰিব। সামাজিক মাধ্যমযোগে পৰিচালকগৰাকীয়ে এই কথা ঘোষণা কৰে। এই সম্পৰ্কত পৰিচালক দাসে লিখিছে এনেদৰে—দৈনিক সন্মুখীন হোৱা এটা প্ৰশ্ন এক্স ৱাই জেড কেতিয়া ৰিলিজ হ'ব ? এই বছৰ ২৪ জুলাইত চিনেমাখনে মুক্তিলাভ কৰাৰ কথা আছিল । কিন্তু ১৯ জুলাইত অহা প্ৰলয়ংকৰী বানৰ বাবে মুক্তিৰ দুদিন আগত আমি চিনেমাখনৰ মুক্তি স্থগিত ৰাখোঁ। যদিওবা তেতিয়াই পৰৱৰ্তী মুক্তিৰ দিন ঠিক কৰিছিলোঁ, বহুদিন থকা বাবে ঘোষণা কৰা নাছিলোঁ। কিন্তু দৈনিক উত্তৰ দি দি ভাগৰ লগা বাবে আজি তাৰিখটো ৰাজহুৱাভাৱে ঘোষণা কৰিলোঁ । ইমানদিন পিছুৱাই দিব লগা হ'ল, কিয়নো বহুতো চিনেমাই ইতিমধ্যে তাৰিখ নিৰ্ধাৰণ কৰি থৈছিল। কিন্তু এটা কথা ঠিক এই চিনেমাখনৰ মুক্তিৰ দিন পিছুৱাই গ'লেও, চিনেমাখনৰ কাহিনী আৰু প্ৰাসংগিকতা পুৰণি হৈ নাযায়। আমি আহি আছোঁ।

## আৰক্ষী- অছয় মাৰ'গেঙৰ এনকাউন্টাৰ

# দিল্লীত কুখ্যাত গেংষ্টাৰ সুধানক গ্ৰেপ্তাৰ

**নিউজ ডেস্ক, ২৫ অক্টোবৰ ঃ** দিল্লীৰ ময়দান গড়ী থানাৰ আৰক্ষীয়ে এনকাউণ্টাৰৰ পাছত ছয় মাৰ' গেঙৰ এজন অন্যতম মুৰব্বী তথা গেংষ্টাৰক গ্ৰেপ্তাৰ কৰিছে। গেংষ্টাৰটোৰ নাম সুধান বুলি জানিব পৰা গৈছে। আৰক্ষীৰ মতে, সুধান প্ৰায় ১০টা ভিন্ন নামেৰে পৰিচিত আছিল। সুধানে দীৰ্ঘদিন ধৰি অপৰাধমূলক কাৰ্য-কলাপৰ সৈতে জড়িত থকা বুলি অভিযোগ উত্থাপন হৈছে। আৰক্ষী আৰু ছয় মাৰ' গেঙৰ মাজত সংঘটিত সংঘৰ্ষৰ সময়ত দুয়োপক্ষৰ পৰা মুঠ ৮ জাঁই গুলীচালনা হোৱা বুলি জানিব পৰা গৈছে। অভিযানৰ সময়ত আৰক্ষীয়ে গেংষ্টাৰটোক কৰায়ত্ত কৰে। ঘটনাস্থলীৰ পৰা এটা পিষ্টল আৰু এখন মটৰচাইকেলো জব্দ কৰিছে আৰক্ষীয়ে। ৰাষ্ট্ৰীয় সংবাদমাধ্যমৰ খবৰ অনুসৰি সুধানৰ ঘৰ বাংলাদেশত বুলি জানিব পৰা গৈছে। গ্ৰেপ্তাৰ কৰা গেংষ্টাৰটোৱে উত্তৰ প্ৰদেশৰ কন্নৌজত বাস কৰি আছিল। ইফালে, দিল্লীত সুধানৰ বিৰুদ্ধে ৫টাকৈ অপৰাধমূলক গোচৰ ৰুজু হৈ আছে। ইয়াৰ উপৰি, উত্তৰ প্ৰদেশ আৰক্ষীয়ে সুধানৰ সন্ধান দিওঁতালৈ এক লাখ টকাৰ পুৰস্কাৰো ঘোষণা কৰি ৰাখিছিল। পঞ্জাৱতো গেংষ্টাৰটোক আৰক্ষীৰ মষ্ট ৱাণ্টেড তালিকাত থকা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ছয় মাৰ' গেঙক ঘৰত প্ৰৱেশ কৰি লুটপাত চলোৱা এটা অপৰাধী চক্ৰ হিচাপে জনা যায়। অভিযোগ অনুসৰি, এই গেঙৰ সদস্য কেইটাই মানুহৰ ঘৰত প্ৰৱেশ কৰে আৰু তাৰ পিছত লুটপাত চলায়। কোনোবাই বাধা দিবলৈ চেষ্টা কৰিলে গেংটোৱে প্ৰাণঘাতী আক্ৰমণ কৰিবলৈও কুণ্ঠাবোধ নকৰে।

# হাজোৰ বঙালপাৰাত দাৰুল উলুম আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ অধিৱেশন

**বৰ্তমান সময়, ২৫ অক্টোবৰ, হাজো ঃ** হাজোৰ বঙালপাৰাস্থিত দাৰুল উলুম আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ সপ্তম বাৰ্ষিক অধিৱেশন উপলক্ষে অহা ৭ নৱেম্বৰত মাদ্ৰাছা প্ৰাংগণত এখন বিৰাট দ্বীনি জলছাহৰ আয়োজন কৰা হৈছে। এই ধৰ্মীয় অনুষ্ঠানটোক সাফল্যমণ্ডিত কৰি তুলিবলৈ ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে আয়োজক সমিতিয়ে। উক্ত অধিৱেশন আৰু দ্বীনি জলছাহৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে ৰেজ্জাক আলীক সভাপতি, ছাহজাহান আলী আৰু আবুতালেবক উপ-সভাপতি, হুছেইন আলী আৰু আটাউৰ ৰহমানক সাধাৰণ সম্পাদক তথা মোকাদ্দেছ আলী আৰু জয়নাল আবদিনক সহঃ সম্পাদক হিচাপে লৈ এখনি পৰিচালনা সমিতি গঠন কৰাৰ লগতে অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি মতলিব আলীক সভাপতি হিচাপে লৈ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এখনি অভ্যৰ্থনা সমিতিও গঠন কৰা হৈছে। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি, পুৱা ৭ বজাত কোৰাণ পাঠেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। এই কাৰ্যসূচী পৰিচালনা কৰিব শিক্ষক হাফিজ লোকমান হাকিমে। ইয়াৰ পিছতে দিনৰ ২ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাৰ আসন অলংকৃত কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল কাদেৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বৰপেটাৰ মইনবৰী জামে মছজিদৰ ইমাম হজৰত শ্বেখ মৌলানা আনোৱাৰ হুছেইন বুলবুলি আৰু আন্ধুপাৰাৰ জামিয়া ইছলামীয়া তাহফিজুল কোৰাণৰ নায়েবে মুহতামিম হজৰত মুফতি বাহাৰুল ইছলাম কাছিমী। আনহাতে, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বৰচলি হাটখোলা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃ প্ৰধান শিক্ষক আলহাজ চামচুল হক। ইয়াৰ উপৰি অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু ধৰ্মীয় পণ্ডিতে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে ইফালে, দ্বীনি জলছাহৰ শান্তিপূৰ্ণ পৰিৱেশ বৰ্তাই ৰখাৰ স্বাৰ্থত সভাস্থলীৰ পৰা এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনোধৰণৰ দোকান পোহৰৰ ব্যৱস্থা গ্ৰহণ নকৰিবলৈ আহ্বান জনায়। প্ৰতিটো কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে অঞ্চলটোৰ ধৰ্মপ্ৰাণসকলৰ সহায় সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে আয়োজক সমিতিয়ে।

# লাহৰীঘাটত অবৈধভাৱে ম'হ সৰবৰাহৰ সন্দেহত ৭ জনক গ্ৰেপ্তাৰ

## ৬টা ম'হসহ দুখন বাহন জব্দ কৰিলে আৰক্ষীয়ে

**বৰ্তমান সময়, লাহৰীঘাট, ২৫ অক্টোবৰ ঃ** কালি নিশা লাহৰীঘাট আৰক্ষীয়ে এক অভিযান চলাই অবৈধভাৱে ম'হ সৰবৰাহত জড়িত ৭ জনকৈ লোকক গ্ৰেপ্তাৰ কৰে। লাহৰীঘাটৰ টেঙাগুৰীৰ পৰা ধিং অভিমুখে গৈ থকা অৱস্থাত আৰক্ষীয়ে AS31 C2660 আৰু AS01 NC2928 নম্বৰৰ দুখন বলেৰ' পিকআপ বাহন ৰখাই তালাচী চলোৱাত উদ্ধাৰ হয় ৬ টাকৈ ম'হ। তালাচীৰ সময়ত এখন বাহনত ৫টা আৰু আনখন বাহনত ১টাসহ মুঠ ৬টা ম'হ উদ্ধাৰ কৰিবলৈ সক্ষম হয় লাহৰীঘাট আৰক্ষীয়ে। ধৃত ইমৰাদুল আলী, নাজিৰুল ইছলাম,আমিনুল হক, আছিম উদ্দিন, গাজিবুৰ ৰহমান, আয়ুব আলী আৰু মাইনুল হক। সৰবৰাহকাৰী কেইটাই ম'হকেইটা খাৰুপেটীয়াত বিক্ৰীৰ বাবে নিয়া সময়ত ম'হকেইটাৰ মালিকানা সম্পৰ্কীয় বৈধ নথি-পত্ৰ আৰু প্ৰয়োজনীয় পৰিবহণ অনুমতি-পত্ৰ দেখুৱাবলৈ ব্যৰ্থ হয়। ফলত আৰক্ষীয়ে ম'হকেইটা আৰু বাহন দুখন জব্দ কৰাৰ লগতে ৭ টাকৈ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত লাহৰীঘাট আৰক্ষী অধীনত গোচৰ ৰুজু কৰা হৈছে। গোচৰটোৰ সৈতে জড়িত মুঠ ৭জন অভিযুক্তক গ্ৰেপ্তাৰ কৰি আজি মৰিগাঁও আদালতলৈ প্ৰেৰণ কৰে আৰক্ষীয়ে।

# মোৰাঝাৰত মহিলাক প্ৰতাৰণা-মাৰপিট

**বৰ্তমান সময়, মোৰাঝাৰ, ২৫ অক্টোবৰ ঃ** মোৰাঝাৰৰ শ্বপুৰ গাঁৱত আত্মীয়ৰ দ্বাৰা এগৰাকী মহিলা প্ৰতাৰণা আৰু মাৰপিটৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। ভুক্তভোগী মহিলাগৰাকীৰ অভিযোগৰ ভিত্তিত মোৰাঝাৰ আৰক্ষীয়ে একে গাঁৱৰে দুজন অভিযুক্তক আটক কৰে। আটকাধীন লোক দুজন ছাদ্দাম হুছেইন আৰু তেওঁৰ পিতৃ নুৰ উদ্দিন। উল্লেখ্য, দীৰ্ঘদিনৰ পৰা ছাদ্দাম আৰু তেওঁৰ পত্নীসহ পৰিয়ালৰ লোকে মহিলাগৰাকীৰ ধন লুটি প্ৰতাৰণা কৰি শাৰীৰিকভাৱে প্ৰহাৰ কৰিছিল। ছাদ্দাম হুছেইনৰ বিৰুদ্ধে ভুক্তভোগী মহিলা গৰাকীয়ে চলাহি কথাৰে শাৰীৰিক সম্পৰ্ক স্থাপন কৰি অপকৰ্মত লিপ্ত হোৱাৰো অভিযোগ তুলিছে। ভুক্তভোগীৰ গোচৰৰ ভিত্তিত কালি আৰক্ষীয়ে ২১০/২৬ গোচৰ ৰুজু কৰি দুজন লোকক গেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে।

## জিলাৰ বিভিন্ন প্ৰান্তত আধ্যাত্মিক কাৰ্যসূচীৰে লক্ষ্মী পূজা

# তামুলপুৰত ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ আৰাধনা

**বৰ্তমান সময়, তামুলপুৰ, ২৫ অক্টোবৰ ঃ** ধন-সম্পদ, সমৃদ্ধি আৰু ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ আৰাধনাৰে আজি উখল-মাখল হৈ পৰে তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্ত। জিলাখনৰ বিভিন্ন অঞ্চলত পৰম্পৰাগত ৰীতি-নীতি আৰু ধৰ্মীয় বিশ্বাসেৰে লক্ষ্মী আৰু মাইনাও পূজাৰ আয়োজন কৰা হৈছে। পূজা উপলক্ষে বিভিন্ন পূজা মণ্ডপত পুৱাৰে পৰা ভক্তৰ সমাগম পৰিলক্ষিত হয়। তামুলপুৰ জিলাৰ তেতেলিগুৰি-কালাকুছি বাৰোৱাৰী পূজা ক্ষেত্ৰত এইবাৰ সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ৮১ সংখ্যক ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী পূজা মহোৎসৱ। পূজা মহোৎসৱৰ প্ৰথম দিনা পুৱা পতাকা উত্তোলন কৰে ৮১ সংখ্যক পূজা মহোৎসৱ উদযাপন সমিতিৰ সভাপতি বিশ্বজিৎ দৈমাৰীয়ে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। সন্ধিয়া ৫ বজাত লক্ষ্মী মন্দিৰৰ দ্বাৰ উন্মোচন কৰে তামুলপুৰ জিলা বিজেপিৰ উপ-সভাপতি দয়াল দাসে। সন্ধিয়া ৬.৩০ বজাত প্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ একাজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ সমান্তৰালভাৱে মাইনাও মন্দিৰৰ দ্বাৰ উন্মোচন কৰে ৰাজ্যসভাৰ সাংসদ প্ৰমোদ বড়োৱে। ইয়াৰ পিছতে অঞ্চলটোৰ ৰাইজে বড়ো জনগোষ্ঠীৰ ধনৰ অধিষ্ঠাত্ৰী দেৱী মাইনাওক ভক্তিভাৱে সেৱা আগবঢ়ায়। নিশাৰ ভাগত লক্ষ্মী পূজাৰ মূল আয়োজন আৰম্ভ হয়। ভক্তসকলে দেৱী লক্ষ্মীৰ সন্মুখত পূজা-অৰ্চনা, পুষ্পাঞ্জলি আৰু সংকীৰ্তনত অংশগ্ৰহণ কৰে। ইয়াৰ জৰিয়তে প্ৰথম দিনাৰ ধৰ্মীয় কাৰ্যসূচীৰ সামৰণি পৰে। উদযাপন সমিতিৰ উদ্যোগত লক্ষ্মী পূজাৰ আটাইকেইদিনতে আয়তীৰ নাম, ওজাপালি, বন্তি প্ৰজ্বলন, নাট প্ৰদৰ্শন, কুইজ প্ৰতিযোগিতা, নাগাৰা নাম, চিত্ৰাংকণ প্ৰতিযোগিতা আৰু বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। আনহাতে, তামুলপুৰ জিলাৰ বতিয়ামাৰীতো আজি উলহ-মালহেৰে অনুষ্ঠিত হয় ৭৮ সংখ্যক বতিয়ামাৰী বাৰোৱাৰী লক্ষ্মী পূজা। পূজা উপলক্ষে অঞ্চলটোত ধৰ্মীয় পৰিৱেশৰ সৃষ্টি হয় আৰু ভক্তসকলে দেৱী লক্ষ্মীৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়। ইফালে দলংপাৰতো আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী পূজা অনুষ্ঠিত হৈছে। একেদৰে দংপাৰতো আজিৰে পৰা সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

## মহিলা সমিতিৰ প্ৰথমগৰাকী সভানেত্ৰী ধূপধৰাৰ অচিমুন নেছাৰ দেহাৱসান

**বৰ্তমান সময়,ধূপধৰা, ২৫ অক্টোবৰঃ** ধূপধৰাৰ সৰবৰহী মহিলা তথা ধূপধৰা মহিলা সমিতিৰ প্ৰথম সভানেত্ৰী অচিমুন নেছাৰ বাৰ্ধক্যজনিত কাৰণত ২৪ অক্টোবৰ বিয়লি পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ ধূপধৰা অঞ্চলতে গভীৰ শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে বিগত কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ তেওঁ শয্যাগত অৱস্থাত আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অসংখ্য গুণমুগ্ধই ধূপধৰাস্থিত তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি দুপৰীয়া অসংখ্য লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। প্ৰয়াত অচিমুন নেছা গোৱালপাৰা জিলাৰ ধূপধৰাৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত ইছমাইল আলীৰ সহধৰ্মিণী আছিল। ধূপধৰা মহিলা সমিতিৰ প্ৰথমগৰাকী সভানেত্ৰী হিচাপে তেওঁ অঞ্চলটোৰ সামাজিক জীৱনৰ সৈতে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ চাৰিগৰাকী কন্যা, দুগৰাকী পুত্ৰ, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ বিয়োগত অঞ্চলটোৰ বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# অসমৰ প্ৰস্তাৱিত ত্ৰৈমাসিক আলোচনী 'মৃত্তিকা'ৰ সম্পাদনা সমিতিৰ সভা




**বৰ্তমান সময়,মঙলদৈ, ২৫ অক্টোবৰ ঃ** সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ উদ্যোগত প্ৰস্তাৱিত ত্ৰৈমাসিক আলোচনী 'মৃত্তিকা'ৰ সম্পাদনা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা আজি মঙলদৈস্থিত সংস্কৃত বিদ্যালয় সভাকক্ষত অনুষ্ঠিত হয়। সভাত আলোচনীখনৰ প্ৰকাশ, সম্পাদনা, বিষয়বস্তুৰ মান উন্নয়ন আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিভিন্ন দিশৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ সঞ্চালক গৌতম শৰ্মাৰ তৎপৰতাত অনুষ্ঠিত হোৱা আৰু সম্পাদক ত্ৰিদীব কলিতাই আঁতধৰাৰ লগতে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া তথা সাহিত্যসেৱী তিলক চন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰা উক্ত গাম্ভীৰ্যপূৰ্ণ সভাত আলোচনী 'মৃত্তিকা'ৰ উপদেষ্টা কনকলতা দেৱী মুখ্য সম্পাদক অৰুণ কুমাৰ বৰুৱা, সম্পাদক হৰেন্দ্ৰ ৰাজবংশী, সম্পাদনা সহযোগী জিতেন্দ্ৰ শৰ্মা,ৰুণুপ্ৰভা চহৰীয়া,ৰুণুমীপ্ৰিয়া দেৱী,জিমুট বাহন গোস্বামী,সাংস্কৃতিক কৰ্মী দীপেন গগৈ, মহিলা সমন্বয়ক ডেইজী শইকীয়া, ভাৰ্গৱ ডেকা তথা কেন্দ্ৰৰ সংশ্লিষ্ট বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। সভাৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল আলোচনী 'মৃত্তিকা'ৰ সম্পাদনা আৰু প্ৰকাশৰ দায়িত্ব আনুষ্ঠানিকভাৱে অৰ্পণ কৰা। আলোচনীখনৰ কাম-কাজ সুসংগঠিতভাৱে আগবঢ়াই নিয়াৰ লগতে নিয়মীয়াকৈ প্ৰকাশ আৰু ইয়াৰ গুণগত মান অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাত অসমৰ ভাষা-সাহিত্য, কলা-সংস্কৃতি, লোকপৰম্পৰা, লোকজীৱন আৰু ঐতিহ্যৰ বিভিন্ন দিশ আলোচনীখনৰ জৰিয়তে পাঠকসমাজৰ মাজলৈ লৈ যোৱাৰ বিষয়ে আলোচনা কৰা হয়। লগতে নতুন লেখক-লেখিকা, কবি, গৱেষক আৰু সাংস্কৃতিক কৰ্মীসকলক নিজৰ সৃষ্টিশীল প্ৰতিভা প্ৰকাশৰ সুযোগ প্ৰদান কৰি 'মৃত্তিকা'ক এক শক্তিশালী সাহিত্য-সাংস্কৃতিক মঞ্চ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া হয়। সভাত উপস্থিত বিষয়ববীয়াসকলে আলোচনীখনৰ উদ্দেশ্য আৰু আদৰ্শ অক্ষুণ্ণ ৰাখি ইয়াক অধিক সমৃদ্ধ, তথ্যসমৃদ্ধ আৰু পাঠকৰ বাবে আকৰ্ষণীয় কৰি তোলাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা, সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু নতুন প্ৰজন্মৰ মাজত নিজৰ ভাষা আৰু পৰম্পৰাৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ ক্ষেত্ৰত আলোচনীখনে ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হয়।

# ধূপধৰা শ্যামাকালী মন্দিৰৰ প্ৰাংগণত পূজা সমিতিৰ অস্থায়ী কাৰ্যালয় মুকলি

**বৰ্তমান সময়,ধূপধৰা,২৫ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ ধূপধৰা সাৰ্বজনীন শ্ৰীশ্ৰী মা শ্যামাকালী পূজাৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ উঠাৰ মাজতে ২৪ অক্টোবৰৰ এক শুভক্ষণত শ্যামাকালী মন্দিৰ প্ৰাংগণত পূজা সমিতিৰ অস্থায়ী কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি নৰকান্ত ৰাভাই ফিতা কাটি কাৰ্যালয়টোৰ দ্বাৰ মুকলি কৰে। অনুষ্ঠানটোৰ আঁত ধৰে স্মৃতিগ্ৰন্থ সমিতিৰ সভাপতি তথা পূজা সমিতিৰ প্ৰাক্তন সম্পাদক সুকান্ত বসাকে। এই অনুষ্ঠানত উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি,উপ-সভাপতিসকল, উপসমিতিৰ বিষয়ববীয়া, সদস্য-সদস্যাৰ লগতে বহু সংখ্যক স্থানীয় ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সভাপতি নৰকান্ত ৰাভাই কয় যে ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰতিটো কাৰ্যসূচী সফল কৰি তোলাটো প্ৰতিজন সমিতিৰ বিষয়ববীয়াৰ দায়িত্ব । সেয়ে তেওঁ সমিতিৰ সকলো বিষয়ববীয়া, সদস্য আৰু স্থানীয় ৰাইজৰ পৰা আন্তৰিক সহযোগিতা কামনা কৰে। সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাৰে এই বিশেষ বৰ্ষৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে সম্পন্ন কৰাৰ লগতে মা শ্যামাকালী পূজাৰ দীৰ্ঘদিনীয়া পৰম্পৰা আৰু গৰিমা অক্ষুণ্ণ ৰাখিবলৈ তেওঁ আহ্বান জনায়। আনহাতে, কাৰ্যকৰী সভাপতি কৈলাশ গোস্বামীয়ে ৰূপালী জয়ন্তী বৰ্ষৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় —এই ৰূপালী জয়ন্তী কেৱল পূজা সমিতিৰ অনুষ্ঠান নহয়, ই সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ বাবে এক উমৈহতীয়া উৎসৱ। সেয়েহে সকলোৰে সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগিতাৰে এই জয়ন্তী উৎসৱক অধিক সফল আৰু



স্মৰণীয় কৰি তুলিবলৈ তেওঁ সকলোকে আহ্বান জনায়। উল্লেখ্য যে, ৰূপালী জয়ন্তীবৰ্ষক কেন্দ্ৰ কৰি উদযাপন সমিতিয়ে ইতিমধ্যে বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচী গ্ৰহণ কৰিছে। এই ঐতিহাসিক ক্ষণক স্মৰণীয় কৰি ৰখাৰ বাবে সমিতিয়ে সমূহ ভক্তপ্ৰাণ ৰাইজ, শুভাকাংক্ষী, স্থানীয় দল-সংগঠনৰ পৰা পূৰ্ণ সহযোগিতা কামনা কৰিছে।

জছ আহমেদৰ দ্বাৰা প্ৰকাশিত, বাঘৰবড়ী, সাতগাঁও, গুৱাহাটী- ৩৭, গৃহ নং- ১৩৭ (এম) আৰু ইক' প্ৰিণ্টিং প্ৰেছ, কটাহবাৰী, গড়চুক, গুৱাহাটী-৭৮১০৩৫ত মুদ্ৰিত। দূৰভাষ ঃ ৯৪৩৫২০০০৮৪ (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)
Publisher Josh Ahmed, Bagharbari, Satgaon, H/No. 137(M) and Echo Printing Press, Katahbari, Garchuk, Guwahati-781035, Phone : 94352 00084, www.bortomanxomoy.com, E-mail : bortomanxomoy@gmail.com
মুখ্য সম্পাদক ঃ ৰাজু আহমেদ  সম্পাদক ঃ চন্দ্ৰ কুমাৰ শইকীয়া  কাৰ্যবাহী সম্পাদক ঃ শ্ৰীমন্ত দাস